অন্বেষা

ড° শিবনাথ বর্মন

STATE CENTRAL LIBRARY
ASSAM.
Call No.

ভারতী বুক স্টল গোলাঘাট
(আসাম)

প্ৰকাশক :

শ্ৰীবিজয় কুমাৰ দত্ত

ভাৰতী বুক ষ্টল

গোলাঘাট

৭৮৫৬২১ অসম

পৰিবেশক :

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্

কলেজ হোষ্টেল ৰোড

গুৱাহাটী—৭৮১০০১

বেটুপাত

শ্ৰীচন্দন চুতীয়া

প্ৰথম সংস্কৰণ : মাৰ্চ, ১৯৮৪

ছপা :

এন. দাস

বৰ্ণভীমা প্ৰিণ্টাৰ্চ

৪০, হৰিতকী বাগান লেন

কলিকতা-৭০০০০৬

মূল্য : ১২'০০ টকা।

মোৰ দুগৰাকী শুভানুধ্যায়ী ব্যক্তি

শ্ৰীযুত নীলমণি ফুকন

আৰু

শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্য্যদেৱৰ

হাতত শ্ৰদ্ধাৰে—

হাতত কাপ ধৰিবলৈ মোক উৎসাহ দিয়া

দিনবিলাকৰ কথা সুঁৱৰি

সূচীপত্ৰ

ভূমৈৰ সুখম্	...	১
বাছেল প্ৰশস্তি	...	১০
বাছেল আৰু ৰহস্যবাদ	...	১৯
স্পিন'জা	...	২৯
আইনষ্টাইন আৰু স্পিন'জা	...	৫২
দাৰ্শনিক দৃষ্টিত আধুনিক পদাৰ্থবিজ্ঞান	...	৬২
মাৰ্ক্সৰ সাহিত্য-প্ৰীতি	...	৭০
লেনিনৰ দৃষ্টিত তলস্তয়	...	৭৯
সমাজ আৰু সভ্যতা	...	৮৪
ধৰ্ম আৰু প্ৰগতি	...	৯৬

॥ ভূমৈৱ সুখম্ ॥

'নাল্পে সুখমস্তি যো বৈ ভূমা তৎ সুখম্ ভূমৈৱ সুখম্'—আৰ্য ঋষিয়ে তাহানিতে কৈছিল। জীৱন আৰু জগতক জনাৰ আৰু দুয়োকে এক অখণ্ড, সমগ্ৰ ৰূপত চোৱাৰ আগ্ৰহেই হ'ল ভূমাস্পৃহা। খণ্ডই, স্বল্পই, ভাগে, জ্ঞান-তপস্বীক তুষ্ট কৰিব নোৱাৰে। জ্ঞান-ৰাজ্যৰপৰা ভাঁহি অহা অৰফিউচৰ বীণাৰ সুৰ সদৃশ স্বৰ্গীয় ঐকতানে তেওঁক অহৰ্নিশ উদ্বাউল কৰি ৰাখে, ই সেই ৰাজ্যৰ ফালে তেওঁক টানি লৈ যায় মোহাবিষ্টৰ দৰে। জ্ঞান-স্পৃহাই তেওঁক প্ৰদান কৰে এক অনিৰ্বচনীয় আনন্দানুভূতি যাৰ বিনিময়ত জীৱনৰ সমস্ত ঐহিক সুখ বিসৰ্জন দিবলৈ তেওঁ ৰাজী থাকে। আচৰিত নহয়, তেওঁ আনন্দ পায় এই ৰাজ্যখনক স্বৰ্গৰাজ্যৰ লগত তুলনা কৰি। জ্যোতিৰ্বিদ ট'লেমিয়ে যেতিয়া কয়, "মই জানো মই মৰণশীল,—মাথোঁ এক মুহূৰ্তৰ সৃষ্টি ; কিন্তু আৱৰ্তনশীল তাৰকাসহস্ৰলৈ যেতিয়া মই লক্ষ্য কৰোঁ, তেতিয়া মোৰ ভৰি আৰু মাটিত নাথাকে : স্বয়ং জেয়ুচ দেৱতাৰ কাষত থিয় হৈ তেতিয়া অমৃত-সুধা মই পান কৰোঁ", বা "প্ৰকৃতিক যিমানে বুজা যায়, ঈশ্বৰো সিমানেই বোধগম্য হয়"—বুলি স্পিন'জাই যেতিয়া ঘোষণা কৰে, তেতিয়া ভূমাৰ স্বৰ্গীয় উন্মাদনাই আচলতে ঘোষিত হয়। জ্ঞানৰাজ্যৰ শ্ৰেণীবিভাজন জ্ঞানতপস্বীয়ে মানিব নোখোজে। তীব্ৰ অনুসন্ধিৎসাই তেওঁক লৈ যায় ভূতত্ত্বৰপৰা নৃতত্ত্বলৈ, ৰসায়নবিজ্ঞানৰপৰা মনোবিজ্ঞানলৈ, ভাৰতীয় দৰ্শনৰপৰা গ্ৰীক দৰ্শনলৈ, ইতিহাসৰপৰা সাহিত্যলৈ। জ্ঞানৰ ৰাজ্যখন তেওঁ চাব খোজে কিছুমান অংশৰ সমষ্টি হিচাপে নহয়, বৰং এক নিখিল শাশ্বত ৰূপত, বিপুল অখণ্ডময়ৰ এক মূৰ্তি হিচাপে। সুৰৰ নিচাই সঙ্গীতপ্ৰেমিক যেনেকৈ মতলীয়া কৰে, তেনেকৈ ভূমাস্পৃহায়ো জ্ঞানতপস্বীক থিৰেৰে থাকিবলৈ নিদিয়ে। 'নাল্পে সুখমস্তি'—এই মন্ত্ৰই তেওঁক জ্ঞান

বাহ্যৰ বিভাগে বিভাগে আজীৱন দৌৰাই লৈ ফুৰায়। এই মন্ত্ৰত দীক্ষিত হৈয়েই নিউটনৰ দৰে মনীষীয়েও জ্ঞান-সমুদ্ৰ-তীৰৰ উপল সন্ধানী এটা শিশুৰ লগত নিজকে তুলনা কৰে; মহাকবি গ্যেটেই মৃত্যুৰ আগমুহূৰ্তত 'আলোক, অধিক আলোক' বুলি চিঞৰি উঠে এই মন্ত্ৰত উদ্দীপ্ত হৈয়েই।

পৰিতাপৰ কথা, আজিৰ তীব্ৰ বিশেষীকৰণৰ যুগত ভূমাস্পৃহাই উত্থাউল কৰা মানুহৰ সংখ্যা যেন দ্ৰুতভাৱে হ্ৰাস পাবলৈ আৰম্ভ কৰিছে। জীৱনক সামগ্ৰিক দৃষ্টিৰে চাবলৈ আজিৰ বিশেষজ্ঞ ইচ্ছুক নহয়; বৰং চকুত চামৰা লগোৱা ঘোঁৰাৰ দৰে জ্ঞানৰ আণুৱীক্ষণিক অংশ এটাতে নিবিষ্ট হৈ জীৱন কটোৱাতহে তেওঁ যেন অধিক আগ্ৰহী। আৰ্থিক জীৱনতেই নহয়, বৌদ্ধিক জীৱনতো দিনে দিনে ভয় লগাকৈ বাঢ়ি আহিবলৈ ধৰা শ্ৰমৰ বিশেষীকৰণে সৃষ্টি কৰিছে ভূমাস্পৃহাৰ বিলুপ্তিৰ সমস্যা। সাহিত্য আৰু বিজ্ঞানৰ অথবা বিজ্ঞান আৰু দৰ্শনৰ সম্পৰ্কৰ কথা বাদেই দিলোঁ, আনকি বিজ্ঞানৰ বা দৰ্শনৰ ভিন ভিন শাখাত নিবিষ্ট লোকসকলৰ মাজৰ যোগসূত্ৰডালো যেন আজিকালি অতিশয় ক্ষীণ। এটা সময় আছিল, যেতিয়া জ্ঞান-বিজ্ঞানৰ বিভিন্ন শাখা একেজন মানুহেই আয়ত্ত কৰাৰ সামৰ্থ্য আছিল। প্লেত', 'আৰিস্ত'ত্‌ল আদি গ্ৰীক মহাভাগসকল, লিঅ'নাৰ্দ', দান্তে, ক'পাৰ্নিকাচ আদি নৱন্যাস যুগৰ আচাৰ্যসকল, গ্যেটে, হেগেল, মাৰ্ক্স, আদি পৰৱৰ্তী যুগৰ য়ুৰোপীয় পণ্ডিতসকল ইয়াৰ নিদৰ্শন। পূৰ্ণ মানৱত বিশ্বাসী মাৰ্ক্সে এনে এখন সমাজ কল্পনা কৰিছিল, য'ত একেজন মানুহে পুৱা ছবি আঁকিব, দিনত খেতি কৰিব, আবেলি মাছ মাৰিব আৰু নিশা প্লেত' পঢ়িব। কিন্তু আজিৰ পদাৰ্থবিজ্ঞানৰ এজন গৱেষকে কলা-সাহিত্যৰ খবৰ ৰখা দূৰৈৰ কথা, আনকি ৰসায়নবিজ্ঞান বা ভূ-বিজ্ঞান বা তদ্ৰূপ শাখাৰ লগতো তেওঁৰ সম্পৰ্ক প্ৰায় অসেতুবন্ধ্য। আনকি পদাৰ্থ বিজ্ঞানৰে এটা শাখাৰ এজন গৱেষকৰ লগত আন এটা শাখাৰ এজন গৱেষকৰ বৌদ্ধিক অসম্বন্ধতাৰ খবৰে আমাৰ মনত আশ্চৰ্যৰ উদ্ৰেক নকৰে। জ্ঞানৰ মানৱিক শাখাসমূহৰ মাজতো

বিশেষীকৰণৰ এই প্ৰভাৱ নপৰাকৈ থকা নাই। আজিৰ দাৰ্শনিকে সাহিত্যক, বা সাহিত্যিকে ইতিহাসক এক অজান দেশৰ বস্তু হিচাপে জ্ঞান কৰাতহে যেন অধিক ইচ্ছাশীল।

বিশেষীকৰণৰ এই চৰম ৰূপটোক নিশ্চয় শুভ লক্ষণ বুলিব নোৱাৰি। বিশেষীকৰণ নিঃসন্দেহে বাঞ্ছনীয়; কাৰণ ই মানুহৰ বৌদ্ধিক প্ৰগতিৰ মুখ্য বাহক। আনহাতে, বিশেষীকৃত জ্ঞানৰ শাখাবিলাকৰ মাজৰ ঐক্য বিশেষীকৰণৰ সমানেই প্ৰয়োজনীয়। মানৱীয় জীৱন আৰু মানৱীয় চিন্তাৰ অন্যান্য ধাৰাসমূহৰ লগত সমস্ত সম্পৰ্ক ছেদ কৰি বিশেষীকৃত জ্ঞানক এক অনৱলম্ব উচ্চতালৈ তুলি নিলে বিশেষীকৰণৰ স্বয়ং মিনাৰটোৰ ভেঁটি ভয় লগাকৈ থুনুকা হৈ পৰে। অ্যাল্‌ডুচ হাক্সলিয়ে তেওঁৰ 'এ'গুচ্ এণ্ড মিন্‌চ' গ্ৰন্থত জীৱনৰ লগত সম্পৰ্ক নথকা জ্ঞানৰ নাম থৈছে 'বিশেষীকৃত অৰ্থশূন্যতা (specialised meaninglessness)। "বিজ্ঞান আৰু কলাই," তেখেতে লেখিছে, "অনেক সময়ত উত্তেজক দ্ৰব্যৰ কাম কৰে। মদ আৰু মৰ্ফিয়াতকৈ ইবিলাকৰ সুবিধা ইয়াতেই যে, সু-চেতনাৰে ইবিলাকৰ প্ৰতি আসক্ত হ'ব পাৰি আৰু আসক্তি প্ৰক্ৰিয়াত এক 'উচ্চতৰ জীৱন' যাপন কৰিছোঁ বুলি নিজকে প্ৰত্যয় জন্মাবও পাৰি। এক নিৰ্দিষ্ট দূৰলৈকে এই কথা সত্য। বিজ্ঞানী বা কলাকাৰৰ জীৱন এক উচ্চতৰ জীৱন। দুৰ্ভাগ্যবশতঃ দায়িত্বহীন আৰু একপক্ষীয়ভাৱে যাপন কৰিলে ব্যক্তিগতভাৱে সাধাৰণ ইন্দ্ৰিয়বিলাসী মানুহৰ জীৱনতকৈ এনে জীৱন বোধকৰোঁ অধিক ক্ষতিকাৰকহে। বিজ্ঞানীৰ ক্ষেত্ৰত সমাজৰ কাৰণেও এই কথা নিঃসন্দেহে সত্য।"

স্পেইনদেশীয় দাৰ্শনিক অৰ্টেগা ই. গাছেটেও তেওঁৰ 'জনতাৰ বিদ্ৰোহ' শীৰ্ষক গ্ৰন্থখনত বিশেষীকৰণে :মানুহৰ বৌদ্ধিক জীৱন পংগু কৰি পেলাইছে বুলি অভিযোগ আনিছে। জীৱন আৰু জগতৰ লগত কোনো ধৰণৰ সম্পৰ্ক ৰাখিব নোখোজা আধুনিক যুগৰ বিশেষজ্ঞসকলৰ তেওঁ আখ্যা দিছে—'বিজ্ঞ অজ্ঞ' (learned ignoramous)। তেওঁৰ মতে এইসকল লোক প্ৰকৃতাৰ্থত অ-বিজ্ঞ, কাৰণ তেওঁলোকে চৰ্চা কৰা

জ্ঞানৰ বাহিৰৰ আন সকলো বিষয়তে তেওঁলোক অনাসক্ত ; আনহাতে, তেওঁলোকক অজ্ঞ বুলিবও নোৱাৰি, কাৰণ জ্ঞানৰ সমগ্ৰতাৰ অভাৱ থাকিলেও আপোন গণ্ডীটোৰ ভিতৰত তেওঁলোকৰ জ্ঞান সম্যক। বৰ্তমান যুগত এই 'বিজ্ঞ-অজ্ঞ'-সকলৰ ক্ৰমবৃদ্ধি মানৱ-সংস্কৃতিৰ এক উদ্বেগৰ বিষয় হৈ পৰিছে বুলি গাছেটে অভিযোগ তুলিছে। প্ৰকৃততে, জীৱন আৰু জগতৰ অখণ্ডময়তাৰ লগত এক লয়পূৰ্ণ সংযোগ নাথাকিলে কেৱল বিশেষীকৃত জ্ঞানৰ ওপৰত থকা দখলকেই সংস্কৃতিবান লোকৰ একমাত্ৰ পৰিচয় বুলিব নোৱাৰি। জীৱন আৰু জগতৰ বিভিন্ন দিশবোৰৰ এক সুষম সমন্বয়েহে সংস্কৃতিৰ জন্ম দিয়ে। এই দৃষ্টিকোণৰপৰা বিশেষীকৰণৰ তীব্ৰতাই সমাজত সংস্কৃতিবান লোকৰ সংখ্যা দিনে দিনে হ্ৰাস কৰি আনিছে বুলি গাছেটে তোলা অভিযোগটো অতিৰঞ্জন নহয়।

আনহাতে, বিশেষীকৰণত ব্যস্ত আধুনিক যুগৰ প্ৰতিজন মানুহেই আপোন মনেৰে নিজ নিজ কক্ষত ভ্ৰমণ কৰি থকাৰ ফলত মানুহৰপৰা মানুহৰ দূৰত্বও যেন দিনে দিনে বাঢ়ি আহিবলৈ আৰম্ভ কৰিছে,—মানুহ যেন ক্ৰমাৎ হৈ পৰিছে নিঃসংগ বিভক্ত। অথচ, এই কথা কাৰো অজানা নহয় যে এজনৰ মনৰপৰা আন এজনৰ মনলৈ সঞ্চৰণ-অসমৰ্থ জ্ঞান পাণ্ডিত্যৰ প্ৰকাশ মাত্ৰ ; তেনে জ্ঞান ৰহস্যবাদ অভিমুখী ; মানৱজাতিক শিক্ষিত কৰিবলৈ তেনে জ্ঞান অপাৰগ। তদুপৰি, অত্যাধিক বিশেষীকৰণৰ ফলত জ্ঞানে যদি বিতৰণৰ ক্ষমতা হেৰুৱাই পেলায়, তেন্তে ই এচাম মুষ্টিমেয়ৰ একচেটীয়া সম্পত্তি হ'বলৈ বাধ্য ; আৰু তেতিয়া হ'লে ইয়াৰ অপৰিহাৰ্য পৰিণতি হ'ব এক নতুন 'বিশ্বাসৰ যুগ' ; তেতিয়া জনসমাজৰপৰা আঁতৰি জ্ঞানৰ গজদন্ত প্ৰাসাদত বাস কৰা মুষ্টিমেয় এদল বিশেষজ্ঞই হ'ব আমাৰ হৰ্তা-কৰ্তা-বিধাতা ; 'জ্ঞানৰ সমাজবাদ'ৰ ঠাইত প্ৰতিষ্ঠা হ'ব 'জ্ঞানৰ একনায়কত্ববাদ'। বিশেষীকৰণৰ কুহৰত বন্দী জীৱন-বিচ্ছিন্ন জ্ঞানে বিকাশৰ উদ্যম হেৰুৱাই পেলায়, যাৰ ফলত বৌদ্ধিক স্থবিৰতা হৈ পৰে অৱশ্যম্ভাৱী।

কিন্তু আধুনিক বিশেষজ্ঞসকলে জীৱনৰ লগত সম্পৰ্ক খুব কমেই

ৰাখে। জীৱনৰ লগত ভেটাভেটি হ'বলৈ এইসকল ভীৰু-হৃদয়ে সংকোচ কৰে। গতিকে, পলুৱে লেটা সাজি তাৰ ভিতৰত প্ৰাণ বচোৱাৰ দৰে এইসকল লোকেও 'গৱেষণা' নামৰ এটা 'বিশুদ্ধ' জ্ঞানৰ দুৰ্গ তেওঁলোকৰ চৌপাশে সাজি লয় আৰু তাৰ ভিতৰত নিৰাপদে বাস কৰে; জীৱনৰ ৰূঢ় বাস্তৱৰ সন্মুখীন হোৱাৰ ভয়ত তেওঁলোকে দৃষ্টি নিবদ্ধ ৰাখে মাটিৰ পৃথিৱীৰ চেকা নথকা কিছুমান 'শাশ্বত সত্য'ৰ ওপৰত—এনেভাৱে যাতে দৈনন্দিন জীৱনৰ ব্যৱহাৰিক সমস্যাবোৰে তেওঁলোকক আৰু চুকি নাপায়গৈ। সত্যানুসন্ধানৰ লগত প্ৰাত্যহিক, ব্যৱহাৰিক জীৱনৰ সম্পৰ্ক হয়তো কিছু বিৰূপাত্মক; কিন্তু সেইবুলিয়েই সত্যৰ বিনিময়ত জীৱনক ত্যাগ কৰাটো (ব্যক্তিগত নহয়, সামাজিক) পণ্ডিতমন্যতাৰহে লক্ষণ। যি সত্যই জীৱনক বৰ্জন কৰে, সেই সত্য সত্য হ'ব নোৱাৰে; কাৰণ সত্যৰো প্ৰয়োজন জীৱনৰ কাৰণেই। সমাজত বাস কৰা এটা প্ৰাণী হিচাপে সামাজিক জীৱনৰ জ্বলন্ত সমস্যাৱলীৰ প্ৰতি চকু-কাণ মুদি আকাশলৈ চাই থাকিব পৰাটো এক তটস্থ, ঋষিতুল্য মানুহৰ বৈশিষ্ট্য হ'ব পাৰে; কিন্তু ই সামাজিক মানুহৰ লক্ষণ নহয়।

সামাজিক জীৱনৰ লগত সম্পৰ্ক নথকা বিশেষজ্ঞ হ'ল একোটা যন্ত্ৰৰ দৰে। মগজু ক্ষুৰধাৰ হ'লেও তেওঁলোকৰ ব্যক্তিত্ব একপাৰ্শ্বিক; জীৱনটোক সামগ্ৰিক ৰূপত নিৰীক্ষণ কৰিবলৈ তেওঁলোক অসমৰ্থ। 'কেৱল কৰ্তব্যৰ খাটিৰত কৰ্তব্য'—এই প্ৰবচন সাৰোগত কৰি, পৰিণতিৰ গুণাগুণৰ অকণো বিচাৰ নকৰাকৈ তেওঁলোকে কাম কৰি যায় একপক্ষীয়-ভাৱে। ফলত, তেওঁলোক অতি সহজেই এচাম স্বাৰ্থান্বেষী বুধিয়ক মানুহৰ আজ্ঞাবহ ভৃত্য হৈ পৰেগৈ। আইনষ্টাইনে তেওঁৰ এখন ৰচনাত এনে-জাতীয় লোকসকলক 'সু-প্ৰশিক্ষণপ্ৰাপ্ত কুকুৰ' বুলি মন্তব্য কৰিছে: "মানুহক বিশেষীকৃত জ্ঞানৰ শিক্ষা দিয়াটোৱেই যথেষ্ট নহয়। ইয়াৰ যোগেদি মানুহ এটা ভাল উপকাৰী যন্ত্ৰ হ'ব পাৰে। কিন্তু সুসংহতভাৱে বিকশিত ব্যক্তিত্ব ইয়াৰ যোগেদি গঢ়ি নুঠে।...সৌন্দৰ্যৰ প্ৰতি, নৈতিক-ভাৱে মংগলৰ প্ৰতি তেওঁৰ এক স্পষ্ট বোধ থকা দৰকাৰ। সেয়ে নহ'লে

তেওঁৰ সমস্ত বিশেষীকৃত জ্ঞানেৰে সৈতে তেওঁ এটা সুপ্ৰশিক্ষণপ্ৰাপ্ত সাৰমেয়হে হৈ থাকিব, এজন সুসংহতভাৱে বিকশিত ব্যক্তি নহয়।”

বিশেষজ্ঞসকলে ভবাৰ দৰে মানুহৰ মগজুটো কিছুমান পানী নসৰকা কোঠাৰ সমষ্টি নহয়। কবিৰ মগজুত কেৱল কবিতাৰ বাবেহে বা গণিতজ্ঞৰ মগজুত কেৱল গণিতৰ বাবেহে স্থান থাকে—ই এটা ভুল, অমানৱিক ধাৰণা। ই সত্য হোৱা হ'লে ইলেকট্ৰ'নিক মগজু এটাৰ লগত মানুহৰ মগজুৰ কোনো পাৰ্থক্যই নাথাকিলহেঁতেন। গ্যেটেই তাহানিতে কৈছিল যে যি মানুহে কেৱল এটা ভাষাহে জানে, তেওঁ আচলতে এটাও ভাষা নাজানে। সাহিত্য আৰু বিজ্ঞানৰ বিষয়েও একে কথাকে ক'ব পাৰি। যি কবিয়ে কেৱল কবিতাহে জানে বা যি বিজ্ঞানীয়ে কেৱল বিজ্ঞানহে জানে, বহুল অৰ্থত তেওঁ একো নাজানে। সাহিত্য, বিজ্ঞান আৰু দৰ্শনৰ কেৱল বিভিন্ন শাখাসমূহৰ মাজতেই নহয়, আনকি সাহিত্য, বিজ্ঞান আৰু দৰ্শনৰ মাজতো এক ফলপ্ৰসূ সম্পৰ্ক থাকিব লাগিব; তেহে সিবোৰৰ বিকাশ সম্ভৱ। বাহিৰৰ বা-বতাহৰ স্পৰ্শ নাপালে তৰুলতা লেৰেলি যোৱাৰ দৰে সংস্পৰ্শবিহীন জ্ঞানো লেৰেলি যায়। সাহিত্যৰ ক্ষেত্ৰত এই কথা বোধকৰো বিশেষভাৱে প্ৰযোজ্য, কাৰণ মেথিউ আৰ্নল্ডে কোৱাৰ দৰে সাহিত্য যদি সচাঁকৈয়ে 'জীৱনৰ সমালোচনা' হয়, তেনেহ'লে জীৱনৰ প্ৰতিটো দিশকে সাঙুৰি ল'ব পৰা ক্ষমতা ইয়াৰ থাকিব লাগিব। যি সাহিত্যত মননশীলতাৰ অভাৱ, বিজ্ঞান, দৰ্শন, ইতিহাস আদিৰ প্ৰতি যি সাহিত্য শুচিবায়ুগ্ৰস্ত,—চমুকৈ, যি সাহিত্য কেৱল 'সাহিত্যৰ' বাবেই, —মৃত্যু তেনে সাহিত্যৰ নিচেই কাষৰত। 'বিশুদ্ধতা' মহৎ সাহিত্যৰ লক্ষণ নহয়। জীৱনৰ সকলো দিশৰেপৰা উপাদান সংগ্ৰহ কৰি প্ৰকৃত সাহিত্যিকে তেওঁৰ মননত সিবিলাক জাৰিত কৰে আৰু উপযুক্ত ভাব-সমতাৰে কাব্য, নাটক আৰু উপন্যাসত সিবিলাক বিম্বিত কৰে। গ্যেটেই 'ফাউষ্ট'ৰ দৰে মহাকাব্যই লেখা নাছিল; তেওঁ আছিল 'তৰুৰ ৰূপান্তৰ' আৰু 'বৰ্ণতত্ত্ব'-ৰ দৰে বৈজ্ঞানিক গ্ৰন্থৰো লেখক। একেদৰে দান্তে, মিল্টন,

শঙ্কৰদেৱ, ৰবীন্দ্ৰনাথ, আদি মহাকবিসকলৰ মনোজগতো আছিল জ্ঞান-বিজ্ঞানৰ বিভিন্ন শাখাৰে পুষ্ট।

সাহিত্যক এৰি অন্যান্য বিষয়সমূহলৈ লক্ষ্য কৰিলেও একে ঘটনাই চকুত পৰে। লিঅ'নার্দ অকল 'শেষ ভোজন' আৰু 'মনালিচা'ৰ শিল্পীয়েই নহয়, তেওঁ আকাশীযানৰ প্ৰথম তত্ত্বৰ উদ্ধাৰক, এজন ইঞ্জিনীয়াৰ আৰু পদার্থবিদ। ফৰাচী দেশৰ গৌৰৱ পাস্কেল এজন গণিতজ্ঞই নাছিল, তেওঁ 'দর্শনবিষয়ক চিঠি' আৰু 'চিন্তা' (Pensees)-ৰ দৰে গ্ৰন্থৰো ৰচয়িতা। ক'পার্নিকাচে কেৱল জ্যোতির্বিজ্ঞানতে নিজক আবদ্ধ কৰি ৰখা নাছিল ; গণিত, চিকিৎসা, দর্শন, ৰাজনীতি আদি বিষয়ৰ ওপৰতো তেওঁৰ দখল আছিল ঈর্ষণীয়। মার্ক্স এজন বিপ্লৱীয়েই নাছিল, তেওঁ আছিল একেধাৰে এজন দার্শনিক, সমাজবিজ্ঞানী আৰু অর্থনীতিবিদ আৰু তেওঁৰ হবি আছিল গণিত চর্চা। আইনষ্টাইনেও কেৱল পদার্থবিজ্ঞানতে নিজকে অহর্নিশ নিবিষ্ট কৰি ৰখা নাছিল, তেওঁ আছিল এগৰাকী সংগীতজ্ঞ আৰু মানৱতাবাদী দার্শনিকো।

ইতিহাসৰ পাত খুচৰিলে এনে আৰু অসংখ্য উদাহৰণ ওলাব।

বস্তুতঃ, জ্ঞানৰ উর্ধ্বতম মহলাত কটকটীয়া শ্ৰেণী বিভাগ নাথাকে। ধর্মৰ তুৰীয় স্তৰত যেনেকৈ জাতিভেদৰ প্ৰশ্ন নুঠে, তেনেকৈ জ্ঞানৰ তুৰীয় স্তৰতো ইয়াৰ শাখা-প্ৰশাখাবিলাকৰ মাজৰ প্ৰভেদ নগণ্যপ্ৰায়। সাহিত্য, কলা, বিজ্ঞান, দর্শন—এই সকলোবিলাক আচলতে একেবিধ মানৱীয় চিন্তাৰ বিভিন্ন স্ফুৰ্তি মাথোন, মানৱীয় চিন্তাৰ গতি অব্যাহত ৰাখিব খুজিলে সিবিলাকৰ পাৰস্পর্যৰ ওপৰত জোৰ দিয়া প্ৰয়োজন। চিন্তা-জগতত বিশ্লেষণৰ যে এক স্বকীয়া স্থান আছে, ই অনস্বীকার্য; কিন্তু সংশ্লেষণৰ গুৰুত্বও উপেক্ষণীয় নহয়, কিয়নো জ্ঞানৰ বিশেষীকৃত ক্ষুদ্ৰাংশ-সমূহক সামগ্ৰিকভাৱে চাবলৈ শিকায় সংশ্লেষণেহে। সংশ্লেষণ আৰু বিশ্লেষণ দুয়োটাৰে মাজত এক হিতৈষী, মিত্ৰতাপূর্ণ সম্পর্ক থাকিব লাগিব। সেয়ে নহ'লে চিন্তাৰ বিকাশ ৰুদ্ধ হৈ পৰাৰ সম্ভাৱনা থাকে।

এক লয়পূর্ণ সংস্কৃত ব্যক্তিত্ব গঢ়ি তুলিবৰ বাবে সাহিত্য, বিজ্ঞান,

দর্শন—এই সকলোবোৰবে প্ৰয়োজন সমান। কলা-সাহিত্যক আলাগতিয়াল বুলি ভবা বিজ্ঞানীয়ে আনুভূতিক জীৱনৰ সূক্ষ্ম সমস্যাবোৰ গভীৰভাৱে অনুভৱ কৰিবলৈ টান পায়। মানুহৰ আনুভূতিক জীৱন যে কিমান জটিল আৰু বৰ্ণাঢ্য, এই কথা তেওঁলোকৰ বোধগম্য নহয়গৈ। আনহাতে, বিজ্ঞানৰ লগত অপৰিচিত ব্যক্তিয়ে আকৌ পদ্ধতিমূলকভাৱে চিন্তা কৰাৰ কৌশলটোকে আয়ত্ত কৰিব নোৱাৰে; ফলত, এনে ব্যক্তিৰ চিন্তাত সংহতিৰ অভাৱ পৰিলক্ষিত হয়। এক সুকুমাৰ মনবিহীন বিজ্ঞানীয়ে আনুভূতিক জীৱনৰ জটিলতা যিদৰে বুজি নাপায়, ঠিক তেনেদৰে বৈজ্ঞানিক দৃষ্টিভঙ্গীবিহীন কলাকাৰেও বুজিব নোৱাৰে প্ৰাকৃতিক আৰু সামাজিক জীৱনৰ জটিলতা। বহলভাৱে ক'ব খুজিলে, বৈজ্ঞানিক দৃষ্টিভঙ্গীবিহীন ব্যক্তিয়ে আনকি উচ্চমান-বিশিষ্ট কলাও সৃষ্টি কৰিব নোৱাৰে, কাৰণ প্ৰতিটো মহৎ কলাৰ অন্তৰালত থাকে এক সুচিন্তিত গঠনমূলক পৰিকল্পনা।

সৃষ্টিশীল কামবিলাকৰ আচলতে কোনো জাত নাই। আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ যি উৎস, বীথ'ফেনৰ চিম্ফনী, গ্যেটেৰ কবিতা, গঁগাৰ ছবি বা মাৰ্ক্স'ৰ দৰ্শনৰো উৎস একেটাই; মাথোন সিবিলাকৰ প্ৰকাশ সুকীয়া।

খণ্ডদৃষ্টিৰে চালে হিমালয় পৰ্বতৰ প্ৰতিটো শৃঙ্গকে একোটা সুকীয়া পাহাৰ বুলি আমাৰ অনুমান হয়, আৰু সাধাৰণ মানুহে এইবিলাক সঁচাকৈয়ে কিছুমান সুকীয়া পাহাৰ বুলিয়েই ভাবে। কিন্তু যিসকলে হিমালয় পৰ্বতক সামগ্ৰিক দৃষ্টিৰে 'ওপৰ'ৰপৰা চাবলৈ শিকিছে, তেওঁলোকে এই ভুল নকৰে। দেখাত বেলেগ বেলেগ যেন লাগিলেও সিবিলাকৰ প্ৰতিটোৱেই যে একেটা হিমালয় পৰ্বতৰ বিভিন্ন অংশ মাত্ৰ—এই কথা তেওঁলোকে বুজি পায়। বৌদ্ধিক জগত সম্পৰ্কেও একে কথাকে ক'ব পাৰি। আপাতদৃষ্টিত সাহিত্য, বিজ্ঞান, দৰ্শন—এই সকলোবিলাকে জ্ঞানৰ কিছুমান সুকীয়া স্তূপ বুলি আমাৰ ভাব হয়, কিন্তু সামগ্ৰিক দৃষ্টিৰে চাব জানিলে আমাৰ সমুখত সিবিলাক ধৰা দিয়ে এটা

আনটোৰ ব্যাৱৰ্তক হিচাপে নহয়, বৰং এটা আনটোৰ পৰিপূৰক হিচাপেহে। হিন্দু দাৰ্শনিকৰ 'ভূমা' বা জাৰ্মান দাৰ্শনিকসকলে সততে ব্যৱহাৰ কৰা weltanschauung-ৰ অৰ্থ এইটোৱেই, আৰু জীৱন আৰু জগতক এনেৰূপত চাব জনাতেই মানৱীয় চিন্তাৰ মূল্যও লুকাই থাকে।

(১৯৭৩)

॥ ৰাছেল-প্ৰশস্তি ॥

বাৰ্ট্ৰাণ্ড ৰাছেল আধুনিক যুগৰ এটা অক্ষয় নাম। উনৈশ শ সত্তৰ চনৰ ফেব্ৰুৱাৰী মাহত সুদীৰ্ঘ সাতান্নৈৰে বছৰ বয়সত পৃথিৱীৰ লগত এই মহান পুৰুষজনাৰ দৈহিক সম্পৰ্ক চিৰকালৰ বাবে বিচ্ছিন্ন হৈ যায়; কিন্তু এজন যুক্তিবাদী দাৰ্শনিক হিচাপে, স্বাধীন চিন্তাৰ এজন মুক্ত সমৰ্থক হিচাপে, এজন লেখক হিচাপে বহুযুগৰ পিছৰ লোকসকলেও যে তেওঁৰ লগত এক নিবিড় আত্মিক সম্পৰ্ক অনুভৱ কৰিব, এই বিষয়ে সন্দেহৰ অৱকাশ নাই। দৈহিক অৰ্থত মৃত্যু হ'লেও দেহাতীত অৰ্থত এনে লোক মৃত্যুহীন।

মেফিষ্ট'ফিলিচক লগ পোৱাৰ আগৰ আৰু পিছৰ ফাউষ্টৰ জীৱনৰ দৰে ৰাছেলৰ জীৱনো আছিল দুটা বিশিষ্ট অংশত বিভক্ত। আগবয়সৰ ফাউষ্টৰ দৰে আগবয়সৰ ৰাছেলেও বিচাৰিছিল অসীম ৰহস্যৰ দুৱাৰ ভেদি জ্ঞানৰ ভঁৰালত ভুমুকি মাৰিবলৈ, আৰু তাৰপৰা যিমান পাৰি মণি-মুকুতা সংগ্ৰহ কৰি মানৱ সমাজৰ আগত সিবিলাক দাঙি ধৰিবলৈ। গণিতৰ অদ্ভুত প্ৰতীক আৰু চিহ্নবিলাকৰ মাজত তেওঁ সত্যৰ এক চকামকা ৰূপ দেখা পাইছিল; তাহানি কালৰ গ্ৰীক পণ্ডিত পাইথা-গ'ৰাচৰ দৰে গণিতৰ ৰাশিবিলাকৰ মাজত তেওঁ অনুভৱ কৰিছিল এক দৈৱিক সত্তাৰ ছাঁ। গণিতত তেওঁ পাইছিল এক ঋজুকঠিন, শীতল সৌন্দৰ্য, আৰু তেওঁ কৈছিল যে এনে সৌন্দৰ্য দিব পাৰে মাথোন উৎকৃষ্টতম কলাইহে। সৰুকালত গণিতৰ শিক্ষা লাভ কৰা সময়ত ৰাছেলক কোৱা হৈছিল যে জ্যামিতিৰ স্বতঃসিদ্ধবিলাকৰ যৌক্তিক প্ৰমাণ নাই, সিবোৰ সত্য বুলি বিনাপ্ৰমাণে আমি স্বীকাৰ কৰি ল'ব লাগিব। ৰাছেলৰ যুক্তিবাদী মনটোৱে এই কথা মানি ল'ব খুজিলে; তেওঁৰ অনুভৱ হ'ল, বিজ্ঞানৰ ৰাণীগৰাকীয়ে যেন, এতিয়াও পূৰ্ণতা পোৱা নাই, গণিতৰ মূল ভেঁটিটোৰেই যেন ক'ৰবাত খুঁত ৰৈ গৈছে। এই অনুভৱে তেওঁৰ অস্বস্তি

ইমানেই বুদ্ধি কৰিলে যে কেম্‌ব্ৰিজৰপৰা গণিতত ট্ৰাইপ'চ লাভ কৰাৰ পিছত গণিতৰ সমস্ত কিতাপ তেওঁ বেচি পেলালে আৰু গণিতৰ "মূল ভেঁটিটো পৰীক্ষা কৰাত লাগি গ'ল। ফলস্বৰূপে প্ৰকাশ পালে, 'ফাউণ্ডেশ্যনচ্ অৱ জিঅ'মেট্ৰি' আৰু 'ফিলচফি অৱ লাইবনিংচ' নামে দুখন গ্ৰন্থ। ১৯০৩ চনত তেওঁ লেখি উলিয়ালে এখন নতুন ধৰণৰ গাণিতিক ন্যায়ৰ কিতাপ—'প্ৰিন্সিপোলচ্ অৱ মেথেমেটিক্স,' য'ত গণিত আৰু ন্যায়শাস্ত্ৰৰ মাজত কেতবোৰ নতুন সম্পৰ্ক তেওঁ প্ৰতিষ্ঠা কৰিলে। কিন্তু কিতাপখন লেখি উঠাৰ পিছতো ৰাছেলৰ চিৰ সন্ধিৎসু মন তুষ্ট নহ'ল। গণিতজ্ঞ হোৱাইটহেডৰ সহায় লৈ ১৯০৩-১৩—এই সময়ছোৱাৰ ভিতৰত তেওঁ ৰচনা কৰিলে তিনিটা খণ্ডৰ এক বিৰাট গ্ৰন্থ—'প্ৰিঙ্কিপিয়া মেথেমেটিকা'—য'ত একৰ সংজ্ঞা দিবলৈকে খৰচ হৈছিল আঢ়ৈশৰো অধিক পৃষ্ঠা। আৰু যাৰ পাণ্ডুলিপিৰ স্তূপটো কেম্‌ব্ৰিজ য়ুনিভাৰ্চিটি প্ৰেছ'লৈ প্ৰকাশৰ বাবে লৈ যাবলৈ দৰকাৰ হৈছিল এখন চাৰিচকীয়া গাড়ীৰ! মাৰ্ক টোৱেনে এবাৰ কৈছিল, "মহৎ গ্ৰন্থ সেইবিলাকেই, যিবিলাক পঢ়া উচিত বুলি সকলোৱে ভাবে, কিন্তু দৰাচলতে কোনেও নপঢ়ে।" মহৎ গ্ৰন্থৰ এই সংজ্ঞাৰ জ্বলন্ত নিদৰ্শন হ'ল 'প্ৰিঙ্কিপিয়া মেথেমেটিকা'। প্ৰায় সৰ্বজনশ্ৰুত হ'লেও এই গ্ৰন্থৰ পঢ়ুৱৈৰ সংখ্যা আঙুলিমূৰত গণিব পৰা। (ৰাছেলৰ জীৱনী-ৰচোঁতা আলান উডে নবেল বঁটাবিজয়ী পদাৰ্থবিদ আৰউইন শ্ৰোৱেডিংগাৰক কিতাপখন পঢ়িছেনে নাই সোধাত শ্ৰোৱেডিংগাৰে হেনো উত্তৰ দিছিল, "কিতাপখন মই পঢ়া নাই ; হোৱাইটহেড আৰু ৰাছেলেও সেইখন দুনাই পঢ়িছেনে নাই, মোৰ সন্দেহ!") আচৰিত যেন লাগিলেও সঁচা, এনে এক দীঘলীয়া আৰু কষ্টকৰ গবেষণাত তেওঁলোকে চৰকাৰ বা বিশ্ববিদ্যালয়ৰপৰা কোনো অনুদান আদি পোৱা নাছিল ; বৰং কিতাপখন প্ৰকাশ কৰিবৰ সময়ত তেওঁলোক দুয়ো নিজৰ জেপৰপৰা গাইপতি পঞ্চাশ পাউণ্ডকৈ ভৰিবলগীয়াহে হৈছিল! (ৰাছেলৰ কৌতুকপূৰ্ণ ভাষাত, 'We thus earned minus £ 50 each by ten years' work !)।

এইদৰে প্ৰথম মহাযুদ্ধৰ আগলৈকে ৰাছেল আছিল জ্ঞানৰ গুকান মৰুত পৰশপাথৰ বিচাৰি ফুৰা এক নিঃসংগ অভিযানকাৰী। উইল ডুৰাণ্টৰ ভাষাত, তেওঁ আছিল 'কাচিৎ কেতিয়াবা সজীৱ হৈ উঠা এটা এবষ্ট্ৰেক্সন, দুঠেঙীয়া এটা ফৰ্মুলা।' কিন্তু প্ৰথম মহাযুদ্ধৰ লগে লগে সেই দুঠেঙীয়া ফৰ্মুলাটো যেন কোনোবা যাদুকাঠিৰ পৰশতহে এক তেজ-মঙহৰ, শৰীৰলৈ ৰূপান্তৰিত হ'ল। তেওঁ দেখিলে, পৃথিৱীত অকল বিমূৰ্ত গণিত আৰু নিষ্প্ৰাণ ন্যায়শাস্ত্ৰই নাই; তেওঁৰ চৌকাষে বাস কৰিছে কিছুমান জীৱন্ত মানুহে আৰু সিহঁতে বলিয়াৰ দৰে নিজৰ ভিতৰতে কটাকটি কৰি মৰিব খুজিছে। এই কটাকটি বন্ধ কৰা উচিত বুলি শিশুসুলভ সৰলভাৱে তেওঁ চিঞৰিবলৈ ধৰিলে; ফলত, কেইমাহমান তেওঁ জেলত থাকিবলগীয়া হ'ল। জেলৰ ভিতৰত তেওঁ লেখি উলিয়ালে 'এন ইন্ট্ৰ'ডাক্সন টু দি মেথেমেটিকেল ফিল'চফি' নামে গাণিতিক দৰ্শনৰ জনপ্ৰিয় ধৰণৰ আন এখন গ্ৰন্থ।

এইদৰে, পদ্ধতিমূলক জ্ঞানৰ একান্ত সাধক, গণিতীয় ন্যায়শাস্ত্ৰবেত্তা ৰাছেল প্ৰথম মহাযুদ্ধৰ লগে লগে হেৰাই গ'ল; তাৰ ঠাই ল'লেহি প্ৰাণ-প্ৰাচুৰ্যৰে ভৰা, মানৱীয় ভাৱ-অনুভূতি আৰু আশা-আকাঙ্ক্ষাৰে উদ্দীপ্ত এক নতুন ৰাছেলে। নীৰস ন্যায়শাস্ত্ৰৰ উপৰিও জ্ঞানৰ অন্যান্য শাখা-লৈকো তেওঁৰ চকু গ'ল আৰু প্ৰতিটোৰে বিষয়ে সাৱলীল ভাষাৰে তেওঁ এখনৰ পিছত এখনকৈ গ্ৰন্থ লেখি যাবলৈ ধৰিলে। তেওঁ লেখিলে, 'এনালাইচিচ অৱ মাইণ্ড', 'এনালাইচিচ অৱ মেটাৰ', 'আৱাৰ নলেজ অৱ দি এক্সটাৰ্নেল ৱৰ্ল্ড', 'এন ইনকুয়াৰি ইনটু মিনিঙ এণ্ড ট্ৰুথ,' 'মিষ্টি-চিজম এণ্ড লজিক', 'এ হিষ্ট্ৰী অৱ ৱেষ্টাৰ্ণ ফিল'চফি', 'হিউমেন নলেজ: ইট্‌চ স্ক'প এণ্ড লিমিট্‌চ' প্ৰভৃতি দৰ্শনৰ গ্ৰন্থ; 'দি এ. বি. চি. অৱ ৰিলেটিভিটি', 'দি এ. বি. চি. অৱ দি এটম', প্ৰভৃতি বিজ্ঞান বিষয়ৰ লোকগ্ৰন্থ: 'পাৱাৰ', 'ফ্ৰীডম এণ্ড অৰ্গেনাইজেশ্যন', 'অথৰিটি এণ্ড দি ইনদিভিজুৱেল', 'প্ৰিন্সিপোল্‌চ অৱ চশ্যেল ৰিকন্‌ষ্ট্ৰাক্সন', 'ৰ'ডচ্ টু ফ্ৰীডম' প্ৰভৃতি ৰাজনীতি, সমাজনীতি বিষয়ৰ গ্ৰন্থ; 'হোৱাই আই এম

নট এ খৃষ্টিয়ান,' 'মেৰেজ এণ্ড মৰেল্চ,' 'স্কেপ্টিকেল এচেজ,' 'আনপপুলাৰ এচেজ,' 'নিউ হ'প্‌চ ফৰ এ চেঞ্জিং ৱৰ্ল্ড', 'এডুকেশ্যন' এণ্ড চোচিয়েল অৰ্ডাৰ', 'অন এডুকেশ্যন' আদি ধৰ্ম, নীতিশাস্ত্ৰ, সমাজ আৰু শিক্ষাবিষয়ৰ অজস্ৰ গ্ৰন্থ। (আশী বছৰ বয়সত তেওঁ লেখিবলৈ লৈছিল 'চাটান ইন দি চাবাৰ্বচ' প্ৰভৃতি কিছুমান গল্পৰ কিতাপ।)

এই গ্ৰন্থবিলাকৰ জৰিয়তে ৰাছেলে মানৱীয় জ্ঞানৰ পৰিসীমাই অকল বৃদ্ধি নকৰিলে, ফৰাচী দেশৰ সাহিত্যিক-দাৰ্শনিক ভল্‌তেয়াৰৰ দৰে সমাজৰ প্ৰচলিত কু-ৰীতি আৰু কুসংস্কাৰবিলাকৰ বিৰুদ্ধে তেওঁ অকলশৰে এক জেহাদ ঘোষণা কৰিলে। এজন পাকৈত চিকিৎসকৰ দৰে সমাজে বহু শতিকা ধৰি মনে মনে লুকুৱাই ৰখা ঘা-বিলাক তেওঁ ধৰা পেলালে, আৰু ভুলকৈয়ে বা শুদ্ধকৈয়ে হওঁক, সমাজক তাক প্ৰতিকাৰৰ বিধান দিলে। ধৰ্মক তেওঁ এটা ড্ৰেগন বুলি ঘোষণা কৰিলে; তেওঁ ক'লে, মানৱ-সমাজৰ কাৰণে এটা সোণালী যুগে অপেক্ষা কৰি আছে; কিন্তু সেই যুগত উপনীত হ'বলৈ হ'লে পথৰুদ্ধ কৰি ৰখা এই ড্ৰেগনটোক প্ৰথমে হত্যা কৰি ল'ব লাগিব। তেওঁ প্ৰচাৰ কৰিলে,—ধৰ্মীয় আচাৰ-অনুষ্ঠানবোৰ বৌদ্ধিক প্ৰগতিৰ অন্তৰায়, গতিকে সিবোৰক সমাজৰপৰা আঁতৰ কৰা উচিত। ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে অধিবৈজ্ঞানিক চিন্তা-চৰ্চা কৰি থকাৰ কোনো দৰকাৰ নাই; জীৱনত যুক্তিহে আচল, ৰহস্যবাদ নহয়; পাৰলৌকিক জীৱনৰ চিন্তা দুৰ্বল আৰু ভীতু লোকৰ কাৰণেহে; আত্মাৰ অমৰত্ব এক অৰ্থহীন কল্পনা; মহাবিশ্বত কোনো সুসংবদ্ধ উদ্দেশ্য নাই, ই কেতবোৰ অণুৰ উল্লম্ফন মাত্ৰ; ইত্যাদি।

বেছ উদ্ভট আৰু আকৰ্ষণীয় হ'ল যৌনতা সম্পৰ্কে ৰাছেলৰ মতবাদ-বিলাক। তেওঁৰ মতে যৌনজীৱনৰ গোপনীয়তা নিষ্প্ৰয়োজন, ইয়াৰ ফলত ল'ৰা-ছোৱালীৰ মানসিক গঠন বিকৃত হোৱাৰ আশংকা; গতিকে, মাক-দেউতাক বা অভিভাৱকে ল'ৰা-ছোৱালীহঁতৰপৰা যৌন-সম্পৰ্কীয় কথা-বতৰা লুকুৱাই নাৰাখি সিহঁতক বিজ্ঞানসম্মতভাৱে এই শিক্ষা দিয়া উচিত। যৌনজীৱনৰ স্বাভাৱিকতা দেখুৱাবৰ বাবে মাক-দেউতাকে

সন্তানৰ আগত কেতিয়াবা নাঙঠ হৈ থকাও বেয়া নহয়। বৈবাহিক জীৱনটো সুখী কৰিব খুজিলে বিয়াৰ আগতে কিছুমান 'পৰীক্ষামূলক বিবাহ' (trial marrriage) হোৱা উচিত—য'ত থাকিব জন্ম-নিৰোধৰ ব্যৱস্থা থকা প্ৰাক-বৈবাহিক যৌন-অভিজ্ঞতা; এই পৰীক্ষামূলক বিয়াবিলাকত ডেকা-গাভৰুৰ মন মিলিলেহে প্ৰকৃত-বিবাহ সম্পাদন কৰা উচিত।

এনেবিলাক কথা তেওঁ অকল কৈয়েই ক্ষান্ত থকা নাছিল, তেওঁ এনে ধৰণে জীৱনযাপনো কৰিছিল। বিয়াৰ পূৰ্বেই তেওঁ তেওঁৰ দ্বিতীয়া পত্নী ড'ৰাৰ লগত সহবাস কৰিছিল; অট'লিন মৰেল নামৰ এগৰাকী পৰ-পুৰুষৰ পত্নীৰ প্ৰেমতো তেওঁ পৰিছিল। 'এন ইনকুয়াৰী ইন টু মিনিং এণ্ড ট্ৰুথ' নামৰ গ্ৰন্থখন তেওঁ লেখিছিল জন্মদিনৰ পোছাক পিন্ধি। কণ কণ ল'ৰা-ছোৱালীবোৰক মুকলি-শিক্ষা দিয়াৰ উদ্দেশ্যে তেওঁ এবাৰ এখন স্কুলো খুলিছিল, য'ত ল'ৰা-ছোৱালীবোৰে যি মন যায় তাকেই কৰিব পাৰিছিল (এবাৰ এজন লোকে হেনো ৰাছলক বিচাৰি তেওঁৰ স্কুললৈ গৈছিল। তেওঁক দুৱাৰ খুলি দিয়া ল'ৰাজনৰ দিগম্বৰ বেশ দেখা পাই আগমনকাৰীয়ে বিস্মিতভাৱে চিঞৰি উঠিল—'Oh God!' তেতিয়া ল'ৰাজনে হেনো কেটেৰাই উত্তৰ দিলে, 'ইয়াত কোনো ঈশ্বৰ নাই!') নীতিশাস্ত্ৰ আৰু শিক্ষা-সম্পৰ্কীয় এনেবিলাক মতবাদৰ বাবেই নিউ ইয়ৰ্কৰ চিটি কলেজে তেওঁক এবাৰ দৰ্শনৰ অধ্যাপকৰ পদত নিয়োগ কৰাত তাৰ বিৰুদ্ধে এনে তীব্ৰ জনমতৰ সৃষ্টি হৈছিল যে অৱশেষত চিটি কলেজে সেই নিযুক্তি পত্ৰ উঠাই ল'বলৈ বাধ্য হৈছিল। এগৰাকী মহিলাই আদালতত এইধৰণি মোকৰ্দমা তৰিছিল যে ৰাছেলক অধ্যাপক পদত নিয়োগ কৰিলে চিটি কলেজত পঢ়া তেওঁৰ গাভৰু জীয়েকজনীয়ে দৈহিক শুচিতা ৰক্ষা কৰা টান হৈ পৰিব, অথচ সেইসময়ত ৰাছেলৰ বয়স হৈছিল সত্তৰ বছৰ! (অৱশ্যে, ৰাছেলৰ ক্ষেত্ৰত আশ্চৰ্যকৰ একোৱেই নহয়, কিয়নো তেওঁৰ চতুৰ্থা পত্নী এডিথক তেওঁ বিয়া কৰাইছিল এই ঘটনাবো কেইবা বছৰৰ পিছত।)

সেইবুলি ৰাছেল ডন জুৱান নাছিল ; যৌনতা সম্পৰ্কে এটা বিজ্ঞান-সম্মত যুক্তিবাদী মনোভাৱ গ্ৰহণ কৰাটোহে তেওঁ বোধকৰোঁ বাঞ্ছা কৰিছিল। জ্ঞানৰ সাধক ৰাছেল আছিল প্ৰেমৰ পূজাৰীও। এপল' আৰু এফ্ৰডাইটি—দুয়ো তেওঁৰ সমানে উপাস্য আছিল। তেওঁ জানিছিল যে জ্ঞানবিহীন প্ৰেম যিদৰে উন্মাদ, প্ৰেমবিহীন জ্ঞানো তেনেদৰে বন্ধ্যা। আত্মজীৱনীৰ আৰম্ভণিতে হৃদয়স্পৰ্শী ভাষাৰে তেওঁ লেখিছে যে প্ৰেমৰ মাথোঁ কেইটামান মুহূৰ্তৰ বাবে সমগ্ৰ জীৱন উচৰ্গা কৰিবলৈ তেওঁ ৰাজী আছিল। 'প্ৰেমৰ দ্বাৰা অনুপ্ৰাণিত আৰু জ্ঞানৰ দ্বাৰা পৰিচালিত জীৱনেই শ্ৰেষ্ঠ জীৱন'—এনে উক্তি তেওঁৰ লেখনিত সঘন।

সকলো ক্ষেত্ৰতে ৰাছেল আছিল এটা ব্যতিক্ৰম। দাৰ্শনিকসকল, বিশেষকৈ প্ৰকৃতিৰ দাৰ্শনিকসকল, সাধাৰণতে নিঃসঙ্গতাপ্ৰিয় মানুহ হয়, ৰাজনীতিৰ লগত তেওঁলোকৰ ঘনিষ্ঠ সম্পৰ্ক নাথাকে। কিন্তু দাৰ্শনিক হ'লেও হুলস্থুলীয়া ৰাজনীতিৰ বীজ ৰাছেলৰ তেজত লুকাই আছিল। (উল্লেখযোগ্য যে ৰাছেলৰ জন্ম হৈছিল এটা অতি সম্ভ্ৰান্ত ৰাজনৈতিক পৰিয়ালত; তেওঁৰ ককাদেউতাক ৰাণী ভিক্টোৰিয়াৰ দিনত ইংলণ্ডৰ প্ৰধানমন্ত্ৰী আছিল ; ৰাছেল নিজেও আছিল এজন আৰ্ল)। ডেকা বয়সত তেওঁ সক্ৰিয় ৰাজনীতিত নামিব খুজিছিল ; কিন্তু জনসাধাৰণে তেওঁক ভোট নিদিলে। জনতাই তেওঁক বিচাৰিছিল এজন বুদ্ধিজীৱী হিচাপেহে, এজন ৰাজনীতিক হিচাপে নহয়।

ৰাজনৈতিক ক্ষেত্ৰত তেওঁ আছিল এজন উগ্ৰ শান্তিবাদী (ডুৰাণ্টৰ ভাষাত—'যুঁজাৰু শান্তিবাদী')। জগতত শান্তি স্থাপন হ'ব লাগে বুলি তেওঁ ইমান হুলস্থুল লগাইছিল যে তাৰ বাবে তেওঁক দুবাৰো বন্দীশালত ভৰাই থোৱা হৈছিল! এবাৰ আইনষ্টাইন আদিৰ লগ লাগি তেওঁ 'পুগৱাছ মুভমেণ্ট' নামে এটা আন্দোলনৰ গুৰি ধৰিছিল, যিটোৰ উদ্দেশ্য আছিল পৃথিৱীৰ সকলো বিজ্ঞানী একগোট হৈ যুদ্ধৰ ভয়াৱহতাৰপৰা পৃথিৱীক ৰক্ষা কৰা। শেষ বয়সত তেওঁ স্থাপন কৰিছিল 'ৰাছেল পীচ ফাউণ্ডেশ্যন' নামে আন এটা শান্তিবাদী অনুষ্ঠান। ভাৰতৰ মুক্তি

আন্দোলনৰ সময়ত তেওঁ ভাৰতৰ পক্ষ লৈছিল আৰু এই উদ্দেশ্যে ইংলণ্ডত স্থাপিত হোৱা 'ইণ্ডিয়া লীগ'ৰ তেওঁ সভাপতিও আছিল।

ৰাছেল আছিল সমাজবাদৰ সমৰ্থক। দেশত ব্যক্তিগত সম্পত্তি থাকিব নালাগে বুলি তেওঁ ঘোষণা কৰিছিল। অকল সেয়ে নহয়, 'উপদেশতকৈ আহি ভাল' বুলি নিজৰ সমস্ত পৈতৃক সম্পত্তি তেওঁ বিলাই দিছিল আৰু নিজে জীৱিকা নিৰ্বাহ কৰিছিল লেখনিৰপৰা আয় হোৱা ধনেৰে। (তেওঁ মাজে মাজে অধ্যাপনা কৰিছিল যদিও, কোনো কলেজ বা বিশ্ববিদ্যালয়ৰ তেওঁৰ নিয়মীয়া শিক্ষক নাছিল)। তেওঁৰ ৰাজনৈতিক উক্তিবিলাকত মাজে মাজে সাম্যবাদৰ গোন্ধ পোৱা যায়; সাম্যবাদী দেশ ৰুছিয়া আৰু চীনদেশ তেওঁ ভ্ৰমণো কৰিছিল। কিন্তু সাম্যবাদ তেওঁ গ্ৰহণ কৰা নাছিল, তাত ব্যক্তি-স্বাতন্ত্ৰ্যৰ বিশেষ সুবিধা নাই বুলি। স্বাধীন চিন্তাৰ সমৰ্থক হিচাপে সমাজতকৈ ব্যক্তিৰ ওপৰত তেওঁ অধিক গুৰুত্ব দিছিল।

গাণিতিক ন্যায়ৰ বাহিৰে ৰাছেলৰ অন্যান্য মতবাদসমূহ কটকটীয়াভাৱে পদ্ধতিমূলক নহয়। ৰাছেলৰ মতবাদবিলাক সঘনে সলনি হৈ থাকে বুলি বহুতে তেওঁৰ ওপৰত অভিযোগো তোলে। কিন্তু ৰাছেলৰ মতে মতবাদৰ পৰিৱৰ্তন আচলতে তেওঁৰ বৌদ্ধিক উদাৰতাৰহে পৰিচায়ক; জ্ঞানক তেওঁ এখন বন্ধ কিতাপ বুলি কাহানিও ধৰি লোৱা নাছিল। দাৰ্শনিক ক্ষেত্ৰত ৰাছেল আছিল অনেক সময়ত তেওঁৰ দেশৰে আন এজন দাৰ্শনিক ডেভিদ হিউমৰ অনুগামী। হিউমৰ দৰে তেৰোঁ প্ৰচলিত প্ৰায়বোৰ মতবাদৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছিল। তেওঁৰ জীৱনী ৰচোতা আলান উডে সেয়েহে তেওঁক 'গাঢ় সংশয়বাদী' (passionate sceptic) আখ্যা দিছে। নিজৰ মত প্ৰকাশৰ সময়ত প্ৰতিষ্ঠিত মতবাদলৈ তেওঁ ভ্ৰুক্ষেপ নকৰিছিল। উদাহৰণস্বৰূপে, আধুনিক কালৰ বিদগ্ধতম দাৰ্শনিক বুলি জনাজাত ইমানুৱেল কাণ্টৰ বিষয়ে তেওঁ লেখিছে যে যিমান বিদগ্ধ বুলি ভবা হয়, কাণ্ট আচলতে সিমান বিদগ্ধ নহয়—তেওঁ 'বিদগ্ধতা'ৰ এটা প্ৰধান কাৰণ হ'ল তেওঁৰ লেখনীৰ দুৰ্বোধ্যতাহে।

লেখনীৰ দুৰ্বোধ্যতা ৰাছেলে অত্যন্ত বেয়া পাইছিল। দৰ্শনৰ গধুৰ তত্ত্ববিলাকো কেনেকৈ পাহাৰীয়া জুৰিৰ পানীৰ দৰে ফটফটীয়াকৈ লেখিব পাৰি, তেওঁ নিজেই তাৰ সুন্দৰ দৃষ্টান্ত দেখুৱাই গৈছে। 'থিয়ৰি অৱ টাইপ্‌চ', 'থিয়ৰি অৱ ডেচক্ৰিপ্সন', 'লজিকেল এটমিজম', 'নিউট্ৰেল মনিজম', আদি দৰ্শনজগতলৈ তেওঁৰ অতুলনীয় অৱদান। হেগেলৰ অদ্বৈতবাদী দৰ্শনৰ তেওঁ বিৰোধী আছিল; নৈয়ায়িক হোৱা বাবেই বোধকৰোঁ। তেওঁ ভাল পাইছিল বিশ্লেষণহে, সংশ্লেষণ নহয়। বিজ্ঞানৰ দৰ্শনলৈও তেওঁৰ অৰিহণা অনেক। (পদাৰ্থবিজ্ঞানক তেওঁ মনস্তত্ত্বৰ লগত সাঙুৰিব খুজিছিল)। আধুনিক দৰ্শনৰ অন্যতম শাখা 'লজিকেল পজিটিভিজ্‌ম-অৰ গুৰুস্বৰূপ লাড্‌ৱীগ ভীৎগেনষ্টাইন এসময়ত ৰাছেলৰ শিষ্য আছিল। (আধুনিক যুগৰ প্ৰসিদ্ধ কবি টি. এচ. এলিয়টো এসময়ত ৰাছেলৰ ছাত্ৰ আছিল; ৰাছেলক উদ্দেশ্য কৰি লেখা 'মিঃ এপলিনাক্স্' নামেৰে তেওঁৰ এটা কৱিতাও আছে)।

সাধাৰণ অৰ্থত ৰাছেলক হয়তো ঠিক সাহিত্যিক বুলিব নোৱাৰি; কিন্তু তেওঁৰ ৰচনাশৈলী সাহিত্য-জগতত প্ৰতিষ্ঠা লাভ কৰা অনেক সাহিত্যিকৰো ঈৰ্ষাৰ বস্তু। তেওঁৰ ভাষা আছিল প্ৰাঞ্জল অথচ প্ৰগাঢ়, দ্ব্যৰ্থহীন অথচ কাব্যিক সুষমাৰে মণ্ডিত। সাধাৰণ শব্দ আৰু সৰল বাক্যেৰে ভাষাৰ মায়াজাল সৃষ্টি কৰিব পৰা যাদুকৰী কৌশল তেওঁ বহু কষ্টেৰে ৰপ্ত কৰিছিল। অনন্য ৰচনাশৈলীৰ বাবেই ১৯৫০ চনত তেওঁলৈ সাহিত্যৰ নবেল বঁটা আগবঢ়োৱা হয়।

ৰাছেলৰ দীঘলীয়া জীৱনটো আছিল নানাৰঙী ৰামধেনুৰ দৰে; কম পৰিসৰৰ ভিতৰত তাৰ আলোচনা অসম্ভৱ। 'জিনিয়াচ চেইন্ট' বুলি কোনোৱে তেওঁৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে, 'গ্ৰেটেষ্ট হেৰেটিক এণ্ড ইম্‌মৰেলিষ্ট অৱ দি এজ' বুলি কোনোৱে তেওঁক গালিও পাৰিছে; 'আধুনিক যুগৰ পাইথাগ'ৰাচ', 'কুৰি শতিকাৰ ভল্‌তেয়াৰ', 'আৰিষ্ট'ত্‌ল-অৰ পিছৰ শ্ৰেষ্ঠতম ন্যায়শাস্ত্ৰবিদ', 'হিউমৰ পিছৰ মহত্তম সংশয়বাদী'—ইত্যাদি নানা বিশেষণেৰে ৰাছেলক বিভূষিত কৰা হৈছে। কিন্তু

২

এই বিশেষণবিলাক বাছেলৰ বহু বিচিত্ৰ জীৱনটোৰ একোটা আভাসহে মাথোন ; বাছেলৰ সামগ্ৰিক জীৱন ইবিলাকতকৈ অনেক গভীৰ।

বাছেলৰ দৰ্শন বহুতে ভাল নাপাব পাৰে ; ধৰ্ম আৰু নৈতিকতা সম্পৰ্কীয় তেওঁৰ মতবাদসমূহ বহুতৰ বাবে ঘৃণনীয় হ'ব পাৰে ; কিন্তু তেওঁৰ পাণ্ডিত্যক, তেওঁৰ স্পষ্টবাদিতাক, তেওঁৰ বৌদ্ধিক সততাক তেওঁৰ পৰম শত্ৰুজনেও মুহি কৰা অসম্ভৱ। পৃথিৱীত বাছেলৰ দৰে মুক্তিযুঁজাৰুৰ প্ৰয়োজনীয়তা কিমান, তাক বহলাই কোৱাৰ সকাম নাই। বাটৰ মূৰৰ পুলিচজনৰ দৰে মানৱ-সমাজক অহৰ্নিশে প্ৰকৃত পথৰ নিৰ্দেশ দি থাকে একমাত্ৰ বাছেলৰ দৰে লোকসকলেহে। সেয়েহে বেদৰ মন্ত্ৰেৰে আমিও কওঁ—

যত্তে বিশ্বমিদং জগন্মনাদ্ জগাম দূৰকং।
তত্ত আৱৰ্ত্তমায়াসি ইহ ক্ষয়ায় জীৱসে॥

(তোমাৰ যি আত্মা এই নিখিল বিশ্বত ব্যাপ্ত হৈ গৈছে, আমি তাক পুনৰ আহ্বান কৰিছোঁ, যাতে সি আমাৰ মাজত পুনৰ বাস কৰে আৰু জীৱিত হৈ থাকে)। (১৯৭০)

॥ ৰাছেল আৰু ৰহস্যবাদ ॥

উইল ডুৰাণ্টে তেওঁৰ 'ষ্ট'ৰি অৱ্ ফিল'চফি' নামৰ বসাল গ্ৰন্থখনৰ এঠাইত কৈছে, "অত্যধিক জ্ঞান সংশয়বাদৰ পূৰ্বগামী ; আচ্ছ ভক্তসকল সম্ভাব্যতম বিধৰ্মী, আচ্ছ পাপীসকল যিদৰে সম্ভাব্য সাধু।" জ্ঞানবৃদ্ধিয়ে যে মানুহক গুৰুবৈৰী কৰি তোলে, দাৰ্শনিকসকলৰ জীৱনী তাৰ উজ্জ্বল প্ৰমাণ। আগবয়সত নিৎচে আছিল শ্বপেনহাৱাৰৰ অত্যন্ত অনুৰাগী ; কিন্তু পিছৰ জীৱনত তেৱেঁই আকৌ শ্বপেনহাৱাৰৰ বৈৰিতা আৰম্ভ কৰিছিল ; যৌৱনকালত হাৰ্বাৰ্ট স্পেন্সাৰৰ জড়বাদী দৰ্শন বাৰ্গ্‌চঁ'ৰ অতি প্ৰিয় আছিল, কিন্তু পিছলৈ জড়বাদক ওফৰাই পেলোৱাৰ চেষ্টাতেই বাৰ্গ্‌চঁ'ই জীৱনৰ বেছিভাগ সময় ব্যয় কৰিলে ; কোৱাণ্টাম তত্ত্বক পদাৰ্থ বিজ্ঞানৰ ভেঁটিত দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰা লোকসকলৰ ভিতৰত আইনষ্টাইন এসময়ত আছিল সকলোৰে অগ্ৰণী ; কিন্তু আচৰিত কথা, জীৱনৰ শেষৰ ফালে কোৱাণ্টাম তত্ত্বৰ সিদ্ধান্তসমূহ ভুল বুলি প্ৰমাণ কৰিবলৈ তেওঁৰ চেষ্টাৰ অন্ত নাছিল।

বৃটিছ দাৰ্শনিক বাৰ্টাণ্ড ৰাছেলৰ চৰিত্ৰতো একেই বৈপৰীত্য গুণ পৰিলক্ষিত হয়। ছাত্ৰ-জীৱনৰ আৰম্ভণিত ৰাছেল আছিল অদ্বৈতবাদী হেগেলৰ একান্ত ভক্ত। মেক্‌টাগাৰ্ট্ নামৰ সমবয়সী ছাত্ৰ-দাৰ্শনিকজনাৰ দ্বাৰা প্ৰভাৱিত হৈ বিশ্বৰ ৰহস্যবাদী হেগেলীয় ঐক্যৰ ওপৰত তেওঁৰ পূৰ্ণ বিশ্বাস জন্মিছিল ; তেওঁ ভাবিছিল জগতৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰি ইয়াত এক সৰ্বব্যাপী সামগ্ৰিক ঐক্য আছে বুলি ধৰি ললেহে। কিন্তু অতি সোনকালেই এনে ৰহস্যবাদী চিন্তাধাৰাৰ পৰা তেওঁ নিজকে মুক্ত কৰিলে। অকল সেয়ে নহয়, পিছলৈ তেওঁ এনে ধাৰণাক 'বৌদ্ধিক আবৰ্জনা' আখ্যা দিবলৈও কুণ্ঠাবোধ কৰা নাছিল। গণিতীয় দৰ্শনৰ গৱেষণাই বিশ্লেষণাত্মক যুক্তিবাদৰ প্ৰতি তেওঁৰ অনুৰাগ বঢ়াই তুলিছিল ;

তেওঁ প্ৰচাৰ কৰিছিল যে জগতখন বুজা সম্ভৱ হেগেলীয় সংশ্লেষণেৰে নহয়, বৰং গণিতীয় বিশ্লেষণেৰেহে।

ৰহস্যবাদৰ ঘোৰ বিৰোধী যুক্তিবাদী দৰ্শনৰ নায়ক হিচাপে ৰাছেল আজি জগতত জনাজাত। ৰহস্যবাদৰ প্ৰতি তেওঁৰ মনোভাৱ তেওঁ বিশদভাৱে আলোচনা কৰিছে 'মিষ্টিচিজম এণ্ড লজিক' নামৰ তেওঁৰ বিখ্যাত প্ৰবন্ধটোত। 'ৰিলিজন এণ্ড চায়েন্স' নামৰ গ্ৰন্থখনৰ 'মিষ্টিচিজম' নামৰ অধ্যায়টোতো এই সম্পৰ্কে যথেষ্ট উল্লেখ আছে।

বিশ্বজগত সম্পৰ্কে ৰহস্যবাদীসকলৰ মতবাদবিলাকক ৰাছেলে চাৰিটা সাধাৰণ ভাগত ভগাইছে। যেনে—ৰহস্যবাদীসকলৰ মতে,

(১) জগতখন কিছুমান অসংলগ্ন খণ্ডৰ সমষ্টি নহয়; দেখাত তেনে যেন লাগিলেও দৰাচলতে ইয়াত বিৰাজ কৰিছে এক নান্দনিক লয় আৰু ঐক্য—যি সদায় সহজ, সৰল আৰু সুন্দৰ।

(২) জগতখনৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰি গভীৰ সাধনাৰপৰা উদ্ভূত স্বজ্ঞাৰ (intuition) জৰিয়তেহে, যুক্তি জ্ঞানৰ সহায়ক নহয়, বৰং ই তাৰ পৰিপন্থীহে।

(৩) কাল বাস্তৱ (real) নহয়।

(৪) যি শুভ, সিহে সত্য, যি অশুভ, তাৰ অস্তিত্ব নাই।

ৰাছেলৰ মতে ৰহস্যবাদীসকলৰ উপৰি-উক্ত প্ৰতিটো মতবাদেই ভ্ৰান্ত। জগতত কোনো মিষ্টিক ঐক্য বা সুসংবদ্ধ মহাজাগতিক উদ্দেশ্য নাই; জগতখন আচলতে লয়হীন, ঐক্যহীন, প্ৰেমহীন, উদ্দেশ্যহীন কেতবোৰ অণু-পৰমাণুৰ লম্ফ-জম্ফৰহে সমাহাৰ। সভ্যতাৰ শৈশৱকালীন যুগত মানুহে নিজৰ মানসিক পৰিতৃপ্তিৰ বাবে এখন ঐক্যময়, সংবদ্ধ জগত কল্পনা কৰি লৈছিল; কিন্তু জ্ঞানৰ পৰিসৰ বঢ়াৰ লগে লগে বিশ্বাসৰ স্থান অধিকাৰ কৰিলে যুক্তিয়ে। যুক্তিবাদী দৰ্শনে শিশু মানৱৰ ৰঙীন কল্পনা মৰিমুৰ কৰিলে; ই দেখুৱালে যে জগতখন মানুহৰ বাবে ৰচিত হোৱা নাই; বস্তুতঃ মানৱজাতিৰ প্ৰতি ই উদাসীন। কোনো স্বৰ্গীয় উদ্দেশ্যেৰে পৃথিৱীত মানৱ জাতি সৃষ্ট হোৱা নাই, মানুহ হয়তো আচলতে

এক বিশেষ ধৰণে হঠাতে গোট খোৱা পৰমাণুৰ সমষ্টিহে। 'মুক্ত-মানৱৰ উপাসনা' নামৰ এটা প্ৰবন্ধত ৰাছেলে তেওঁৰ এই মনোভাৱ অতিশয় কাব্যিক ভাষাৰে বৰ্ণনা কৰিছে:

"এইখনেই, আচলতে ইয়াতোকৈ অধিক উদ্দেশ্যহীন আৰু অৰ্থশূন্য হ'ল আমি বাস কৰা এই জগতখন; অন্ততঃ এনে এখন জগতকেই বিজ্ঞানে বিশ্বাসৰ বাবে আমাৰ সমুখত ডাঙি ধৰিছে। যে মানুহ কিছুমান কাৰণৰ উৎপাদন, যিবোৰৰ কোনো পূৰ্ব-কল্পনা নাই; যে ইয়াৰ উৎপত্তি, ইয়াৰ বিকাশ, ইয়াৰ আশা আৰু ভয়, ইয়াৰ প্ৰেম আৰু বিশ্বাস মাথোন আচম্বিতে গোটখোৱা কিছুমান পৰমাণুৰ সমষ্টি; যে কোনো উৎসাহ, কোনো বীৰত্ব, কোনো ভাৱ আৰু অনুভূতিৰ তীব্ৰতাই মানুহৰ ব্যক্তিগত জীৱনক চিতাজুইৰ সিফালে আৰু সংৰক্ষিত কৰিব নোৱাৰে; যে যুগ যুগ ধৰি কৰা সকলো প্ৰচেষ্টা, সকলো উৎসৰ্গা, সকলো অনুপ্ৰেৰণা, মানৱ-প্ৰতিভাৰ দিন-সদৃশ সমস্ত উজ্জ্বলতা এদিন বিশ্বৰ ধ্বংস-স্তূপৰ মাজত পোত যাব,—সম্পূৰ্ণ বিতৰ্কমুক্ত নহ'লেও এই সকলোবিলাক ইমান বেছি পৰিমাণে নিশ্চিত যে ইবোৰক উপেক্ষা কৰা কোনো দৰ্শনেই পৃথিৱীত তিষ্ঠি থাকিবলৈ আশা কৰিব নোৱাৰে। একমাত্ৰ এনেবিলাক সত্যৰ মঞ্চৰ ওপৰতহে, একমাত্ৰ নৈৰাশ্যৰ দৃঢ় ভেঁটিৰ ওপৰতহে, আত্মাৰ বাসস্থান আমি এতিয়াৰপৰা সাজিব লাগিব।"

ৰাছেলৰ মতে, বিশ্বজগতৰ বিষয়ে জ্ঞান লাভ কৰাৰ একমাত্ৰ উপায় হ'ল বিশ্লেষণ পদ্ধতি; জগতখনৰ বিষয় জানিব লাগিলে ইয়াৰ প্ৰতিটো অংশৰ বিষয়ে সুকায়াকৈ আমি জানিব লাগিব। জগতৰ প্ৰতিটো অংশৰ জ্ঞানেহে আমাক সমস্ত জগত-সম্পৰ্কীয় সামগ্ৰিক জ্ঞানৰ সন্ধেদ দিয়ে। জগতৰ মিষ্টিক ঐক্যৰ ওপৰত নিৰ্ভৰ কৰি ৰহস্যবাদীসকলে সগৌৰৱে উচ্চাৰণ কৰা 'ঈশ্বৰৰ প্ৰেমময়,' 'ঈশ্বৰ মংগলময়' আদি বাক্য-বিলাক শ্ৰুতিমধুৰ হ'ব পাৰে, কিন্তু এই বাক্যবিলাকৰ অৰ্থ অস্পষ্ট; সিবিলাকে আমাক বস্তুধৰ্মী জ্ঞানৰ কোনো সন্ধান নিদিয়ে, বৰং জ্ঞানৰ সাগৰখন ঘোলা কৰাতহে সিবিলাকে সহায় কৰে"।

ৰহস্যবাদীসকলৰ মিষ্টিক অভিজ্ঞতা সম্পৰ্কে ৰাছেলে কৈছিল যে মিষ্টিক অভিজ্ঞতাবিলাক হ'ল সম্পূৰ্ণৰূপে মনোধৰ্মী আৰু সেয়ে ইবিলাক এজনৰপৰা আন এজনলৈ সঞ্চৰণত অসমৰ্থ; মনোধৰ্মী চৰিত্ৰৰ বাবেই ইবিলাক সত্যতা বৈজ্ঞানিক পৰীক্ষাসিদ্ধ ন'হয়। গতিকে, ইবিলাক ভ্ৰান্ত বুলি পৰিগণিত হোৱাৰ সম্ভাৱনা খুব বেছি। কোনো এটা বিষয়ে বহুপৰ চিন্তা কৰি থাকিলে, কোনো এটা বিশেষ মুহূৰ্তত সেই বিষয়ৰ সকলো কথা পৰিষ্কাৰ হৈ পৰা যেন কেতিয়াবা আমাৰ অনুমান হ'ব পাৰে, আৰু ৰহস্যবাদীসকলে ঈশ্বৰক দেখা বা পৰম সত্যক পোৱা বুলি কয়, মনৰ ঠিক এনে অৱস্থাতে। কিন্তু বিজ্ঞানসম্মত প্ৰমাণ নথকা বাবে ৰহস্যবাদীসকলৰ এনে উক্তিৰ যাথাৰ্থ্য বিচাৰ কৰা অসম্ভৱ। ৰহস্যবাদী-সকলৰ জ্ঞান বিজ্ঞানসম্মত বিশ্লেষণৰ অযোগ্য; আৰু বৈজ্ঞানিক বিশ্লেষণ-বিহীন জ্ঞান ৰাছেলৰ মতে অ-গ্ৰহণীয়। তেওঁৰ মতে বিশ্বজগতক জনাৰ একমাত্ৰ উপায় হ'ল—বিজ্ঞানসম্মত পৰ্যবেক্ষণ, যুক্তি আৰু পৰীক্ষা। জগতৰ বিষয়ে আমি যি জানো সি পৰ্যবেক্ষণৰ জৰিয়তেহে আৰু সি প্ৰকৃততে কেনে—এই বিষয়ৰ জটিল তৰ্কেৰেহে। সমস্ত জ্ঞান আহৰণ কৰিব পাৰি কেৱল বৈজ্ঞানিক পদ্ধতিৰে; 'বিজ্ঞানে যি আবিষ্কাৰ কৰিব নোৱাৰে, মানুহে তাক জানিব নোৱাৰে'—এনে ধৰণৰ উক্তি তেওঁৰ গ্ৰন্থ-সমূহত সঘন। তেওঁৰ মতে যুক্তি আৰু পৰীক্ষাৰ কষ্টিশিলেৰে ঘঁহি নল'লে কেৱল সহজাত প্ৰবৃত্তি বা স্বজ্ঞাই মানুহক ভুল পথে নিয়াৰ সম্ভাৱনা থাকে। তেওঁৰ মতে যুক্তিৰ প্ৰতি বীতৰাগ মানুহৰ অতি প্ৰিয়, কিয়নো বাহ্যাৰ্থত যুক্তি শুকান আৰু নীৰস,—আৰু যুক্তিৰ কছৰৎ এটা আমনিদায়ক কাম। কিন্তু জ্ঞান-মন্দিৰলৈ যোৱাৰ পথ পৰিষ্কাৰ কৰি ল'ব খুজিলে যুক্তিৰ শাণিত অস্ত্ৰ হাতত লৈহে আমি আগবাঢ়িব লাগিব; ইয়াৰ বাহিৰে তাত উপনীত হোৱাৰ কোনো সহজ পন্থা নাই। ৰহস্যবাদী-সকলে কোৱাধ দৰে যুক্তি আৰু তৰ্কৰ সহায় বিনে জ্ঞান অৰ্জন কৰাৰ কিবা 'উচ্চতৰ উপায়' আছে বুলি ৰাছেলে কাহানিও বিশ্বাস কৰা নাছিল।

যোগ-সাধনা আদি কৰি বা বহুদিন নাখাই-নবৈ থাকি লাভ কৰা মিষ্টিক. অভিজ্ঞতাবিলাকৰ ওপৰত ৰাছেল আছিল ঘৰ্ঘোৰভাৱে সন্দিহান। তেওঁ কৈছিল যে বহুদিন অনাহাৰে থকা অৱস্থাটো শৰীৰৰ এটা অস্বাভাৱিক অৱস্থা; এনে অৱস্থাত নানা অলৌকিক কল্পনা মনলৈ আহিব পাৰে, কিন্তু স্বাভাৱিক অৱস্থাৰ মানুহে সেই অলৌকিক কল্পনা-বিলাক সত্য বুলি ধৰি লোৱাত কোনো যৌক্তিকতা নাই। ৰাছেলৰ মতে বিজ্ঞানৰ দৃষ্টিত মদাহী এজনে মদ খাই সাপ দেখা পোৱা আৰু ৰহস্যবাদী এজনে বহুদিন উপবাসে থাকি স্বৰ্গ দেখা পোৱাৰ মাজত খুব বেছি পাৰ্থক্য নাই; কিয়নো, দুয়োজন মানুহ মানসিকভাৱে সুস্থ নহয়।

কাল অসত্য বুলি ৰহস্যবাদীসকলে কোৱা কথাষাৰো ৰাছেলে নিৰ্বিবাদে মানি ল'ব পৰা নাছিল। তেওঁ কৈছিল যে এক সুসংহত দাৰ্শনিক মনোবৃত্তি গঢ়ি তুলিবৰ বাবে কালক কিছু পৰিমাণে অসত্য বুলি স্বীকাৰ কৰি ল'ব পৰাটো হয়তো বেয়া নহয়। কিন্তু ভূত, ভবিষ্যত আৰু বৰ্তমানক একাকাৰ কৰি জগতক 'শাশ্বত ৰূপ'ত চাব পৰাটো স্পিন'জাৰৰ দৰে নিষ্ঠাবান দাৰ্শনিকৰ পক্ষেহে হয়তো সম্ভৱ; দৈনন্দিন জীৱনৰ ব্যৱহাৰিক সমস্ত কামতে সময় অসত্য বুলি ধৰি ল'লে সাধাৰণ মানুহ হিচাপে আমাৰ জীৱনৰ কোনো মূল্যই নাথাকিব।

ৰহস্যবাদৰ বিৰুদ্ধে ৰাছেলৰ শেষ অভিযোগটো হ'ল; জগতখনক এক বস্তুময় দৃষ্টিৰে ৰহস্যবাদীসকলে চাব নাজানে। যিবিলাক সিদ্ধান্ত আনুভূতিকভাৱে তেওঁলোকৰ প্ৰিয়, অকল সেই সিদ্ধান্তবিলাকহে তেওঁলোকে গ্ৰহণ কৰে আৰু বাকী সমস্তকে অসত্য বুলি তেওঁলোকে দলিয়াই পেলাব খোজে। আনুভূতিকভাৱে প্ৰিয় সিদ্ধান্তবিলাক তেওঁলোকে সঁচা বুলি আগতীয়াকৈ ধৰি লয়, পিছতহে সেই সিদ্ধান্ত-বিলাক সঁচা বুলি প্ৰমাণ কৰিবলৈ তেওঁলোকে যুক্তিৰ আশ্ৰয় বিচাৰে। যুক্তি, ক'বলৈ গ'লে, তেওঁলোকৰ বাবে ন্যায়শাস্ত্ৰৰ পোছাক পিন্ধা আকাংক্ষাহে মাথোন। গতিকে, নিৰপেক্ষ 'বিচাৰ এওঁলোকৰ পক্ষে অসম্ভৱ। উদাহৰণ হিচাপে, জগতত সুখ যেনেকৈ আছে তেনেকৈ দুখো

থাছে আৰু সুখতকৈ দুখৰ পৰিমাণেই হয়তো সৰহ। কিন্তু ৰহস্যবাদী-সকলে কয় যে, দুখ-দুৰ্গতিবিলাকৰ বাস্তৱ অস্তিত্ব নাই, সিবিলাক মায়া মাত্ৰ ; আচলতে সকলো জীৱই আনন্দৰপৰাই উৎপত্তি হৈছে, আনন্দতেই সিবোৰ জীয়াই থাকে, আৰু আনন্দতেই সিবোৰৰ বিনাশ ঘটে ('আনন্দাদ্ধ্যেৱ খল্বিমানি ভূতানি জায়ন্তে। আনন্দেন জাতানি জীৱন্তি। আনন্দং প্ৰয়ন্ত্যভিসংবিশন্তীতি'—মাণ্ডুক্যোপনিষদ)। এনেবোৰ উক্তি আমাৰ প্ৰিয়, কিয়নো এনে উক্তিয়ে এখন সুন্দৰ আনন্দময় ভবিষ্যতৰ ছবি আমাৰ মনত আঁকি দিয়ে ; ই আমালৈ আশাৰ বাতৰি কঢ়িয়াই আনে, কিন্তু সত্যৰ স্বৰূপ ই প্ৰকাশ নকৰে। ৰহস্যবাদীসকলৰ এই মনোভাৱ এটা সুন্দৰ মনৰ প্ৰতিফলন সঁচা, কিন্তু আমি বিচৰা ধৰণে বাস্তৱ জগৎখন ইমান সুন্দৰ নহ'বও পাৰে। এনে মনোভাৱ বহুসময় এটা পলায়নবাদী মনোভাৱহে, কিয়েনো বাস্তৱ জীৱনৰ দুখ-দুৰ্গতিৰ বিৰুদ্ধে অকলশৰে থিয় দিবলৈ ই আমাক সাহস নোযোগায়। নিজ আত্মাৰ লগত পৰমাত্মাৰ মিলন সাধনৰ চেষ্টাতে ৰহস্যবাদীসকল ব্যস্ত হৈ থাকে আৰু চৌদিশে বাস কৰা ভ্ৰাতৃ মানুহৰ কথা তেওঁলোকে পাহৰি পেলায়। দুৰ্দশাৰ পংকিল সাগৰত পৰি থকা ভ্ৰাতৃ-মানৱৰ উদ্ধাৰ কাৰ্যত তেওঁলোকে অকণো সহায় কৰিব নোৱাৰে ; গতিকে, সামাজিক জীৱ হিচাপে তেওঁলোক অপদাৰ্থ।

ৰহস্যবাদৰ বিৰোধিতাৰ ক্ষেত্ৰত ৰাছেলক বহুপৰিমাণে তেওঁৰ দেশৰে পূৰ্বৱৰ্তী দাৰ্শনিক ডেভিদ হিউমৰ অনুগামী বুলিব পাৰি। হিউম আছিল সন্দেহবাদী আৰু ৰহস্যবাদৰ কঠোৰ সমালোচক। মাথোন তেইশ বছৰ বয়সতে তেওঁ লেখিছিল, "ধৰ্মশাস্ত্ৰ বা অধিবিজ্ঞানৰ এখন কিতাপ হাতত ল'লে আমি প্ৰথমে সুধিব লাগিব, 'ইয়াত পৰিমাণ বা গণনা-সম্পৰ্কীয় বিমূৰ্ত যুক্তি আছেনে ?' নাই। 'ইয়াত প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰীক্ষা-মূলক যুক্তি আছেনে ?' নাই। তেন্তে ইয়াক জুইত পেলাই দিয়া, কাৰণ বাগাড়ম্বৰৰ বাহিৰে ইয়াত একো নাই।"

হিউমৰ দৰে ৰাছেলেও যুক্তি আৰু বৈজ্ঞানিক পদ্ধতিৰ ওপৰত

অতিশয় গুৰুত্ব আৰোপ কৰিছিল ; কিন্তু ৰহস্যবাদৰ বিৰুদ্ধে তেওঁৰ জেহাদ হিউমৰ দৰে তীব্ৰ নাছিল। স্বজ্ঞা আৰু মিষ্টিক অভিজ্ঞতাক তেওঁ মুই কৰা নাছিল। তেওঁ মাত্ৰ কৈছিল যে পৰীক্ষা আৰু যুক্তিৰ চালনিৰে চালিজাৰি লোৱাৰ পিছতহে সেই অভিজ্ঞতাবিলাক সত্য বুলি আমি গ্ৰহণ কৰা উচিত ; তাকে নকৰিলে বহুতো অলাগতিয়াল বৌদ্ধিক আবৰ্জনাও আমি লগতে গ্ৰহণ কৰিবলগাত পৰিম। কুৰি শতিকাৰ যুক্তিবাদৰ অবিসম্বাদী নেতা হৈয়ো তেওঁ কৈছিল যে জ্ঞানৰ উচ্চতৰ মহলালৈ যাবলৈ যুক্তি এডাল সুন্দৰ জখলা হ'ব পাৰে, সেইবুলি যুক্তিয়েই জ্ঞান নহয় ; সৃষ্টিশীল সূক্ষ্ম অন্তৰ্দৃষ্টিহে আচলতে সকলো জ্ঞানৰ উৎস। 'মিষ্টিচিজম এণ্ড লজিক' নামৰ প্ৰবন্ধটোৰ এঠাইত তেওঁ অকপটে স্বীকাৰ কৰিছে, "যুক্তি সৃষ্টিশীল শক্তিতকৈয়ো বৰং এটা সমন্বয়ক আৰু নিয়ন্ত্ৰক শক্তিহে। আনকি, বিশুদ্ধ নৈয়ায়িক জগততো নতুনৰ সন্ধেদ দিয়ে প্ৰথমে অন্তৰ্দৃষ্টিয়েহে।" যুক্তিবাদৰ একান্ত ভক্ত হোৱা সত্ত্বেও 'চায়েন্টিফিক আউটলুক' গ্ৰন্থত বিশ্বাসৰ আৱশ্যকতা তেওঁ উদাৰচিত্তে মানি লৈছে, "আমাৰ মাজৰ প্ৰখৰ যুক্তিবাদীসকলৰো মনটোক আমি তুলনা কৰিব পাৰোঁ আকাংক্ষাভিত্তিক আবেগিক প্ৰত্যয় কিছুমানৰ এখন উত্তাল সাগৰৰ লগত, যত ভাঁহি থাকে বিজ্ঞান-সম্মতভাৱে পৰীক্ষাসিদ্ধ বিশ্বাসৰ গুটিদিয়েক পানচৈ। ইয়াত আক্ষেপ কৰিবলগীয়াও নাই, কাৰণ জীৱনটো প্ৰথমে জীয়াই থাকিব লাগিব, আমাৰ প্ৰত্যেকটো বিশ্বাস পৰীক্ষাসিদ্ধ কৰি ল'বলৈ ইয়াত সময় নাই।"

বাছেলৰ মতে কু-সংস্কাৰবৰ্জিত বিশুদ্ধ ৰূপৰ ৰহস্যবাদ মানুহৰ বৌদ্ধিক প্ৰগতিৰ অন্তৰায় নহয়, বৰং ই তাৰ সহায়কহে। ইতিমধ্যে জগতৰ বহুতো অন্যায় সাধন কৰিলেও, কুসংস্কাৰ আৰু অন্ধবিশ্বাস বিজড়িত হৈ নাথাকিলে ৰহস্যবাদ এতিয়াও মানুহৰ প্ৰমূল্য বৃদ্ধিৰ সহায়ক হ'ব পাৰে বুলি বাছেলে 'ৰিলিজন এণ্ড চায়েন্স' নামৰ পুথিখনৰ 'মিষ্টিচিজম' শীৰ্ষক অধ্যায়টোত উল্লেখ কৰিছে। ৰহস্যবাদীসকলৰ মিষ্টিক অভিজ্ঞতাক বাছেলে মুই কৰা নাছিল ; বৰং মাজে মাজে তেনে অভিজ্ঞতা তেওঁ

নিজেও লাভ কৰে বুলি তেওঁ স্বীকাৰ কৰিছে। 'এ হিষ্ট্ৰী অৱ ৱেষ্টাৰ্ণ ফিল'চফি' গ্ৰন্থৰ এঠাইত, তেওঁ লেখিছে—

"সৃষ্টিশীল কামত ৰত প্ৰতিজন ব্যক্তিয়েই কম-বেছি পৰিমাণে এনে এক মানসিক অৱস্থা লাভ কৰে য'ত দীঘলীয়া শ্ৰমৰ পিছত সত্য বা সৌন্দৰ্য আকস্মিকভাৱে মহিমামণ্ডিত হৈ তেওঁলোকৰ সমুখত ধৰা দিয়ে, বা দিয়ে যেন লাগে ; ই ক্ষুদ্ৰ বিষয়েও হ'ব পাৰে বা সমগ্ৰ বিশ্বৰ বিষয়েও হ'ব পাৰে। মোৰ দৰে এনে অনুভূতি আনৰ ক্ষেত্ৰত হয়নে নহয়, মই নাজানোঁ।"

তেওঁৰ জীৱনৰ সৰ্বশেষ গ্ৰন্থ আত্মজীৱনীখনতো তেওঁ লাভ কৰা মিষ্টিক অভিজ্ঞতাৰ উল্লেখ পোৱা যায়। ১৯০১ চনত 'প্ৰিন্সিপিয়া মেথেমেটিকা'ৰ সহ-লেখক এ. এন হোৱাইটহেডৰ ৰোগগ্ৰস্তা পত্নীক চাবলৈ যাওঁতে ৰাছেলে হেনো মাত্ৰ পাঁচ মিনিটৰ বাবে এটা মিষ্টিক অভিজ্ঞতাৰ সন্মুখীন হৈছিল। এই বিষয়ে আত্মজীৱনীখনত তেওঁ বহলাই কৈছে। তাৰ কিছু অংশৰ অসমীয়া অনুবাদ তলত তুলি দিয়া হ'ল :

"তলৰ মাটি হঠাতে মোৰপৰা যেন আঁতৰি গ'ল আৰু মই যেন এখন সুকীয়া জগতত উপনীত হ'লোঁ। পাঁচ মিনিটৰ ভিতৰতে মোৰ মনলৈ এনেবিলাক ভাৱ আহিবলৈ ধৰিলে :—মানৱ-জীৱনৰ নিঃসংগতা অসহনীয়, ধৰ্মীয় মহাপুৰুষসকলে শিকাই থৈ যোৱা তীব্ৰ প্ৰেমৰ বাহিৰে আন একোৱেই এই নিঃসংগতাক ভেদ কৰিব নোৱাৰে ; এনে প্ৰেমৰ দ্বাৰা যি মানুহ সিক্ত নহয়, তেওঁ মানৱজাতিৰ ক্ষতিসাধক, সেয়ে নহ'লেও তেওঁ অন্ততঃ কাৰো উপকাৰত নাহে, গতিকেই, যুদ্ধ কৰা ভুল, পাব্লিক স্কুলৰ শিক্ষা ঘৃণনীয়, শক্তিৰ প্ৰয়োগক প্ৰশংসা কৰা অনুচিত আৰু মানৱীয় সম্পৰ্কবিলাক এনে নিবিড় হোৱা উচিত যাতে তাৰ দ্বাৰা মানুহে মানুহৰ নিঃসংগতাৰ গোপনতম প্ৰদেশলৈ সোমাই যাব পাৰে আৰু সেই বিষয়ে আলোচনা কৰিব পাৰে।

"এই পাঁচটা মিনিটৰ ভিতৰত মই এটা সম্পূৰ্ণ বেলেগ মানুহ হৈ

পৰিলোঁ। কিছু সময়ৰ বাবে এটা মিষ্টিক পোহৰে মোক আবৰি ৰাখিলে। মোৰ অনুভৱ হ'ল, মই যেন বাটেদি যোৱা প্ৰতিজন মানুহৰ অন্তৰৰ গোপন কথা জানিব পাৰিছোঁ। ই এক ভ্ৰম হ'লেও, ইয়াৰ পিছৰ-পৰা মই মোৰ বন্ধু আৰু চিনাকি মানুহবিলাকৰ লগত আগতকৈ বহু বেছি পৰিমাণে ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম হলোঁ। মই আছিলোঁ এজন সাম্ৰাজ্যবাদী আৰু বুৱাৰ যুদ্ধৰ সমৰ্থক, কিন্তু পাঁচ মিনিটৰ ভিতৰতে মই হৈ পৰিলোঁ এজন শান্তিবাদী। কেবাবছৰো ধৰি যাথাৰ্থ্য (exactness) আৰু বিশ্লেষণৰ লগত ব্যস্ত হৈ থকাৰ পিছত সৌন্দৰ্যৰ প্ৰতি কিবা এক আধা-মিষ্টিক অনুভূতিৰে মোৰ মনটো ভৰি পৰিল; কণ কণ ল'ৰা-ছোৱালীবিলাকৰ প্ৰতি মোৰ আগ্ৰহ অত্যন্ত বাঢ়ি গ'ল আৰু মানৱীয় জীৱনটো সহনীয় কৰি তুলিবৰ বাবে বুদ্ধৰ দৰে এক গভীৰ দৰ্শন উদ্ভাৱন কৰাৰ আগ্ৰহ মোৰ মনত জাগি উঠিল। তীব্ৰ বেদনাৰে ভৰা এক তীব্ৰ উত্তেজনাই মোক আবৰি ৰাখিলে; সেই বেদনাক দমন কৰিব পৰা এক বিজয়ৰ অনুভূতিও মোৰ মনলৈ আহিল; কাৰণ, বেদনাক দমন কৰিব পৰা ক্ষমতাকে জ্ঞানৰ দুৱাৰ বুলি মই গণ্য কৰিছিলোঁ। মোক আবৰি ৰখা সেই মিষ্টিক অনুভূতিটো অৱশ্যে লাহে লাহে আঁতৰি গ'ল আৰু বিশ্লেষণৰ প্ৰভাৱ পুনৰ মূৰ ডাঙি উঠিল। কিন্তু সেই মুহূৰ্তত উদয় হোৱা অনুভূতিটোৰ কিয়দংশ মই এতিয়াও কঢ়িয়াই লৈ ফুৰিছোঁ। প্ৰথম মহাযুদ্ধ সম্পৰ্কে মোৰ যি মনোভাৱ, কণ কণ ল'ৰা-ছোৱালীবোৰৰ প্ৰতি মোৰ যি আগ্ৰহ, জীৱনৰ সৰু-সুৰা দুখ-দুৰ্দশাৰ প্ৰতি মোৰ যি উদাসীনতা, মানৱীয় সম্পৰ্কবিলাকৰ প্ৰতি মোৰ হৃদয়ত যি এটা আনুভূতিক সুৰ আছে, সেই সকলোবিলাকৰে মূল হ'ল মোৰ মনত তাহানিতে উদয় হোৱা মিষ্টিক মুহূৰ্তখিনি।"

এনেবিলাক বিবেচনাৰপৰা অনুমান হয়, ৰাছেলে আজীৱন ৰহস্য-বাদৰ বিৰোধিতা কৰি গৈছিল যদিও, ৰহস্যবাদৰ প্ৰভাৱৰপৰা তেওঁ হয়তো নিজকে সম্পূৰ্ণৰূপে মুক্ত কৰি ৰাখিব পৰা নাছিল। তেওঁ নিজেই হয়তো আছিল ৰহস্যবাদক ঘৃণা কৰা এজন বিশেষ ধৰণৰ ৰহস্যবাদী।

"মিষ্টিচিজম এণ্ড লজিক' নামৰ প্ৰবন্ধটোত ৰাছেলে তিনিবিধ দাৰ্শনিকৰ কথা উল্লেখ কৰিছে ; প্ৰথমবিধ হ'ল, যি বিজ্ঞানৰ অনুৰাগী, দ্বিতীয়বিধ হ'ল, যি ৰহস্যবাদৰ অনুৰাগী আৰু তৃতীয়বিধ হ'ল, যি বিজ্ঞান আৰু ৰহস্যবাদ দুয়োটাৰে প্ৰতি সমানে সহানুভূতিশীল। এই তৃতীয়বিধ দাৰ্শনিকৰ ভিতৰত ৰাছেলে হেৰাক্লিতাচ আৰু প্লেত'ক অন্তৰ্ভুক্ত কৰিছে। ৰাছেল নিজেও বোধকৰোঁ আছিল এই তৃতীয় শ্ৰেণীটোৰ অন্তৰ্ভুক্ত। তেওঁ এবাৰ লেখিছিল : "দাৰ্শনিক বুলি পৰিচিত মহান ব্যক্তিসকলে বিজ্ঞান আৰু ৰহস্যবাদ দুয়োটাৰে প্ৰয়োজনীয়তা অনুভৱ কৰে"। ৰাছেল নিজেও আছিল এজন মহান দাৰ্শনিক আৰু সেয়ে আজীৱন ৰহস্যবাদৰ বিৰোধিতা কৰি গ'লেও হেৰাক্লিতাচ আৰু প্লেত'ৰ নিচিনাকৈ তেৰোঁ হয়তো হৃদয়ৰ কোনোবা গোপন চুকত ৰহস্যবাদৰ আৱশ্যকতা বিজ্ঞানৰ সমানেই উপলব্ধি কৰিছিল। (১৯৭১)

স্পিন'জা

'The noblest and the most lovable of the great philosophers'

—বাৰ্ট্ৰাণ্ড ৰাছেল

বিনয়ী অথচ বিপ্লৱী ; নম্ৰ, মৃদুবাক, শিষ্টাচাৰী, অথচ প্ৰয়োজন সাপেক্ষে ইস্পাতৰ দৰে কঠিন আৰু অনম্য ; নিঃসংগ, পৰিয়াল-পৰিজনৰ দ্বাৰা পৰিত্যক্ত—আনকি নিগৃহীত ; অথচ সদাহাস্য, সদালাপী, 'বসুধৈৱ কুটুম্বকম্' দৰ্শনৰ অনুগামী ; ৰহস্যবাদ-প্ৰিয়, অথচ ধৰ্মীয় কুসংস্কাৰৰ আজীৱন শত্ৰু ; জীৱনকালত ধৰ্মদ্বেষী নাস্তিক বুলি নিন্দিত, অথচ পৰৱৰ্তী যুগত খ্যাত 'ঈশ্বৰমত্ত পুৰুষ' হিচাপে—স্পিন'জা বুলিলেই আমাৰ মানসপটত ভাঁহি উঠে চাৰিত্ৰিক নিৰ্মলতাত অনন্য, মানুহৰ মহত্ত্বত পৰম আস্থাশীল এগৰাকী শান্ত, সমাহিত, আলোকস্নিগ্ধ, ধ্যানীৰ ছবি, যাৰ প্ৰজ্ঞাৰ প্ৰখৰতাই সুখকৰ উত্তাপ দিয়ে, কিন্তু দগ্ধ নকৰে ; তেওঁৰ দৰ্শন যেন হৈমন্তী পুৱাৰ ৰ'দ, কিম্বা ই যেন শাৰদীয় সন্ধ্যাৰ চন্দ্ৰমা —যাৰ স্নিগ্ধতাই জ্ঞানাৰ্থীৰ মন কৰি তোলে তীৰ্থযাত্ৰীৰ দৰে প্ৰীত আৰু পৱিত্ৰ।

বিস্মিত হ'ব লাগে যে অপাপবিদ্ধ, আপোনভোলা এই পুৰুষগৰাকী ভূমিষ্ঠ হৈছিল এটা আঢ্যৱন্ত ব্যৱসায়ী পৰিয়ালত। অৱশ্যে মধ্যযুগৰ অভিমানী খৃষ্টানসকলৰ দ্বাৰা লাঞ্ছনাপুষ্ট আৰু দলনপিষ্ট ইহুদী বংশজাত আছিল তেওঁ। খৃষ্টীয় প্ৰথম শতিকাতে আদি মাতৃভূমি জেৰুজালেমৰ-পৰা খেদা খাই স্পেইন আৰু পৰ্তুগালৰ ধৰ্মগৰ্বী খৃষ্টান সম্প্ৰদায়ৰ অত্যাচাৰী অনুষ্ঠান 'ইন্‌কুইজিশ্যন্'-অৰপৰা বিচিত্ৰ হৃদয়-বিদীৰ্ণ অভিজ্ঞতা সঞ্চয় কৰি (ইন্‌কুইজিশ্যনে বলেৰে ইহুদীসকলক খৃষ্টান কৰাইছিল) স্পিন্'জাৰ পিতৃ-পিতামহে অৱশেষত শৰণ লৈছিলগৈ হলেণ্ডত। অবাধ প্ৰব্ৰজনৰ পৰিণামত হলেণ্ডৰ, বিশেষকৈ ইয়াৰ আমষ্টাৰ্ডাম চহৰৰ, বাট-পথ সেইকালত আকীৰ্ণ আছিল অগণন

বিতাড়িত ইহুদীৰে—যাৰ বহুতৰেই মুখচ্ছবি আজিও অমৰ হৈ ৰৈছে ৰেমব্ৰাণ্টৰ ৰমণীয় চিত্ৰাৱলীত।

খৃষ্টানসকলৰ শতিকাজোৰা নিষ্পেষণৰ প্ৰতিক্ৰিয়া হিচাপেই সম্ভৱতঃ য়ুৰোপত উপনিবিষ্ট ইহুদীসকলো সুবিধা পালেই হৈ পৰিছিল নিষ্পেষণ-কাৰী, আশ্চৰ্যজনকভাৱে গোড়া আৰু ৰক্ষণশীল; তেওঁলোকে সহ্য নকৰিছিল নিজৰ ধৰ্মীয় আচাৰ আৰু আচৰণৰপৰা স্বজাতিৰ তিলমানো চ্যুতি। সেয়েহে ইটালীৰপৰা ব'ৰলৈ ধৰা নৰন্যাসৰ দখিণা বতাহে এই সম্প্ৰদায়টোক সতকাই স্পৰ্শ কৰিব পৰা নাছিলহি। মুষ্টিমেয় যিসকল তৰুণক নৰন্যাসৰ অনুপ্ৰেৰণাই প্ৰাণিত কৰিছিল, চিত্ত-চাঞ্চল্যৰ অপৰাধত সেওঁলোকক বিহা হৈছিল সমুচিত দণ্ড। স্পিন'জা আছিল যেতিয়া আঠ বছৰীয়া শিশু, তেনে সময়তে উৰিয়েল এ কষ্টা নামৰ নৰন্যাসৰ বা' লগা এজন যুৱকে ইহুদীসকলৰ পৰজন্মৰ ধাৰণাক আক্ৰমণ কৰি এখন গ্ৰন্থ ৰচনা কৰে। দুৰ্বিনীত যুৱকৰ এনে ঔদ্ধত্যৰ শাস্তিস্বৰূপে ইহুদী 'চিনাগগ'-এ তেওঁক বাধ্য কৰাইছিল মাটিত শয়ন কৰিবলৈ, আৰু তেওঁৰ দৰ্প চূৰ্ণ কৰা হৈছিল ভূলুণ্ঠিত তেওঁৰ শৰীৰত চিনাগগৰ প্ৰতিজন সভ্যৰ অসভ্য গছকেৰে! অসহনীয় লাজ আৰু অপমানত জৰ্জৰিত হৈ যুৱক-গৰাকীয়ে আত্মহত্যা কৰে। সন্দেহ নাই, স্পিন'জাৰ সংবেদনশীল শিশুমনক এই নিৰ্মম ঘটনাই আন্দোলিত কৰিছিল গভীৰভাৱে।

স্পিন'জাৰ—বাৰুখ দি এস্পিন'জাৰ—জন্মস্থান আমষ্টাৰ্ডাম চহৰ; জন্ম তাৰিখ ২৪ নৱেম্বৰ, ১৬৩২ চন। ছাত্ৰাৱস্থাত হিব্ৰু সাহিত্য আৰু ইহুদী ধৰ্মশাস্ত্ৰত তেওঁ বিশেষ ব্যুৎপত্তি দেখুৱাইছিল। অ'ল্ড আৰু নিউ—দুয়োখন টেষ্টামেণ্ট হজম কৰাৰ পিছত তেওঁ পঢ়িবলৈ লৈছিল সিবিলাকৰ অনুপুংখ ব্যাখ্যা সম্বলিত বিৰাটকায় টীকাগ্ৰন্থ—'টালমুদ'। তেওঁৰ চিৰ-সন্ধিৎসু মন তাতেই ক্ষান্ত থকা নাছিল: তেওঁ আৰম্ভ কৰিছিল মাইম'নাইডিচ, লেভি বেন জাৰ্চন, ইবুন ইজ্ৰা, ইব্‌ন জেবিৰল, হাচ্‌ডাই ক্ৰেস্কাচ প্ৰমুখ্যে ইহুদী শাস্ত্ৰজ্ঞসকলৰ লেখনী-অধ্যয়নো।

বণিক-পুত্ৰ হৈয়ো জ্ঞান-সমুদ্ৰৰ তলিৰপৰা মণি-মুক্তা সংগ্ৰহত এনেদৰে আগ্ৰহী কিশোৰ স্পিন'জা আছিল ইহুদী সম্প্ৰদায়ৰ নয়নৰ মণি। অগ্ৰজসকলে ভাবিছিল, স্পিন'জা তেওঁলোকৰ ধৰ্মীয় আকাশৰ এক নৱোদিত তাৰকা, এক নৱজাত মাইম'নাইডিচ,—যি অৱহেলিত ইহুদী ধৰ্মৰ গৌৰৱ মানৱ-সমাজত ন-কৈ প্ৰতিষ্ঠা কৰিব। তেওঁলোকে পাহৰিছিল যে অত্যধিক জ্ঞানে মানুহক কৰি তোলে অভক্ত, অবিশ্বাসী; তেওঁলোকে পাহৰিছিল সেই বিখ্যাত উক্তি—"The first sip from the cup of knowledge brings us away from God." জ্ঞান-বৃক্ষৰ সুস্বাদু ফলৰ আস্বাদ পাই স্পিন'জা যে ইতিমধ্যেই তলে তলে 'নষ্ট' হৈছিল, ভ্ৰষ্ট হৈছিল ইহুদী ধৰ্মৰপৰা—এই কথাৰ গম তেওঁলোকে পোৱা নাছিল। হব্‌ন জেবিৰলৰ দৰ্শনত নিহিত বিশ্ব আৰু বিশ্বকৰ্মাৰ তাদাত্ম্য সম্পৰ্কই স্পিন'জাক মুগ্ধ কৰিছিল: 'বস্তু-জগত হ'ল ভগৱানৰ শৰীৰ'—হাচ্‌ডাই ক্ৰেস্কাচৰ এই ঘোষণাত বিস্মিত হৈছিল তেওঁ; মাইম'নাইডিচৰ 'বিমূঢ়ৰ দিগদৰ্শন' গ্ৰন্থই তেওঁক দিশ দেখুওৱাতকৈ বৰং কৰি তুলিছিল বিমূঢ়তৰ। দৰ্শনৰ উত্তাপত তেওঁৰ স্থিৰ পূৰ্ব-নিৰ্দিষ্ট ধ্যান-ধাৰণাসমূহ ক্ৰমাৎ গলি পৰিছিল—গলমান এচপৰা বৰফৰ দৰে।

সি যিয়েই কি নহওক, মনৰ গোপন বাতৰি মনতে ৰাখি স্পিন'জাই এতিয়া লাটিন পঢ়িবলৈ ল'লে। তেওঁ হিব্ৰু শিকিছিল ইহুদী বংশধৰ হিচাপে, দেউতাকৰপৰা শিকিছিল পৰ্তুগীজ, স্কুলত কৈছিল স্পেনিচ্ আৰু চুবুৰীয়াৰ লগত কথা পাতিছিল ওলন্দাজ ভাষাত; তদুপৰি, জেৰেমিয়াহ ফেল্‌বিংগাৰ নামৰ এগৰাকী শিক্ষকৰ অধীনত জাৰ্মান, ইটালিয়ান, আনকি ফৰাচী ভাষাও তেওঁ কিছু কিছু আয়ত্ত কৰিছিল। বস্তুতঃ, ইতিমধ্যেই তেওঁ হৈ পৰিছিল এজন ক্ষুদ্ৰ ভাষাবিদ। তেওঁৰ লাটিনৰ শিক্ষাগুৰু আছিল ফ্ৰান্সিচ ভান ডেন এণ্ডে। প্ৰতিভাবান, [illegible] সংশয়বাদী এই শিক্ষকগৰাকী আছিল একাধাৰে কৱি, নাট্যক[illegible] ভাষাবিদ (যদিও তেওঁ একসময়ত প্ৰশিক্ষণ লৈছিল চিকিৎসাবি[illegible] পিছলৈ তেওঁৰ মুক্ত চিন্তাই ফৰাচী সম্ৰাট চতুৰ্দশ লুইক [illegible]

বিৰক্ত কৰিছিল যে তেওঁ ডেন এণ্ডেক পুৰস্কৃত কৰিবলগীয়া হৈছিল মৃত্যুদণ্ডেৰে।

লাটিন অধ্যায়নৰ কালছোৱাত স্পিন'জাৰ সহপাঠিনী আছিল শিক্ষাগুৰুৰে এজনী গাভৰু জীয়েক। স্বভাৱতে, সদ্য-যৌৱনপ্ৰাপ্ত স্পিন'জাই গুৰুকুলত কেৱল লাটিন শিক্ষাতেই তেওঁৰ অধ্যয়ন আবদ্ধ কৰি নাৰাখিলে ; তেওঁ শিকিলে নাৰীৰ প্ৰেমো। কিন্তু গুৰুকন্যা আছিল সম্ভৱতঃ জ্ঞান-বস্তুতকৈয়ো ধন-বস্তুৰ প্ৰতিহে অধিক আগ্ৰহিণী। গতিকে. স্পিন'জাক প্ৰেমৰ শিক্ষা দিয়াত যদিও তেওঁৰ আপত্তি নাছিল, প্ৰেম দিয়াত তেওঁ কিন্তু কুণ্ঠা দেখুৱালে। তেওঁ পছন্দ কৰিলে স্পিন'জাকৈয়ো অধিক বিত্তশালী কাৰ্কেৰিং নামৰ আন এজন ব্যক্তিকহে। এই ঘটনাৰ ফলত বিশ্বই হেৰুৱালে এজন কিশোৰ প্ৰেমিক. কিন্তু প্ৰতিদানত লাভ কৰিলে এগৰাকী ধ্যানমগ্ন দাৰ্শনিকক।

জিজ্ঞাসাৰ মন্দিৰ'ত স্পিন'জা এতিয়া মত্ত হ'ল। কেৱল বেদনাবিধুৰ হৃদয় নিৰ্ভাৰ কৰাৰ আগ্ৰহেই নহয়, জ্ঞানৰ নিঃস্বাৰ্থ অন্বেষায়ো দুৰ্বাৰ বেগেৰে তেওঁক ধাৱিত কৰালে পৰিভাষা-কণ্টকিত দৰ্শনৰ দুৰধিগম্য ৰাজ্যলৈ। এইবাৰ তেওঁ আৰম্ভ কৰিলে অনা-ইহুদী পণ্ডিতসকলৰ দৰ্শন-চৰ্চা। গ্ৰীক দৰ্শন তেওঁ মন্থন কৰিলে ; পুলকিত হ'ল দিম'ক্ৰিতাচ, এপিকিউৰাচ, পাৰ্মেনাইডিচ, প্লেত'ৰ লেখনীৰ দ্বাৰা। ষ্টইক দৰ্শনে তেওঁৰ অন্তৰত বহুৱালে মচিব নোৱাৰা সাঁচ। তেওঁ পঢ়িবলৈ ল'লে মধ্যযুগীয় দাৰ্শনিকসকলৰ লগতে দৰ্শনৰ অমৰ শ্বহীদ জিঅ'ৰ্ডান' ব্ৰুন' (বিধৰ্মী বুলি এসময়ত যাক নিক্ষেপ কৰা হৈছিল জলন্ত অগ্নিকুণ্ডত) ; ব্ৰুন'ৰ সৰ্বেশ্বৰবাদী দৰ্শনে গভীৰভাৱে প্ৰভাৱিত কৰিলে তেওঁক। তেওঁ অধ্যয়ন কৰিলে নৱন্যাসৰ পৰিবেশত উদ্ভুত ক'পাৰ্নিকাচ, গেলিলিঅ', কেপলাৰ আদিৰ বৈজ্ঞানিক-দাৰ্শনিক কাৰ্যাৱলী—যি তেওঁক কৰি তুলিলে গণিত আৰু বিজ্ঞানৰ আজীৱন প্ৰেমিক। বৃটিছ দাৰ্শনিকসকলৰ লেখনীও তেওঁ অধ্যয়ন কৰিছিল আৰু হব্চ্-এ তেওঁক আনকি প্ৰভাৱিতো কৰিছিল। সৰ্বশেষত, আৰু সৰ্বাধিকভাৱে—তেওঁৰ ওপৰত প্ৰভাৱ

পেলাজে আধুনিক য়ুৰোপীয় দৰ্শনৰ জনক বেনে' দেকাৰ্ত-এ। দেকাৰ্তৰ দৰে—বস্তুতঃ তৎকালীন য়ুৰোপৰ প্ৰায়বোৰ মহাদেশীয় দাৰ্শনিকৰ দৰে—তেৱোঁ আছিল যুক্তিবাদী (অৰ্থাৎ তেৱোঁ ভাবিছিল যে জ্ঞান অভিজ্ঞতা-পূৰ্বিক, যে অভিজ্ঞতাৰ সহায় নোলোৱাকৈ, মানৱ-মনত নিহিত বিশুদ্ধ যুক্তিৰ দ্বাৰাই, জগতখন বুজা সম্ভৱ); কিন্তু তেওঁক বিশেষভাৱে আকৰ্ষণ কৰা নাছিল cogito ergo sum—এই সূত্ৰেৰে আৰম্ভ হোৱা দেকাৰ্তৰ যুক্তিবাদী চিন্তা-চৰ্চাই (য'ৰপৰা সূত্ৰপাত হৈছিল একালে মহাদেশীয় যুক্তিবাদীসকল, আনফালে লক, বাৰ্ক্‌লে, হিউম প্ৰমুখ্যে বৃটিছ অভিজ্ঞতাবাদীসকলৰ শতিকাজোৰা বৌদ্ধিক সমৰ আৰু যাৰ সাময়িকভাৱে সন্ধি ঘটিছিল কাণ্টৰ দৰ্শনত)। তেওঁ আকৰ্ষিত হৈছিল পদাৰ্থৰ সকলো ৰূপৰ অন্তৰালত—মনৰো বিভিন্ন ৰূপৰ অন্তৰালত থকা বুলি দেকাৰ্ত্-কথিত দুবিধ 'সাৰাৎসাৰ'ৰ (substance) ধাৰণাত। তেওঁ স্থিৰ কৰিছিল, দুয়োবিধ সাৰাৎসাৰকে একীকৃত কৰাই হ'ব এতিয়া তেওঁৰ সাৰস্বত জীৱনৰ ব্ৰত।

পূৰ্বজসকলৰ দুৰ্গম দৰ্শন-জগত অতিক্ৰম কৰি, তেওঁলোকৰ বিচিত্ৰ চিন্তাৱলী হৃদয়ঙ্গম কৰি লৈ নিজাকৈ এখন ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ স্পিন'জা যেতিয়া উদ্যত হৈছিল, তেতিয়া তেওঁ আছিল কৈশোৰৰ দুৱাৰ-ডলি মাথোঁ পাৰ হোৱা একুৰি চাৰি বছৰীয়া এটি সদ্য-যুৱক। কিন্তু জ্ঞান-বৃদ্ধ স্পিন'জাৰ 'মতিভ্ৰম'ৰ কাহিনী ইতিমধ্যেই সমাজত প্ৰচাৰিত হৈছিল। সেয়েহে ইহুদীসকলৰ ধৰ্মীয় আদালত চিনাগগত তেওঁ শীঘ্ৰে হাজিৰ হ'বলগীয়া হ'লগৈ। 'হয়নে, তেওঁ হেনো কৈ ফুৰিছে যে অ'ল্ড টেষ্টামেণ্টত অমৰত্বৰ কোনো উল্লেখ নাই? যে আত্মা জীৱনৰেই নামান্তৰ? যে দেৱদূতবৃন্দ মাথোন ভ্ৰমহে? যে ঈশ্বৰৰো এটা শৰীৰ থাকিব পাৰে?' এই প্ৰশ্নবোৰৰ তেওঁ কি উত্তৰ দিলে আমি নাজানোঁ; কিন্তু জানো যে তেওঁক জৰিমনা কৰা হ'ল পাঁচশ পাউণ্ড, সঁকিয়াই দিয়া হ'ল এনে সৰ্বনাশী মত ভৱিষ্যতে সমাজত প্ৰচাৰ নকৰিবলৈ। স্পিন'জাই জানিছিল চিনাগগৰ বিৰুদ্ধাচৰণৰ পৰিণাম কেনে হ'ব পাৰে; উৰিয়েল এ কষ্টাৰ

আদৰ্শ তেওঁৰ চকুৰ আগতে আছিল। তথাপি, স্পিন'জা—নিজ মতত অচল, আত্ম-প্ৰত্যয়ী স্পিন'জা-এনে প্ৰস্তাৱত ৰাজী হ'বলৈ অমান্তি হ'ল। ভৱিষ্যতৰ উজ্জ্বল তাৰকাটিৰ এনে গোঁৰৱামিয়ে চিনাগগকো বেছ বিপাণ্ডত পেলাইছিল নিশ্চয়। শুনা যায়, ধনৰ টোপোলাৰে তেওঁৰ মুখ বন্ধ কৰিবলৈও এবাৰ গোপন চেষ্টা চলোৱা হৈছিল। কিন্তু এই গোপন চুক্তিও তেওঁ নাকচ কৰিলে। অৱশেষত, অনেক গুণা-গঁথাৰ পিছত চিনাগগে স্থিৰ কৰিলে গোঁৱাৰ-গোৱিন্দ এই অবাধ্য যুৱকজনক ধৰ্ম আৰু জাতিচ্যুত কৰিবলৈকে। তেওঁক মাতি অনা হ'ল ধৰ্মপীঠলৈ আৰু তেওঁক ধৰ্মচ্যুতি, জাতিচ্যুতিৰ অভিশাপ দিয়া হ'ল এনে ধৰণে :

"...তেওঁ দিনত অভিশপ্ত হওঁক, অভিশপ্ত হওঁক ৰাতি ; শায়িত অৱস্থাত অভিশপ্ত হওঁক, অভিশপ্ত হওঁক উত্থিত অৱস্থাত ; গমন কালত অভিশপ্ত হওঁক, অভিশপ্ত হওঁক আগমন কালত ; ভগৱানে যেন তেওঁক কাহানিও ক্ষমা নকৰে আৰু গ্ৰহণ নকৰে আপোন বুলি ; ভগৱানৰ ৰোষ আৰু অসন্তুষ্টয়ে যেন দগ্ধ কৰে তেওঁক ; ধৰ্মগ্ৰন্থত উক্ত সমস্ত শাস্তিৰে তেওঁ যেন ভাৰাক্ৰান্ত হয় ; আকাশৰ তলৰপৰা যেন নিঃচিহ্ন হয় তেওঁৰ নাম......

"...এতিয়াৰপৰা কোনেও তেওঁৰ লগত সম্পৰ্ক নাৰাখিব মুখেৰে, সম্পৰ্ক নাৰাখিব লেখনীৰে ; কোনেও সহায় নকৰিব তেওঁক, বাস নকৰিব একেখন চালিৰ তলত, নপঢ়িব তেওঁৰ লেখা কোনো কিতাপ-পত্ৰ।.. "

স্পিন'জাৰ বাবে—আমাৰ বাবেও—স্মৰণীয় এই দিনটো আছিল ২৭ জুলাই, ১৬৫৬ চন। নিতাল, গাম্ভীৰ্যপূৰ্ণ পৰিবেশত গুৰু-গম্ভীৰ উচ্চাৰণেৰে যাজকে অভিশাপৰ এই মন্ত্ৰাৱলী ধৰ্মধাৰী পুৰোহিতে স্পিন'জাক যেতিয়া মাতি শুনাইছিল, তেতিয়া ধৰ্মপীঠৰ নীৰৱতা হেনো বৃদ্ধি কৰিছিল করুণ সুৰে বাজি থকা এটা পেঁপাই ; প্ৰথা অনুসাৰে কোঠাটোৰ চাকি এটা এটাকৈ নুমাই দিয়া হৈছিল আৰু এটা সময়ত এন্ধাৰ হৈ পৰিছিল চৌদিশ।

তৰুণ দাৰ্শনিকগৰাকীয়ে শান্তভাৱে এই শাস্তি গ্ৰহণ কৰিলে ; কিন্তু

তাকন্যাৰ স্বাভাৱিক সংগকামিতাই দুঃসহভাৱে করুণ কৰি তুলিলে তেওঁৰ অন্তৰংগ জীৱন। প্ৰেয়সীয়ে ইতিমধ্যেই ত্যাগ কৰিছিল তেওঁক, দেউ-তাকৰ মৃত্যু হৈছিল দুবছৰ পূৰ্বে, মাক ঢুকাইছিল তেওঁৰ দহ বছৰ বয়সতে; জাতিচ্যুত হোৱাৰ ভয়ত এতিয়া তেওঁক ত্যাগ কৰিলে তেওঁৰ নিকট আত্মীয়বৃন্দয়ো। তেওঁ বুজিলে, সত্য-সন্ধানৰ অভিযানত এতিয়াৰপৰা নিঃসংগতাই হ'ব তেওঁৰ একমাত্ৰ সংগী, আৰু এনে পৰিস্থিতিৰ সন্মুখীন হ'বলৈ এতিয়া তেওঁ সাহস গোটাব লাগিব; সাহস গোটাব লাগিব বহিঃ পৰিস্থিতিৰ সন্মুখীন হ'বলৈও, কাৰণ ধৰ্ম-উন্মাদীৰ দলে এতিয়া তেওঁৰ পাছ ল'ব। (স্পিন'জাৰ বক্তেৰে ইহুদী ধৰ্ম ধৌত কৰিবলৈ এই দলৰ এগৰাকী সভ্যই এবাৰ চেষ্টাও চলাইছিল; কিন্তু ডিঙিৰ সামান্য আঘাতৰ বাহিৰে সেই যাত্ৰাত তেওঁ কথমপি ৰক্ষা পৰিল।) ধৰ্মনিষ্ঠ দুৰ্বৃত্তৰ হাতত শ্বহীদ হ'বলৈ অমান্তি হৈ তেওঁ ঘৰ এৰি গুচি আহিল, গুচি আহিল চহৰ এৰিও, আৰু বাস কৰিবলৈ ল'লে আমষ্টাৰ্ডাম চহৰৰ উপকণ্ঠৰ অৱেৰকাৰ্ক নামে এখন গাঁৱৰ খৃষ্টান পৰিয়াল এটাৰ ভাৰাতীয়া হিচাপে। ইয়াতেই তেওঁ তেওঁৰ নামৰ লাটিনকৰণ কৰে বাৰুখ দি এস্পিন'জাৰপৰা বেনি-ডিক্টাচ দি স্পিন'জালৈ।

কিন্তু কেৱল জ্ঞানাৰ্জনেই তো মানুহক জীয়াই নাৰাখে! তাৰ বাবেও লাগে মোটা ভাত আৰু মোটা কাপোৰ। সেয়ে জীৱিকাৰ বাবে স্পিন'জাই এতিয়া শিক্ষকতা কৰিবলৈ ল'লে তেওঁৰ প্ৰাক্তন শিক্ষাগুৰু ভান ডেন এণ্ডেৰ শিক্ষালয়ত। কিন্তু সোনকালেই তেওঁ সেই কাম এৰি পেলায় আৰু জীৱন-নিৰ্বাহৰ উপায় হিচাপে বাছি লয় লে'ন্স্ নিৰ্মাণ কাৰ্য। পৰৱৰ্তীকালত তেওঁৰেই সধৰ্মী মাৰ্ক্সৰ দ্বাৰা বিশেষভাৱে গুৰুত্ব আৰোপিত মানসিক আৰু কায়িক শ্ৰমৰ সমন্বয় তেওঁ ঘটাইছিল এইদৰেই। ১৬৬০ চনত গৃহস্বামী ডাক্তৰ হাৰ্মেন হ'মেনৰ সৈতে তেওঁ বসতি স্থানান্তৰিত কৰে লে'ডেন চহৰৰ দাঁতি-কাষৰীয়া ৰিন্‌জবাৰ্গ বোলা এটা অঞ্চললৈ (য'ত তেওঁৰ স্মৃতি আজিও বিৰাজমান)।

ৰিন্‌জবাৰ্গত থকা বছৰ পাঁচোটা আছিল স্পিন'জাৰ বাবে ধ্যানৰ

কাল ; প্ৰাত্যহিক জীৱন আছিল বৈচিত্ৰ্যহীন, শান্ত আৰু নিৰিবিলি। বস্তুতঃ অধ্যয়ন, মনন আৰু লেখনতেই তেওঁ প্ৰতিদিন ব্যয় কৰিছিল। লে'ন্স্ নিৰ্মাণতকৈয়ো তেওঁ অধিক আগ্ৰহী আছিল দৰ্শনৰ তত্ত্ব-নিৰ্মাণত। লেটা পকোৱা পলুৰ দৰে, কিম্বা জীৱনীকাৰৰ ভাষ্যত—'এডাল কুণ্ডলীকৃত সাপৰ দৰে'—তেওঁ নিজকে এনেদৰে বৃত কৰি ৰাখিছিল যে কেতিয়াবা একেৰাহে দিনদিয়েক ধৰি একমাত্ৰ পাচক-ভৃত্যৰ বাহিৰে, বহিৰ্জগতৰ আন কাৰো সৈতে সম্পৰ্ক নাৰাখিছিল তেওঁ। বৃত হ'লেও, বিবিক্ত হ'লেও, তেওঁ কিন্তু বিষণ্ণ নাছিল। পৰ্তুগীজ বংশসূত্ৰে লাভ কৰা তেওঁৰ ঈষৎ-কৃষ্ণ, শমিত মুখমণ্ডলৰপৰা বিচ্ছুৰিত হৈছিল পৰমানন্দ। যিটো সাধাৰণতে দেখা নাযায়, নামৰ লগত তেওঁৰ চৰিত্ৰৰ মিল আছিল (বেনিডিক্ট শব্দৰ ইংৰাজী অৰ্থ হ'ল blessed)। জ্ঞান-তপস্যা আছিল তেওঁৰ বিমল আনন্দৰ উৎস। "বোধিবৃক্ষৰপৰা সংগৃহীত ফল যদিও কেতিয়াবা অবাস্তৱ যেন পাওঁ, তথাপি সন্তুষ্টি ব্যতিৰেকে ই মোক আন একোৱেই নিদিয়ে। কাৰণ, সংগ্ৰহতেই মই সুখী। মই জীৱন অতিবাহিত কৰিব খোজোঁ, দুখ আৰু দীৰ্ঘশ্বাসত নহয়, বৰং শান্তি, অনুদ্বেগ আৰু আনন্দত।"—তেওঁ নিজেও কৈছিল। প্ৰসংগান্তৰত দৰ্শন-অধ্যায়নৰ সম্পৰ্কে কাৰণ তেওঁ লেখিছিল :

"মই দৃঢ়বদ্ধ হৈছিলোঁ, পৰম আনন্দ অবিৰতভাৱে কেনেকৈ লাভ কৰিব পাৰি, তাৰ সন্ধান কৰিবলৈ। ···মই দেখিছিলোঁ, সম্পত্তি-সঞ্চয়ো সুখৰ এবিধ উপায়। কিন্তু ইয়াকো দেখিছিলোঁ যে ই যিমানেই বেছিকৈ সঞ্চিত হয়, মানুহৰ আকাংক্ষাও সিমানেই বাঢ়ে আৰু আকাংক্ষা হত হ'লেই পোৱা যায় গভীৰতম দুখ। খ্যাতিৰপৰা উদ্ভূত সুখৰো এই কাৰোণ আছে যে ইয়াক পোৱা যায় লোক-ৰুচিৰ তুষ্টিত। খ্যাতিৰ বাবে কৰিব লগা হয় কেৱল মানুহৰ প্ৰিয় কাম আৰু সযতনে এৰিব লগা হয় তেওঁলোকৰ অপ্ৰিয় কামসমূহ।······কিন্তু জ্ঞানৰ প্ৰতি—শাশ্বত, অনন্ত বস্তুৰ প্ৰতি—প্ৰেমে মানুহক যি আনন্দ দিয়ে, সি সৰ্বতোপ্ৰকাৰ দুখৰ পৰা মুক্ত।"

ই যেন ঠিক গীতাৰ বাণী—'জ্ঞানং লব্ধা পৰাং শান্তিমচিৰেণাধিগচ্ছতি।' স্পিন'জা নিজেও আছিল 'দুঃখেষু অনুদ্বিগ্নমনা, সুখেষু বিগতস্পৃহা' গীতাৰ স্থিতধী মুনিৰ দৰে। সংসাৰ-যাত্ৰাৰ বিধি-বিধানৰ প্ৰতি তেওঁ আছিল উদাসীন, তেওঁৰ পৰিচ্ছদত পাৰিপাট্যৰ ইমানেই অভাৱ আছিল যে তেওঁৰ দৰ্শনাৰ্থী এগৰাকী নগৰপালকে তাৰ বাবে তেওঁক মৃদু ভৰ্ৎসনা কৰিছিল আৰু উপহাৰ দিব খুজিছিল এজোৰ সুন্দৰ পোছাক। কিন্তু নগৰ-পালকৰ উৎসাহত বাধা দি তেওঁ কৈছিল এইদৰে, "কম মূল্যৰ কিম্বা মূল্যহীন বস্তুক মূল্যবান আৱৰণেৰে আচ্ছাদিত কৰাৰ নো যুক্তি ক'ত?" স্পিন'জা ভোগী নাছিল; সেই বুলি গ্ৰীচৰ ষ্টইকসকলৰ বা ভাৰতৰ ভিক্ষুসকলৰ দৰে কৃচ্ছ্ৰসাধকো তেওঁ নাছিল। "বিশৃংখল বা জধলা পোছাকেই আমাক ঋষি কৰি নোতোলে" —আন এক প্ৰসংগত তেওঁ কৈছিল। তেওঁৰ মনটো আছিল কাৰুণ্য-ভৰা আৰু কোমল; কিন্তু প্ৰয়োজন অনুসাৰে কঠিনো হ'ব পাৰিছিল তেওঁ। তেওঁ জাতিচ্যুত হোৱাৰ সুবিধা লৈ তেওঁৰ একমাত্ৰ সতিয়ৈ ভনীয়েকে এবাৰ আত্মসাৎ কৰিব খুজিছিল পৰিয়ালৰ সমস্ত সম্পত্তি। কিন্তু বিষয়-উদাসীন হৈয়ো স্পিন'জাই মোকৰ্দমা তৰিলে। বিচাৰত তেওঁ জয়ীও হ'ল। কিন্তু সম্পত্তি তেওঁ গ্ৰহণ নকৰিলে, পুনৰ ভনীয়কক তেওঁ দান কৰিলে সেই সম্পত্তি।

ৰিন্‌জবাৰ্গলৈ গৈয়েই স্পিন'জাই ৰচনা কৰিছিল মানুহ আৰু ঈশ্বৰ বিষয়ক এখন চুটি গ্ৰন্থ (A Short Treatise on God, Man and His Nature)। ওলন্দাজ ভাষাত লেখা (সম্ভৱতঃ অনূদিত, কাৰণ তেওঁ সকলোবোৰ গ্ৰন্থই লেখিছিল লাটিনত) এই গ্ৰন্থখন কিন্তু উদ্ধাৰ হৈছিল তেওঁৰ মৃত্যুৰ পঁয়সত্তৰ বছৰৰ পিছতহে। ১৬৬৩ চনত তেওঁ প্ৰকাশ কৰে কাৰ্তেজীয় দৰ্শন সম্পৰ্কীয় আন এখন গ্ৰন্থ (The Principles of Cartesian Philosophy)। ইয়াৰ সাত বছৰৰ পিছত তেওঁ ছপাই উলিয়ায় ধৰ্ম আৰু ৰাষ্ট্ৰ সম্পৰ্কীয় আৰু এখন গ্ৰন্থ (A Treatise on Religion and State)। গ্ৰন্থখন অৱশ্যে নিষিদ্ধ বুলি লগে লগেই ঘোষিত হয়

আৰু বিনা নামে প্ৰকাশ কৰা সত্ত্বেও স্পিন'জাও প্ৰসিদ্ধ হৈ পৰে 'ধৰণীৰ বিধৰ্মীতম নাস্তিক' হিচাপে। (বেটুপাত সলনি কৰি এখন চিকিৎসা-বিষয়ক গ্ৰন্থ বুলি কিতাপখন সংগোপনে প্ৰচাৰ কৰা হৈছিল; নিষিদ্ধ বস্তুৰ নিচাই পঢ়ুৱৈকো এনেদৰে মত্ত কৰিছিল যে মাহচেৰেকৰ ভিতৰতে মুদ্ৰিত হৈছিল ইয়াৰ একাধিক সংস্কৰণ।)

জীৱন-কালত স্পিন'জাৰ প্ৰকাশিত গ্ৰন্থ আছিল মাত্ৰ এই দুখনেই। তদুপৰি তেওঁ লেখিছিল বুদ্ধিৰ উৎকৰ্ষ সম্পৰ্কীয় এখন পুস্তিকা (On the Improvement of the Intellect), ৰামধনু সম্পৰ্কীয় এটি বৈজ্ঞানিক নিবন্ধ (A Treatise on Rainbow) ৰাজনীতি সম্পৰ্কীয় এখন আধৰুৱা কিতাপ (A Treatise on Politics), সম্ভাৱনা তত্ত্ব সম্পৰ্কীয় এখন গ্ৰন্থ (The Calculation of Chances) আৰু হিব্ৰু ভাষাৰ এখন ব্যাকৰণ। কিন্তু তেওঁৰ জীৱনৰ মহত্তম কীৰ্তি হ'ল "নীতিশাস্ত্ৰ" (Ethics Geometrically Demonstrated)। এই গ্ৰন্থখন তেওঁ সম্পূৰ্ণ কৰিছিল ১৬৬৫ চনতে; কিন্তু ইয়াক প্ৰকাশ কৰাৰ সাহস তেওঁৰ হোৱা নাছিল। ১৬৬৮ চনত এনে ধৰণৰ এখন গ্ৰন্থ প্ৰকাশ কৰাৰ অপৰাধত আড্ৰিয়েন কয়েৰবাখ নামে এজন লোকক কাৰাদণ্ড বিহা হৈছিল দহ বছৰ (যদিও ওঠৰ মাহৰ পিছত কাৰাগাৰৰ ভিতৰতে তেওঁৰ দেহাৱসান ঘটে)। অৱশেষত পৰিস্থিতি অনুকূল হোৱা বুলি ভাবি ১৬৭৫ চনত গ্ৰন্থখনৰ প্ৰকাশৰ দিহা কৰিবৰ বাবে তেওঁ যেতিয়া আমষ্টাৰ্ডামলৈ যায়, তেতিয়া জনৰৱ ওলাল— স্পিন'জাই হেনো প্ৰকাশ কৰিব এনে এখন গ্ৰন্থ য'ত ঈশ্বৰক হত্যা কৰা হৈছে, নিৰ্বাসিত কৰা হৈছে ধৰ্মক। এপাল চিকাৰী কুকুৰৰ দৰে ধৰ্ম-যাজকসকলে তেওঁক ধৰিবলৈ ছেগ চাই আছে বুলি শুভাকাংক্ষীবৃন্দই তেওঁক বাতৰি দিয়াত তেওঁ অৱশেষত জীৱন-কালত গ্ৰন্থখন প্ৰকাশ নকৰাটোকে স্থিৰ কৰিলে। ই প্ৰকাশিত হয় তেওঁৰ মৃত্যুৰ বছৰত (১৬৭৭ চনত), অন্যান্য প্ৰায়বোৰ মৰণোত্তৰ প্ৰকাশৰ লগতে।

স্পিন'জা আছিল জ্ঞানৰ আচহুৱা সমুদ্ৰৰ এক নিঃসংগ নাৱিক। কিন্তু লেখনীৰ মাধ্যমেৰেই তেওঁ পৰিচিত হৈছিল সমকালীন বিভিন্ন

য়ুৰোপীয় পণ্ডিতৰ লগত। তেওঁৰ সৈতে পত্ৰালাপ কৰা লোকসকলৰ ভিতৰত আছিল হলেণ্ডৰ বিজ্ঞানী-প্ৰৱৰ ক্ৰিষ্টিয়ান হাইজেন্স, ইংলণ্ডৰ 'ৰয়েল ছোচাইটি'ৰ সম্পাদক হেনৰি অ'ল্ডেনবাৰ্গ, ইংৰাজ বিজ্ঞানী ৰবাৰ্ট বইল, জাৰ্মানীৰ তৰুণ বিজ্ঞানী ফন ৎছিৰ্ণহাউচ, আৰু জাৰ্মানীৰ অসামান্য দাৰ্শনিক প্ৰতিভা ৱীলহেল্ম্‌ লাইবনিৎচ। (পোহৰ বিজ্ঞানত স্পিন'জাৰ পাণ্ডিত্যৰ কথা শুনি ১৬৭১ চনত লাইবনিৎচে মতামতৰ বাবে তেওঁলৈ পঠিয়াই দিছিল নিজৰ পোহৰ সম্পৰ্কীয় এখন গ্ৰন্থ; ১৬৭৬ চনত তেওঁ স্পিন'জাক ব্যক্তিগতভাৱে এবাৰ সাক্ষাতো কৰিছিল।) তেওঁৰ অন্তৰংগ বন্ধুবৃন্দৰ ভিতৰত আছিল দি হে'গ চহৰৰ এগৰাকী চিকিৎসাবিদ লুই দি মেয়াৰ, হলেণ্ডৰ মুখ্য ন্যায়াধীশ য়ান দি ৱীট আৰু আমষ্টাৰ্ডাম চহৰৰ এগৰাকী সম্ভ্ৰান্ত সাউদ চাইমন দি ফ্ৰাইচ। শেষোক্ত ব্যক্তিগৰাকী স্পিন'জাৰ ইমানেই গুণমুগ্ধ আছিল যে তেওঁ স্পিন'জাক অনুৰোধ কৰিছিল এহেজাৰ পাউণ্ডৰ এটা দান গ্ৰহণ কৰিবলৈ; কিন্তু স্বভাৱসিদ্ধ-ভাৱেই স্পিন'জাই এই দান প্ৰত্যাখ্যান কৰে। তেওঁৰ মৃত্যুৰ পিছত সমস্ত সম্পত্তি স্পিন'জাকে দি যাবলৈ বণিকগৰাকীয়ে যেতিয়া ইচ্ছা কৰিলে, তেতিয়া স্পিন'জাই তেওঁক সকাতৰে অনুৰোধ কৰিলে যাতে তেওঁৰ সলনি তেওঁৰ (বনিকজনৰ) ভায়েকক সেই সম্পত্তি তেওঁ দান কৰে। বৈভৱ-বিৰাগী দাৰ্শনিকগৰাকীক জীৱন-কালত সৈমান কৰাব নোৱাৰি বণিকজনে যেতিয়া তেওঁৰ মৃত্যুৰ পিছত স্পিন'জাই বছৰি আঢ়ৈশ পাউণ্ডকৈ পোৱাৰ ব্যৱস্থা কৰি থৈ গ'ল, তেতিয়া উপায় নাপাই তেওঁ ৰাজী হ'ল অৱশেষত বছৰি মাত্ৰ ডেৰশ পাউণ্ডকৈ লবলৈহে! তেওঁৰ বন্ধু য়ান দি ৱীটেও হলেণ্ডৰ ৰাজভঁৰালৰ পৰা বছৰি পঞ্চাশ পাউণ্ডকৈ ধন গ্ৰহণ কৰিবলৈ স্পিন'জাক কোনোমতে ৰাজী কৰাইছিল।

প্ৰয়োজন অতিৰিক্ত ধনক স্পিন'জাই গণ্য কৰিছিল এটা বোজা হিচাপে। তেওঁ কৈছিল, "প্ৰকৃতিদেৱী সদায় কমত চলে; যদি তেওঁ পাৰে, তেন্তে ময়ো নোৱাৰাৰ কাৰণ নাই।" ফৰাচী চৰকাৰৰ পৰা তেওঁলৈ এবাৰ এটা প্ৰস্তাৱ গৈছিল এই বুলি যে তেওঁ যদি তেওঁৰ পৰৱৰ্তী গ্ৰন্থখন

ফৰাচী সম্রাট চতুৰ্দশ লুইৰ নামত উছৰ্গা কৰে, তেন্তে তেওঁক দিয়া হ'ব এটা বৃজন পৰিমাণৰ পেন্সন। স্বভাৱতে, স্পিন'জাই এই প্ৰস্তাব বিনীতভাৱে নাকচ কৰিছিল।

১৬৬৫ চনত বন্ধু-বান্ধৱৰ অনুৰোধত ৰিনজবাৰ্গ ত্যাগ কৰি স্পিন'জাই থাকিবলৈ লয় ভুৰবাৰ্গ নামে দি হে'গ চহৰৰ এটা উপকণ্ঠত। ইয়াত তেওঁৰ-বাসস্থান আছিল ভান দাৰ স্পিজ্‌ক নামৰ এজন চিত্ৰকৰৰ এটা ঘৰ। মৃত্যুৰ সময়লৈকে তেওঁ ইয়াতে আছিল। ভুৰবাৰ্গত থকা কালছোৱাত তেওঁৰ অন্তৰ বিশেষভাৱে স্পৰ্শ কৰিছিল দুটা ঘটনাই। ফৰাচীৰ হাতত ওলণ্ডাজ সৈন্যৰ পৰাজয়ৰ কাৰণ বুলি চিহ্নিত কৰি ১৬৭২ চনত এজাক উন্মত্ত জনতাই তেওঁৰ বন্ধু য়ান দি ৱীটক ভায়েকৰ সৈতে ৰাজপথতে হত্যা কৰে। এই ঘটনাই তেওঁক ইমানকৈ ব্যথিত কৰিছিল যে তেওঁৰ দৰে সংযমী ব্যক্তিৰো চকুপানী ওলাইছিল, আৰু ঘটনাস্থলীলৈ গৈ তাত 'চৰম বৰ্বৰতা'—এই শীৰ্ষক এখন ফলক লগাবলৈ তেওঁ কৰা আত্মঘাতী চেষ্টাৰ পৰা তেওঁক বিৰত ৰখা হৈছিল কোনোমতেহে। এই ঘটনাৰ কিছুদিন পিছত ফৰাচী সম্রাটে তেওঁলৈ আগবঢ়াব খোজা পেন্সনটোৰ বিষয়ে আলোচনা কৰিবলৈ—লগতে তেওঁৰ কেইগৰাকীমান গুণমুগ্ধ ব্যক্তিৰ সৈতে তেওঁক পৰিচিত কৰাই দিবলৈও ফৰাচী সেনাধ্যক্ষ প্ৰিন্স দি কণ্ডে-ই স্পিন'জাক তেওঁৰ শিবিৰলৈ মাতি পঠিয়ায়। (শুনা যায়, স্পিন'জাৰ আন্তৰ্জাতিক খ্যাতিৰ কথা বিবেচনা কৰি তেওঁক আচলতে তালৈ পঠিয়াইছিল ওলণ্ডাজ কৰ্তৃপক্ষইহে, ফৰাচীৰ লগত এক সন্মানজনক সন্ধিৰ বাবে)। সি যি কি নহওক, ওলণ্ডাজৰ লগত ফৰাচীৰ বৈৰিতাৰ কথা বিশেষ চিন্তা নকৰাকৈ তেওঁ শত্ৰু-শিবিৰলৈ যায়। কিন্তু ইয়াৰ ফলত তেওঁ ফৰাচী সৈন্যৰ চৰ বুলি এটা জন-ৰৱ উঠে, তেওঁৰ বাসস্থান আক্ৰান্ত হ'ব বুলি গৃহস্বামী ভান দাৰ স্পিজ্‌কে আনকি ভয়ে খায়। কিন্তু স্পিন'জাই তেওঁক আশ্বস্ত কৰিলে এই বুলি যে তেওঁৰ সামান্য অনিষ্ট হোৱাৰ পূৰ্বেই তেওঁ ঘৰৰ পৰা ওলাই নিজেই জনতাক লগ ধৰিবগৈ আৰু প্ৰয়োজন হ'লে দি ৱীটৰ ভাগ্যকে তেওঁ বৰণ কৰি লব।

এনে দুৰ্ভাগ্য অৱশ্যে তেওঁৰ নহ'ল; কিন্তু তেওঁৰ চাৰিত্ৰ-শক্তিলৈ মন কৰিলে এনে কাম স্পিন'জাৰ বাবে অভাৱনীয় নাছিল।

লক্ষ্যণীয় যে পৰিণত বয়সত কিছু হ'লেও বৃত্ত-নিৰ্গত হৈছিল তেওঁ। জ্ঞান-তত্ত্ব, ধৰ্ম-তত্ত্বৰ উপৰিও ৰাজনীতি-তত্ত্বয়ো তেওঁৰ মন টানিবলৈ লৈছিল। নিজৰ বিধৰ্মিতা তথা সামাজিক ৰীতিৰ বিৰোধিতা সত্ত্বেও সমাজতো তেওঁৰ স্থান ক্ৰমে মান্য হৈ আহিছিল; তেওঁৰ চৌপাশে গঢ়ি উঠিছিল গুণমুগ্ধ ভক্তৰ এটা সৰু দল। কিন্তু ব্যক্তিগত লোভ আৰু লিপ্সাই তেওঁক কাহানিও স্পৰ্শ কৰিব পৰা নাছিলগৈ। ১৬৭৩ চনত হাইডেলবাৰ্গ বিশ্ববিদ্যালয়ে দৰ্শনৰ অধ্যাপকৰ পদ অলংকৃত কৰিবৰ বাবে তেওঁক আমন্ত্ৰণ জনায়। অন্যান্য সুবিধাৰ সৈতে আনকি চিন্তাৰ পূৰ্ণ-স্বাধীনতাৰ আশ্বাসো তেওঁক দিয়া হৈছিল। কিন্তু যি জাগতিক বিষয় তেওঁ সম্প্ৰতি উপভোগ কৰি আছে, তাতকৈ উচ্চতৰ কোনো বিষয় লবলৈ তেওঁ এতিয়া আৰু অনিচ্ছুক বুলি এই আমন্ত্ৰণ স্পিন'জাই বিনয়েৰে প্ৰত্যাখ্যান কৰে।

কিন্তু নিজৰ প্ৰিয় বিষয়সমূহ আপোন মনে উপভোগ কৰিবলৈ নিয়তিয়ে তেওঁক সৰহকাল নিদিলে। তেওঁ আক্ৰান্ত হ'ল বংশসূত্ৰে পোৱা ক্ষয়ৰোগত; লে'ন্স সাজোতে হাওঁ-ফাওঁত সোমোৱা কাঁচৰ গুড়িয়ে ৰোগ বৃদ্ধিত সহায় কৰিলে। জীৱন-নাটৰ যৱনিকা পৰিবলৈ সৰহকাল নাই বুলি জানি নিজ জীৱনৰ কীৰ্তিস্তম্ভ "নীতিশাস্ত্ৰ"ৰ পাণ্ডুলিপি তেওঁ দেৰাজত তলাবন্ধ কৰিলে। চাবিটো দি গ'ল গৃহস্বামীক—যাতে পূৰ্ব-বন্দোৱস্ত অনুসৰি আমষ্টাৰ্ডামৰ প্ৰকাশক হাবমেন শ্বুলাৰে ইয়াক প্ৰকাশ কৰে তেওঁৰ দেহাৱসানৰ লগে লগে।

দিনটো আছিল দেওবাৰ; ২০ ফেব্ৰুৱাৰী, ১৬৭৭ চন। ডাক্তৰ বন্ধু লুই মেয়াৰক ৰোগীৰ সৈতে অকলে ৰাখি ঘৰৰীয়া সকলো গিৰ্জালৈ গ'ল প্ৰাৰ্থনাৰ বাবে; কিন্তু উভতি আহি কোনেও তেওঁক জীৱন্ত অৱস্থাত লগ নাপালে। "He left-to seek strange truths in undiscovered lands," (শ্বেলী, 'এড'নেইচ')।

*　　　*　　　*

স্পিন'জাৰ দৰ্শন দুৰ্জ্ঞেয়। ('নীতিশাস্ত্ৰ'ৰ শেষ বাক্যটোত স্পিন'-জায়ো জানো কোৱা নাছিল, "All noble things are difficult as they are rare !") যুগ-ধৰ্মৰ প্ৰভাৱত পৰি নিজ চিন্তাক তেওঁ আচ্ছাদিত কৰিছিল মধ্যযুগীয় পৰিভাষাৰে। আনহাতে গণিতৰ প্ৰেমত ডুব গৈ "নীতিশাস্ত্ৰ" গ্ৰন্থখন তেওঁ আকৌ লেখিছিল ইউক্লিডৰ জ্যামিতিৰ অনুকৰণত। তেওঁ ভাবিছিল—জ্যামিতিৰ স্বতঃসিদ্ধ, উপপাদ্য আৰু প্ৰতিজ্ঞাৰ সহায়েৰে প্ৰতিপাদ্য বিষয় উপস্থাপন কৰিলে চিন্তাৰ স্পষ্টতা ৰক্ষা হব; কিন্তু এনে উপস্থাপনে তেওঁৰ চিন্তাক স্বচ্ছ কৰাতকৈ বৰং কৰি তুলিছিল অস্বচ্ছ।

পৰৱৰ্তী কাণ্ট আৰু হেগেলৰ দৰে স্পিন'জাও আছিল system builder অৰ্থাৎ তেওঁ প্ৰয়াসী আছিল গুটিদিয়েক মূল প্ৰসংগৰ পৰাই দৰ্শনৰ সকলো সমস্যাৰে এক সংগতিপূৰ্ণ ব্যাখ্যা দিয়াত। তেওঁ কৈছিল, পদাৰ্থ আৰু মন দেকাৰ্তে ভবাৰ দৰে পৃথক নহয়। দুয়ো মূলতে এক, আৰু একেবিধ সাৰাৎসাৰৰ পৰাই উদ্ভূত। এই সাৰাৎসাৰৰ অস্তিত্বৰ কোনো কাৰণ নাই, ই স্বহেতুক (causa sui)। তদুপৰি ই অভিজ্ঞতা-পূৰ্বিক (a priori), অৰ্থাৎ অন্যান্য বস্তুৰ ধাৰণা ব্যতিৰেকে ইয়াৰ ধাৰণা কৰিব পাৰি। এই সাৰাৎসাৰৰে, স্পিন'জাই নাম থৈছিল 'ঈশ্বৰ'। কিন্তু তেওঁৰ ঈশ্বৰ কোনো ভাববাদী সত্তা নাছিল, বিজ্ঞানৰ বস্তুবাদত মুগ্ধ হৈ তেওঁ তেওঁৰ ঈশ্বৰক একাত্ম কৰিছিল প্ৰকৃতিৰ লগত, আৰু এই অৰ্থতেই তেওঁ উচ্চাৰিছিল ধৰ্মান্ধসকলক ভীতি-বিহ্বল কৰি তোলা তেওঁৰ বৈপ্লৱিক ব্যাক্যাংশ—Deus sive Natura, অৰ্থাৎ 'ঈশ্বৰ বা প্ৰকৃতি'। স্পিন'জাৰ ঈশ্বৰ ব্যক্তিগত নহয় বা ইয়াৰ কোনো আকৃতিও নাই; ই মানুহৰ পৰা বিচ্ছিন্নও নহয়; মানুহকে ধৰি বিশ্বৰ সমস্তই ঈশ্বৰতে জাত হয়, ইশ্বৰতে গতি কৰে আৰু ঈশ্বৰতে বিলীন হয়। বিশ্বৰ প্ৰতিটোৱেই ঈশ্বৰৰ অংশ (mode) আৰু ঈশ্বৰ ব্যতিৰেকে ইবিলাকৰ কাৰো ধাৰণা কৰা অসম্ভৱ। এই ঈশ্বৰ বা প্ৰকৃতি শাশ্বত আৰু সীমাহীন; স্বসৃষ্ট,

(self-created) আৰু স্বসৃজক (self-creating) ; ঈশ্বৰ বা প্ৰকৃতিৰ বাহিৰত একোৱেই জন্মিব বা থাকিব নোৱাৰে। ঈশ্বৰৰ গুণাৱলী (attributes) অগণন ; কিন্তু ক্ষুদ্ৰ মানৱে উপলব্ধি কৰিব পাৰে ইয়াৰ মাথোঁ দুটা গুণহে—চিন্তা (thought) আৰু বিস্তৃতি (extension)। দুয়োবিধ গুণ যিহেতু একেশ্বৰ-সমুদ্ভূত, কিম্বা একে ঈশ্বৰত্ব, সেয়ে মন আৰু পদাৰ্থৰ মাজত কোনো মৌলিক বিৰোধ থাকিব নোৱাৰে।

বুজিবলৈ টান নহয় যে স্পিন'জাৰ এই ঈশ্বৰবাদ সৰ্বেশ্বৰবাদৰেই (pantheism) এক বিশেষ ৰূপ। পৃথিৱীৰ বিভিন্ন দেশৰ বিভিন্ন যুগৰ প্ৰায়বোৰ ৰহস্যবাদীয়ে ঈশ্বৰৰ এনে ৰূপ কল্পনা কৰি আহিছে। ভাৰতীয় দৰ্শনত ঈশ্বৰৰ এনে ৰূপৰ এক উৎকৃষ্ট নিৰ্যাস হ'ল শ্বেতাশ্বতৰ উপনিষদৰ সেই বিখ্যাত শ্লোকটো—"যো দেৱোহগ্নৌ যোহপ্সু যো বিশ্ব-ভুৱনমাবিৱেশঃ······" ইত্যাদি। সেয়ে আচৰিত নহয় যে স্পিন'জা-দৰ্শিত নিসৰ্গ আৰু নিৰাকাৰ ঈশ্বৰৰ ঐকাত্ম্যই লেচিং আৰু গ্যেটেৰ পৰা আৰম্ভ কৰি ৱৰ্ডচ্‌ৱৰ্থ আৰু শ্যেলীলৈকে য়ুৰোপৰ ৰমন্যাস আন্দোলনৰ প্ৰায়বোৰ প্ৰৱক্তাকে এসময়ত প্ৰভাৱিত কৰিছিল গভীৰভাৱে। গ্যেটেই (স্পিন'জাৰ প্ৰসিদ্ধিত যাৰ অৱদান অনুপেক্ষণীয়) তেওঁৰ ফাউষ্টৰ হতুৱাই মাৰ্গাৰেটক কোৱাইছিল :

I believe Him not ?
The All Embracing,
The All Sustaining ;
Does He not embrace and sustain
You, me, Himself ?
....
....
Call it then as you will,
Call it bliss, heart, love, God !
I donot have a name
For this. Feeling is all.

ৱৰ্ডচৱৰ্থে তেওঁৰ 'টিন্টাৰ্ণ আবে'ত লেখিছিল,

"A presence that disturbs me with joy
Of elevated thoughts ; a sense sublime
Of something far more deeply interfused,
Whose dwelling is on the light of the setting sun,
And the round ocean and the living air,
And the blue sky and the mind of men.
A motion and a spirit, that impels
All thinking things, all objects of all thoughts,
And rolls through all things.

'কুইন মেব'-অৰ বাবে লোৱা টোকাৱলীত শ্বেলীয়ে একাধিকবাৰ উল্লেখ কৰিছিল স্পিন'জাৰ 'ধৰ্ম আৰু ৰাষ্ট্ৰ সম্পৰ্কীয় নিবন্ধ'ৰ উল্লেখ : গ্ৰন্থখন তেওঁ আনকি অনুবাদ কৰিবলৈও লৈছিল আৰু বাইৰনে লেখি দিয়াৰ কথা আছিল ইয়াৰ পাতনি।

স্পিন'জাৰ ঈশ্বৰবাদে বিজ্ঞানীসকলকো কম প্ৰভাৱিত কৰা নাছিল "মই বিশ্বাস কৰোঁ স্পিন'জাৰ ভগৱানক—যি প্ৰকাশিত হয় প্ৰকৃতিৰ অমোঘ সূত্ৰাৱলীৰ মাজত"—বুলি আইনষ্টাইনে তেওঁৰ আধ্যাত্মিক জীৱনত স্পিন'জাৰ প্ৰভাৱ স্বীকাৰ কৰি গৈছে অকুণ্ঠভাৱে।

* * *

মন আৰু পদাৰ্থৰ মাজৰ বিভেদৰ দেৱাল ঈশ্বৰৰ অভিন্নৰ ধাৰণাৰে এইদৰে বিচূৰ্ণ কৰাৰ পিছত স্পিন'জাই ঘোষণা কৰিলে যে ঈশ্বৰেই যিহেতু চৰম নিয়ন্তা, সেয়ে মানসিক জগতত ইচ্ছা-স্বাতন্ত্ৰ্য (free will) বা পদাৰ্থ জগতত দৈৱ (chance) বুলি কোনো কথা থাকিব নোৱাৰে ! মূলতঃ এক এই দুয়োখন জগতেই নিশ্চয়তাবাদী (determinisic)—কেতবোৰ সুনিৰ্দিষ্ট সূত্ৰৰ অনুৱৰ্তী। "মানুহে নিজকে মুক্ত বুলি ভাবে," তেওঁ কৈছিল, "কাৰণ যিবোৰ সূত্ৰৰ দ্বাৰা তেওঁ চালিত হয়, তাক তেওঁ নাজানে—যিদৰে এটা প্ৰক্ষিপ্ত শিলগুটিয়ে নাজানে তাক চালিত কৰা

প্ৰাকৃতিক সূত্ৰাৱলীৰ কথা।” নিশ্চয়তাবাদী হোৱা বাবেই প্ৰকৃতিত এক লয় আৰু শৃংখলা আছে, আৰু প্ৰকৃতি বা ঈশ্বৰ দুৰ্বোধ্য হ'লেও বোধগম্য।

স্পিন'জাৰ নিশ্চয়তাবাদ ধৰ্মৰ পাপ আৰু শাস্তিৰ ধাৰণাৰ লগত খাপ নোখোৱা বিধৰ আছিল; আনহাতে ই মিলি পৰিছিল পৰৱৰ্তী হেগেল আৰু মাৰ্ক্সৰ সমাজ-বিজ্ঞানত আৰু আইনষ্টাইনৰ পদাৰ্থ-বিজ্ঞানত। “সামাজিক গতিৰ সূত্ৰাৱলী মানুহৰ ইচ্ছা-অনিৰ্ভৰ”—মাৰ্ক্সে তেওঁৰ ইতিহাসৰ বস্তুবাদী দৰ্শন এইদৰে প্ৰচাৰ কৰাৰ মূলত স্পিন'জাৰ দান কম নাছিল। স্পিন'জাৰ পৰাই প্ৰাৰিত হেগেলীয় ব্যক্তি-স্বাধীনতাৰ ধাৰণাক এংগেলচে সংজ্ঞাবদ্ধ কৰিছিল এইদৰে: “স্বাধীনতা হ'ল ভৱিতব্যৰ অভিজ্ঞান” (Freedom is the recogiition of necessity)। মাৰ্ক্স-এংগেলচক মুগ্ধ কৰিছিল স্পিন'জাৰ দৰ্শনত নিহিত বস্তুবাদেও। “Every determination is negantion”—দ্বন্দ্ব-মূলক বস্তুবাদৰ সমৰ্থনত এংগেলচ আৰু লেনিন – দুয়োৱে তেওঁলোকৰ লেখনীত উদ্ধৃত কৰিছিল স্পিন'জাৰ এই উক্তি। পক্ষান্তৰত, স্পিন'জাৰ নিশ্চয়তাবাদে আইনষ্টাইনক এনেদৰে উদ্বুদ্ধ কৰিছিল যে আধুনিক কোৱাণ্টাম বিজ্ঞানৰ সম্ভাৱনামূলক ব্যাখ্যাসমূহ শুদ্ধ বুলি পৰীক্ষাসিদ্ধ হোৱা সত্ত্বেও তেওঁ মুক্তভাৱে ইবিলাকৰ স্বীকৃতি জনাব পৰা নাছিল। “ভগৱানে বিশ্বৰ লগত পাশা খেলা কথাটো কোনোপধ্যেই মোৰ বিশ্বাস-যোগ্য নহয়”—তেওঁ কৈছিল।

জ্ঞানক স্পিন'জাই তিনিটা ক্ৰমত ভগাইছিল—সাধাৰণ অভিজ্ঞতাৰ পৰা অৰ্জা জ্ঞান (sensuous knowledge), যুক্তিসঙ্গত জ্ঞান (rational knowledge) আৰু স্বজ্ঞাৰ পৰা অহা জ্ঞান (intuitive knowledge)। তাৰে দ্বিতীয় আৰু তৃতীয়বিধ জ্ঞানহে আৱশ্যিকভাৱে সত্য (necessarily true) আৰু সত্যক অসত্যৰ পৰা পৃথক কৰাৰ একমাত্ৰ নিৰিখ। (অভিজ্ঞতাবাদীসকলৰ বিপৰীতে স্পিন'জাৰ যুক্তিবাদ পৰিলক্ষিত হয় ইয়াতেই।) শেষৰ দুবিধ জ্ঞানৰ সম্পৰ্ক বস্তুবিলাকৰ সনাতন ৰূপৰ

লগত। এনে জ্ঞান লাভ কৰা লোকসকলে প্ৰকৃতিত নিহিত অখণ্ডময়-তাৰ লগত নিজকে বিলাই দিব পাৰে আৰু বিশ্ব-চৰাচৰক চাবলৈ সমৰ্থ হয় এক সনাতন শাশ্বত ৰূপত (sub specie eternitatis-under the aspect of eternity)। যিসকলৰ অন্তৰ্লোক দ্বিতীয়, বিশেষকৈ তৃতীয়-বিধ জ্ঞানৰ আলোকেৰে উদ্ভাসিত, তেওঁলোকে লাভ কৰে চৰম প্ৰশান্তি : জ্ঞানৰ দিব্য আলোকত সুখ-দুখ, শুভ-অশুভ, সুন্দৰ-অসুন্দৰ—জাগতিক জীৱনৰ সকলো বস্তু একাকাৰ হৈ পৰে। সংসাৰক জ্বালা-যন্ত্ৰণাৰ সমুদ্ৰ কৰি পেলোৱা আত্মকেন্দ্ৰিক কামনা-বাসনা, স্বাৰ্থ-জড়িত আশা-আকাংক্ষা তেতিয়া তেওঁলোকৰ মানত হৈ পৰে ক্ষুদ্ৰাতিক্ষুদ্ৰ, নিৰৰ্থক। স্পিন'জাৰ মতে প্ৰকৃতিৰ শাশ্বত অখণ্ডময়তাৰ লগত একাত্মীকৰণ কৰিব পৰা এনে লোকসকলেই 'হ'ল, পৃথিৱীৰ প্ৰকৃত আনন্দধাৰী, ধৰ্মপ্ৰাণ ব্যক্তি : "ভগৱানৰ বৌদ্ধিক প্ৰেম" (amor Dei intellectualis-the intellectual love of God) এওঁলোকে লাভ কৰে।

বহু সময়ত গীতাৰ স্থিতধী বাণী যেন লগা ("সুখে দুঃখে সমে কৃত্বা জয়াজয়ৌ লাভালাভৌ···") স্পিন'জাৰ এই দুৰ্লভ দৰ্শনৰ ধ্বনি আমি শুনিবলৈ পাওঁ শ্বেলীৰ কবিতাত—

The One remains, the many change and pass,
Heaven's light forever shines, Earth's shadows fly ;
Life like a dome of many coloured glass,
Stains the while rediance of Eternity.

স্পিন'জাৰ এই দৰ্শনৰ অনুৰণন শুনা যায় আধুনিক বিজ্ঞান-ঋষি আইনষ্টাইনৰ লেখনীতো—

"There are moments when one feels free from one's own identification with human limitations and inadequacies. At such moments one imagines that one stands on some spot of a small planet, gazing in amazement at the cold yet profoundly moving beauty of the eternal, the unfathomable : life and

death flow into one, and there is neither evolution nor destiny,—only being."

স্পিন'জাৰ মনস্তত্ব আছিল, হব্‌চৰ অনুসৰণত,—egoistic। তেওঁ কৈছিল যে মানুহৰ জীৱনৰ ভেটি হ'ল তাৰ ব্যক্তিগত স্বাৰ্থ, তাৰ আত্ম-সংৰক্ষণৰ প্ৰবৃত্তি (স্পিন'জা-বিজ্ঞসকলৰ বহুতেই যাক ফ্ৰয়েডৰ libido-ৰ লগত তুলনা কৰিছে।) কেৱল মনৰ প্ৰসংগত এই প্ৰবৃত্তিক কোৱা হয় ইচ্ছা (will) বা আকাংক্ষা (desire), আনহাতে শৰীৰে আৰু মন দুয়োৰে প্ৰসংগত ইয়াক কোৱা হয় 'ক্ষুধা' (appetite)। মনস্তত্বৰ আলোচনাত স্পিন'জাই মানুহৰ আত্ম-সংৰক্ষণ প্ৰবৃত্তিৰ লগত যোগ দিছিল অনুভূতিৰ আৰু দুটা ৰূপ—'আনন্দ' (joy) আৰু 'দুখ' (sorrow)। স্পিন'জাই কৈছিল যে মানুহৰ বিভিন্ন অনুভূতি এই মৌলিক ৰূপ তিনটাৰ-ক্ষুধা, আনন্দ আৰু দুখৰ-বিকাৰ মাথোন; অৰ্থাৎ প্ৰেম-বিদ্বেষ, আশা-ভয়, অনুৰাগ-বীতৰাগ আদিকে ধৰি মানুহৰ সকলোবোৰ অনুভূতি এই ৰূপ তিনিটাৰ পৰাই নিৰ্ণয় কৰিব পাৰি। দৃষ্টান্তৰূপে, তেওঁৰ মতে প্ৰেম হ'ল "Joy with the accompanying idea of an external cause"; বিদ্বেষ হ'ল, "sorrow with the accompanying idea of an external cause"; অনুৰাগ হ'ল, "joy with the accompanying idea of some object as being accidentally the cause of joy"; বীতৰাগ হ'ল "sorrow with the accompanying idea of some object which is accidentally the cause of sorrow," ইত্যাদি।

স্পিন'জাৰ নীতিতত্বৰ ভেটিও আছিল মানুহৰ আত্মসংৰক্ষণ। "We call a thing good which contributes to the preservation of our being, and we call a thing evil if it is an obstacle to the preservation of our being." আনন্দ পাবলৈ হ'লে আকাংক্ষাৰ উৎস মানুহে জানিব লাগিব আৰু যাপন কৰিব লাগিব সৎ জীৱন। "আনন্দ সৎ জীৱন যাপনৰ পুৰস্কাৰ নহয়, সৎ জীৱন যাপনেই হ'ল আনন্দ"—তেওঁ কৈছিল। চৰম আনন্দ আছে শাশ্বতৰ

প্ৰতি নিৰন্তৰ চিন্তাৰ পৰা, যাক তেওঁ 'ভগৱৎ প্ৰেম' নাম দিছিল। "মানুহৰ অন্তৰত মুখ্য স্থান পাব লাগিব সৰ্ববিৰাজমান ভগৱৎ প্ৰেমে।" কিন্তু এই প্ৰেম হব লাগিব নিঃস্বাৰ্থ। "ভগৱানে আমাক ভাল পোৱাৰ আশা বুকুত বান্ধি ভগৱানক আমি ভাল পোৱা অনুচিত"—তেওঁ কৈছিল। ঘৃণা, খং, ৰাগ আদি দুখৰ বিভিন্ন ৰূপবোৰ হ'ল, তেওঁৰ মতে, সুখৰেই বিভিন্ন ৰূপৰ নিম্নস্তৰ, "সেয়ে ঘৃণা, খং আদিৰে সুখ বা আনন্দ লাভ কৰিব নোৱাৰি।" "যি আঘাতৰ প্ৰতিশোধ লব খোজে ঘৃণাৰে, তেওঁ বাস কৰে যন্ত্ৰণাৰ জগতত: প্ৰেমৰ শক্তিৰে যি ঘৃণাক অন্তৰৰ পৰা বহিষ্কাৰ কৰে, বিশ্বাস আৰু আনন্দেৰে যি ঘৃণাৰ লগত যুদ্ধ কৰে, তেওঁ জয়ী হয়, আৰু বাস কৰে চৰম প্ৰশান্তিত"; "মন জয় কৰিব পাৰি অস্ত্ৰেৰে নহয়, আত্মাৰ মহত্ত্বেৰেহে": আকৌ, "ঘৃণাৰে ঘৃণাক প্ৰতিদান দিলে ই বৃদ্ধি পায়, আনহাতে প্ৰেমেৰে ইয়াক বিনষ্ট কৰিব পাৰি। প্ৰেমৰ দ্বাৰা পৰাজিত ঘৃণা পুনৰ প্ৰেমত পৰিণত হয়।"

তথাকথিত বিধৰ্মী হৈয়ো, নাস্তিক হৈয়ো যে এগৰাকী সৎ আৰু দয়াশীল ব্যক্তি হব পাৰি, স্পিন'জাই তাৰ প্ৰমাণ নহয়নে?

ষ্টইক নৈতিকতাৰ দ্বাৰা স্পিন'জা প্ৰভাৱিত হৈছিল যদিও, ষ্টইক-সকলৰ আত্ম-নিপীড়নৰ প্ৰবৃত্তি তেওঁৰ বাবে আছিল জুগুপ্সাৰ বিষয়। আধুনিক মনস্তত্ত্ববিদৰ সুৰত তেওঁ কৈছিল, "যি নিজক ঘৃণা কৰে, তেওঁ অভিমানী।" মৃত্যুৰ বা পাৰলৌকিক চিন্তাৰ তেওঁ বিৰোধী আছিল। "মুক্ত মানৱে মৃত্যুতকৈ কম আন একো চিন্তা নকৰে; তেওঁৰ প্ৰজ্ঞা আবদ্ধ মৃত্যুৰ নহয়, জীৱনৰ চিন্তাতহে।" স্পিন'জাৰ দৰ্শনত এফালে যেনেকৈ নাছিল অহংকাৰ, তেনেকৈ নাছিল অযথা বিনয়ৰ স্থানো। অযথা বিনয়ক তেওঁ গণ্য কৰিছিল ভণ্ডামিৰ নামান্তৰ হিচাপে। চাফ কথাত, স্পিন'জাৰ নৈতিক দৰ্শনৰ মূল কথা আছিল দুটা—সৎ কৰ্ম আৰু আনন্দ লাভ।

লাইবনিৎচ, ৰুছ' প্ৰমুখ্যে পৃথিৱীৰ আন বহুতো বৰেণ্য দাৰ্শনিকৰ বিপৰীতে স্পিন'জা নীতিকথাৰ কেৱল প্ৰচাৰকেই নাছিল, এক নিষ্কলুষ

নৈতিক জীৱনো যাপন কৰিছিল তেওঁ। পাৰ্থিৱ লোভ আৰু লালসাৰ পৰা তেওঁ আছিল অভাৱনীয়ভাৱে ঊৰ্দ্ধত; ঈৰ্ষা-অসূয়ায়ো কাহানিও তেওঁৰ কাষ চাপিব পৰা নাছিল। তেওঁৰ আধ্যাত্মিক পুত্ৰ আইনষ্টাইনে এবাৰ কোৱাৰ দৰে, ঘৃণাৰ শৰ তেওঁলৈ মৰা হৈছিল বহুবাৰ; কিন্তু সিবিলাকে তেওঁক স্পৰ্শ কৰিব নোৱাৰিছিল, কাৰণ সিবিলাক আছিল তেওঁৰ বাবে পৰকীয়,—এক ভিন্ন ৰাজ্যৰ বস্তু। জীৱনৰ শত দুখ-যন্ত্ৰণাৰ মাজতো তেওঁৰ মুখত বিৰিঙিছিল এক চিৰ-প্ৰশান্তিৰ ভাৱ। শুনা যায়, মৃত্যুমুখী চক্ৰেটিচৰ নিচিনাকৈ মৃত্যুৰ দিনাও তেওঁ হেনো লগৰীয়াৰ স'তে কথা পাতি আছিল এক শান্ত আৰু অনুদ্বেগ মনেৰে।

বহল অৰ্থত স্পিন'জা আছিল যদিও এগৰাকী অতীৱ ধৰ্মপ্ৰাণ ব্যক্তি, তথাপি কোনো ধৰণৰ প্ৰতিষ্ঠানিক ধৰ্মৰ তেওঁ পক্ষপাতী নাছিল। এলবাৰ্ট বাৰ্ঘ্ নামে তেওঁৰে এগৰাকী প্ৰাক্তন ছাত্ৰই খৃষ্টান ধৰ্মত দীক্ষিত হৈ তেওঁকো এই ধৰ্মলৈ প্ৰলুব্ধ কৰিবলৈ চেষ্টা চলোৱাত তেওঁ প্ৰায় খঙেৰেই ইয়াৰ উত্তৰ দিছিল এই বুলি, "তুমি ভাবিছা, বিশ্বৰ সৰ্বশ্ৰেষ্ঠ ধৰ্ম আৰু ধৰ্মগুৰুসকলক অৱশেষত তুমি পাইছাগৈ। কিন্তু তুমি কেনেকৈনো জানিলা যে এই ধৰ্মই আৰু এই ধৰ্মগুৰুসকলেই শ্ৰেষ্ঠতম? ইয়াৰ, আৰু ভাৰতৰ, প্ৰাচীন আৰু আধুনিক সকলোবোৰ ধৰ্ম তুমি পৰীক্ষা কৰি চাইছানে? ধৰি ললো, তুমি বাৰু পৰীক্ষা কৰিছাই; কিন্তু তোমাৰ ধৰ্মটোৱেই শ্ৰেষ্ঠ বুলি তুমি নো জানিলা কেনেকৈ?" ধৰ্মীয় কুসংস্কাৰৰ স্পিন'জা বিৰোধী আছিল। কুসংস্কাৰক তেওঁ কাৰণ সম্পৰ্কীয় অজ্ঞতা আখ্যা দিছিল ("I make this chief distinction between religion and superstition; the latter is founded on ignorance, the former on knowledge.")

তেওঁ ঘোষণা কৰিছিল—ধৰ্মশাস্ত্ৰৰ প্ৰতিটো উক্তিয়েই আক্ষৰিকভাৱে সত্য বুলি ধৰি লোৱাটো পৰিচয় হ'ল অজ্ঞ মানুহৰহে, যি উৎপত্তিৰ কাৰণ নাজানে। স্পষ্টভাৱে তেনেকৈ কোৱা নাছিল যদিও, ব্যক্তিগত আত্মাৰ অমৰত্বতো খুব সম্ভৱ তেওঁৰ আস্থা নাছিল।

ৰাজনৈতিক দৰ্শনৰ ক্ষেত্ৰত স্পিন'জা আছিল হব্‌চৰ ওচৰত বহু পৰিমাণে ঋণী। তেওঁ আছিল ব্যক্তিবাদী গণতন্ত্ৰত বিশ্বাসী। সমাজৰ বিভিন্ন ব্যক্তিৰ ৰাজনৈতিক আকাংক্ষাৰ ভাৰসাম্য হিচাপে তেওঁ ৰাষ্ট্ৰক গণ্য কৰিছিল। তেওঁৰ মতে বলেৰে কিম্বা ভীতি-প্ৰদৰ্শিত শাসনৰ দ্বাৰা মানুহক কিছুমান জন্তু বা যন্ত্ৰত পৰিণত কৰা ৰাষ্ট্ৰৰ উদ্দেশ্য হোৱা উচিত নহয়। ৰাষ্ট্ৰ হ'ব লাগিব এনে এক ৰাজনৈতিক অনুষ্ঠান য'ত মানুহে মুক্ত চিন্তাৰ পূৰ্ণ বিকাশৰ সুবিধা পায় আৰু চুবুৰীয়াৰ সৈতে মিলি-জুলি সৎ নাগৰিকৰূপে বাস কৰিব পাৰে। ধৰ্মীয় অনুষ্ঠানবিলাক ৰাষ্ট্ৰৰ বহুতীয়া হোৱাৰ তেওঁ পক্ষপাতী আছিল, আনহাতে শিক্ষা ৰাষ্ট্ৰৰ শাসনৰ পৰা মুক্ত হ'ব লাগে বুলি মত পোষণ কৰিছিল। আধুনিক সমাজবাদী ধাৰণা স্পিন'জাৰ দিনত উদ্ভৱ হোৱা নাছিল।

• • •

চমুকৈ, এয়ে হ'ল স্পিন'জাৰ জীৱন আৰু দৰ্শন। আচৰিত যেন লাগিলেও সঁচা যে এই মহৎ মনীষীগৰাকীৰ চিন্তামণিৰ প্ৰভা য়ুৰোপত বিকিৰিত হোৱা নাছিল প্ৰায় ডেৰ শতিকা পৰ্যন্ত। যুগৰ পুৰোগামী ব্যক্তি আছিল তেওঁ। হিউম আৰু ভল্টেয়াৰে তেওঁক ব্যংগ কৰিছিল, বেইলৰ দাৰ্শনিক অভিধানত তেওঁ চিহ্নিত হৈছিল নিন্দনীয় ব্যক্তিৰূপে। স্পিন'জাক প্ৰথম পোহৰলৈ আনে জাৰ্মানীৰ লেচিং আৰু জেক'বিয়ে। জেক'বিৰ জৰিয়তে গ্যেটেও পৰিচিত হয় এই অৱজ্ঞাত দাৰ্শনিকগৰাকীৰ লগত আৰু তেওঁৰ প্ৰভাৱতেই উত্তীৰ্ণ হয় 'আৰ্থাৰৰ বেদনা'ৰ উদ্দাম ৰোমান্টিচিজমৰ পৰা 'ফাউষ্ট'ৰ ধীৰ ক্লাচিচিজমলৈ। গ্যেটে প্ৰমুখ্যে অগ্ৰণীসকলৰ চেষ্টাত স্পিন'জা এটা সময়ত য়ুৰোপত এনেদৰে বিখ্যাত হৈ পৰে যে হেগেলৰ দৰে ধীমান দাৰ্শনিকেও অৱশেষত স্বীকাৰ কৰিবলৈ বাধ্য হয় যে "to be a philosopher one must first be a Spinozist" পৰৱৰ্তী যুগত দাৰ্শনিকসকলৰ উপৰিও—ৰোমান্টিক কবিসকলৰ উপৰিও—জৰ্জ এলিয়ট, মেথিউ আৰ্ণল্ড, গুস্তাভ ফ্লবেয়াৰ, আনাটোল ফ্ৰাঁছ আদি সাহিত্য জগতৰ অন্যান্য ব্যক্তিকো স্পিন'জাই আকৰ্ষণ কৰিছিল। জৰ্জ

এলিয়টেই স্পিন'জাৰ 'নীতিশাস্ত্ৰ'খন ইংৰাজীলৈ পোন প্ৰথমবাৰৰ বাবে অনুবাদ কৰে। হাৰ্বাৰ্ট স্পেন্সাৰেও তেওঁৰ Unknowable-ৰ প্ৰেৰণা পাইছিল খুব সম্ভৱতঃ তেওঁৰ প্ৰেয়সী এলিয়টৰ পৰা প্ৰতিসৰিত স্পিন'জাৰ পৰাই।

সঁচা, স্পিন'জাৰ দৰ্শনত আৰ্তজনৰ উদ্ধাৰৰ কোনো উল্লেখ নাই; নাই তেওঁৰ অধিবৈজ্ঞানিক বস্তুবাদ কিম্বা অস্মিতাপূৰ্ণ মনস্তত্ত্ব গ্ৰহণ কৰিব পৰা আমাৰ মানসিকতা, অথৱা জগতৰ সকলো প্ৰকাৰৰ অন্যায়-উৎপীড়নক এক অখণ্ড মংগলময় সত্তাৰেই এটা বিকৃত ৰূপ বুলি নীৰৱে সহি যাব পৰা আমাৰ দাৰ্শনিক সৌম্যও। কিন্তু স্পিন'জাৰ অধ্যয়নে যন্ত্ৰণা-জৰ্জৰিত আমাৰ আধুনিক আত্মাক ক্ষন্তেকলৈ হ'লেও দিয়ে যি এক পৱিত্ৰ প্ৰশান্তি, সি জানো হঠাতে পোৱা এটি অমৃত-কণাৰ দৰেই অমূল্য নহয়? (১৯৮১)

॥ আইনষ্টাইন আৰু স্পিন'জা ॥

বিজ্ঞান আৰু দৰ্শনৰ মাজৰ পুৰণি সম্পৰ্ক নকৈ প্ৰতিষ্ঠা কৰা আধুনিক বিজ্ঞানীসকলৰ ভিতৰত আইনষ্টাইন অন্যতম। স্কুলীয়া ছাত্ৰ হৈ থকা অৱস্থাতেই আইনষ্টাইনে হেনো দৰ্শন জগতত দুৰ্বোধ্য বুলি জনাজাত ইমানুৱেল কাণ্টৰ দৰ্শন পঢ়িবলৈ আৰম্ভ কৰি দিছিল। দৰ্শনক তেওঁ ধৰ্মশাস্ত্ৰ বুলি গণ্য কৰিছিল। দৰ্শন অধ্যয়নৰ কাৰণ দৰ্শাই তেওঁ কৈছিল, 'আত্ম শুদ্ধিৰ বাবে, যেনেকৈ মানুহে শাস্ত্ৰৰ বাণী শুনে।' তেওঁৰ জীৱনৰ শ্ৰেষ্ঠতম কীৰ্তি আপেক্ষিকতাবাদৰ উদ্ভাৱনত তেওঁ কিছু প্ৰভাৱিত হৈছিল অষ্ট্ৰিয়াৰ দাৰ্শনিক পদাৰ্থবিদ আৰ্নষ্ট্ মাখৰ দ্বাৰা। কিন্তু তেওঁৰ ব্যক্তিগত জীৱনত আন এজন দাৰ্শনিকৰ প্ৰভাৱহে আমাৰ দৃষ্টিগোচৰ হয়। তেওঁ হ'ল, সোতৰ শতিকাৰ ঋষিতুল্য ইহুদী দাৰ্শনিক বেনিডিক্ট স্পিন'জা। জাৰ্মান দাৰ্শনিক হেগেলে এবাৰ কৈছিল, 'দাৰ্শনিক হ'ব খুজিলে প্ৰথমে স্পিন'জাবাদী হব লাগিব।' আইনষ্টাইন বিজ্ঞানী আছিল যদিও তেওঁ নিজকে দাৰ্শনিক বুলি কবলৈহে ভাল পাইছিল, আৰু হেগেলে বান্ধি দিয়া দাৰ্শনিকতাৰ চৰ্ত তেওঁ পূৰণ কৰিছিল : তেওঁ এজন স্পিন'জাবাদী আছিল।

বৈজ্ঞানিক গবেষণা-পত্ৰ আদিৰ কথা বাদ দিলে আইনষ্টাইনে লেখি থৈ যোৱা অনান্য প্ৰবন্ধ-পাতিৰ সংখ্যা বেছি নহয়। 'জগতখন, মই যেনেদৰে দেখিছো' আৰু 'মোৰ শেষ বছৰকেইটা' নামৰ সংকলন দুটাতেই জীৱন আৰু জগত সম্পৰ্কে তেওঁৰ সমস্ত মতবাদ থূপ খাই আছে বুলিব পাৰি। এই তাকৰীয়া প্ৰবন্ধ-পাতিৰ ভিতৰত স্পিন'জা সম্পৰ্কে তেওঁৰ কোনো প্ৰবন্ধ নাই। কিন্তু তেওঁৰ জীৱনৰ প্ৰায়বিলাক স্তৰতে স্পিন'জাৰ প্ৰভাৱ লক্ষণীয়। থূলমূলকৈ, আইনষ্টাইনৰ ওপৰত স্পিন'জাৰ প্ৰভাৱক তিনিটা ভাগত ভগাব পাৰি : (১) তেওঁৰ প্ৰাত্যহিক জীৱনত,

(২) ধৰ্ম আৰু ঈশ্বৰ সম্পৰ্কীয় তেওঁৰ মতবাদবিলাকত আৰু (৩) তেওঁৰ বৈজ্ঞানিক জীৱনত।

* * *

প্ৰথমে, তেওঁৰ প্ৰাত্যহিক জীৱনত। স্পিন'জাই তেওঁৰ বিখ্যাত 'নীতিশাস্ত্ৰ' গ্ৰন্থত লেখিছিল যে জ্ঞানী মানুহে বিশ্বখন চোৱা উচিত ঠিক ভগৱানে চোৱাৰ দৰে এক অখণ্ড 'শাশ্বত ৰূপ'ত (under the aspect of eternity) য'ত দেশ-কালৰ কোনো পৰিৱৰ্তন নাই, জীৱনৰ ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰবাহ য'ত বিশ্বৰ অখণ্ডতাৰ লগত বিলীন হৈ যায়। আইনষ্টাইন আৰু স্পিন'জা দুয়ো জগতখনক এনেদৰে 'শাশ্বত ৰূপ'ত চাবলৈ শিকিছিল; দুয়ো যেন আছিল "দুঃখেষু অনুদ্বিগ্নমনা সুখেষু বিগত স্পৃহ" গীতাৰ স্থিতধী মুনি। প্ৰবহমান জীৱনৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, হিংসা-হিংসি, খিয়লা-খিয়লিৰ প্ৰতি দুয়ো আছিল অনীহ। মাটিৰ বুকুত ভৰি থাকিলেও তেওঁলোকৰ দৃষ্টি যেন নিবদ্ধ আছিল ক্লেদময় পৃথিৱীৰ পৰা বহু নিলগৰ কিছুমান নিশ্চল ধ্ৰুৱ সত্যৰ ওপৰত; ব্যক্তিগত জীৱনৰ সকলুবা জয় পৰাজয়, ব্যক্তিগত সুখ-দুখৰ অসাৰতা সেয়ে দুয়ো উপলব্ধি কৰিব পাৰিছিল। ব্যষ্টিতকৈয়ো সমষ্টিৰ লগতহে যেন তেওঁলোকৰ সম্পৰ্ক আছিল অধিক।

ব্যৱহাৰিক জীৱনৰ সকলো সাফল্য বিনীতভাৱে উপেক্ষা কৰি আইনষ্টাইন আৰু স্পিন'জা দুয়ো অতি অনাড়ম্বৰ জীৱন নিৰ্বাহ কৰিছিল। হাইডেলবাৰ্গ বিশ্ববিদ্যালয়ে আগবঢ়োৱা দৰ্শন শাস্ত্ৰৰ অধ্যাপকৰ পদ হেলাৰঙে ত্যাগ কৰি স্পিন'জাই দিন কটাইছিল লে'ন্স্ তৈয়াৰ কৰা এজন সাধাৰণ কৰ্মী হিচাপে। বৈজ্ঞানিক গবেষণাৰ খাতিৰত আইন-ষ্টাইন অধ্যাপক হৈছিল যদিও তেওঁ কৈছিল, 'মই যদি পৃথিৱীত পুনৰ জনম লবলগীয়া হওঁ, তেন্তে বস্তুৱা বা ফেৰিৱালা হৈ জনম লবলৈহে মই ভাল পাম।' এবাৰ তেওঁ কৈছিল যে বিজ্ঞানৰ গবেষণাৰ বাবে লাইট হাউছৰ ৰখীয়া কাৰ্যটোৱেই আটাইতকৈ ভাল; কাৰণ ইয়াত বাহ্যিক জগতখনৰ পৰা কোনো আমনি পোৱা নাযায়। পোছাক-পৰিচ্ছদত আইন-

ষ্টাইন আৰু স্পিন'জা দুয়ো আছিল অধলা। স্পিন'জাই পিন্ধা পোছাক হেনো তেওঁ কাম কৰা চহৰৰ নিকৃষ্টতম নাগৰিক জনতকৈ উন্নত নাছিল। এবাৰ এজন উচ্চ খাপৰ চৰকাৰী বিষয়াই তেওঁক এটা ভাল পোছাক উপহাৰ দিব খোজাত তেওঁ হেনো কৈছিল, 'মূল্যহীন বস্তুক মূল্যবান আভৰণেৰে ঢাকি ৰখাৰ জানো কিবা যুক্তি আছে?' খালি ভৰিৰে বা চেণ্ডেলসহ ইস্ত্ৰিবিহীন পেণ্ট আৰু টাইবিহীন চাৰ্টেৰে প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ প্ৰাংগণত ঘূৰি ফুৰা আইনষ্টাইনৰো এনে অনেক কাহিনী শুনা যায়। অৱশ্যে নিজক কষ্ট দি তৃপ্তি পোৱা প্ৰাচীন গ্ৰীচৰ ষ্টইকসকলৰ বা আমাৰ দেশৰ ভিক্ষুসকলৰ সৈতে একেটাগোত্ৰত এওঁলোকক পেলাব নোৱাৰি। ঐহিক সুখৰ প্ৰতি তেওঁলোক মাথোন উদাসীনহে আছিল, আত্মনিপীড়ন তেওঁলোকৰ কাম্য নাছিল। স্পিন'জাৰ দৰে আইনষ্টাইনৰো নৈতিক দৰ্শনৰ সাৰকথা আছিল সৎ আৰু সৰল জীৱন যাপন, জ্ঞান উপাৰ্জন আৰু বিমল আনন্দ লাভ।

আইনষ্টাইন আৰু স্পিন'জা দুয়ো কেৱল মেধাশক্তি সম্পন্ন লোকেই নাছিল, দুয়ো আছিল প্ৰকৃত অৰ্থত অতি মহৎ লোকো। মানুহৰ বৌদ্ধিক ইতিহাসৰ পাত লুটিয়ালে আমি পাওঁ,—নিউটন, লাইবনিৎচ আদিৰ দৰে মণীষীসকলো ব্যক্তিগত ঈৰ্ষা-অসূয়াৰ উৰ্ধত থাকিব পৰা নাছিল। কিন্তু আইনষ্টাইন আৰু স্পিন'জা আছিল ইয়াৰ বিশিষ্ট ব্যতিক্ৰম। ধৰ্ম আৰু ঈশ্বৰ সম্পৰ্কে নতুন মতবাদ প্ৰচাৰ কৰি মাত্ৰ ছাব্বিশ বছৰ বয়সতে সমাজৰপৰা বহিষ্কৃত হোৱা স্পিন'জাই কাৰো প্ৰতি বিদ্বেষৰ ভাব ৰখা নাছিল। তেওঁ কৈছিল "ঘৃণাৰে প্ৰতিদান দিলে ঘৃণা বৃদ্ধি পায়, আনহাতে প্ৰেমেৰে ইয়াক ধ্বংস কৰিব পাৰি ; প্ৰেমৰ দ্বাৰা পৰাক্ৰান্ত ঘৃণা প্ৰেমত পৰিণত হয়।" এবাৰ তেওঁৰ এজনী ভনীয়েকে তেওঁৰ সম্পত্তি আত্মসাৎ কৰিব খোজাত তেওঁ ভনীয়েকৰ বিৰুদ্ধে এটা মোকৰ্দমা তৰিছিল ; কিন্তু মোকৰ্দমাত জয়লাভ কৰাৰ পিছত তেওঁ সেই সম্পত্তি পুনৰ ভনীয়েকক দান কৰিছিল। জীৱনৰ সুখ-দুখ, বিপদ-বিঘিনিয়ে স্পিন'জাক টলাব নোৱাৰিছিল। হিন্দু দেৱতা শিৱৰ দৰে তেওঁ আছিল

এজন আত্মসন্তুষ্ট আৰু আপোনভোলা পুৰুষ। তেওঁ কৈছিল, "মই মোৰ স্বাভাৱিক বুদ্ধিৰ দ্বাৰা সংগ্ৰহ কৰা ফল বহুসময়ত অলীক হোৱা মই দেখিছোঁ। কিন্তু ই মোক সন্তুষ্টিৰ পৰা বিৰত কৰিব পৰা নাই, কাৰণ সংগ্ৰহতেই মোৰ আনন্দ; মই মোৰ দিনবিলাক পাৰ কৰিব খোজোঁ। দুখ আৰু নিশ্বাসত নহয়; শান্তি, অনুদ্বেগ আৰু আনন্দত।"

জীৱনৰ শত দুৰ্দশাৰ মাজতো আইনষ্টাইনৰ মুখতো এক চৰম প্ৰশান্তিৰ ভাৱ সদায় দেখা গৈছিল। (স্মৰণাৰ্হ, পিতৃভূমিৰ পৰা আইনষ্টাইনেও খেদা খাইছিল আৰু স্পিন'জাৰ দৰে তেওঁকো এবাৰ হত্যা কৰিবলৈ ষড়যন্ত্ৰ কৰা হৈছিল।) হিটলাৰৰ নাৎচী সৈন্যবিলাকৰ অত্যাচাৰে তেওঁৰ মন জৰ্জৰিত কৰি তুলিছিল; তথাপি স্পিন'জা-সদৃশ সন্তুষ্টি তেওঁৰ মুখমণ্ডলৰ পৰা আঁতৰা নাছিল। তেওঁ কৈছিল, "ঘৃণাৰ শৰ মোলৈও মৰা হৈছিল; কিন্তু সিবিলাকে মোক আঘাত কৰিব পৰা নাছিল; কাৰণ সিবিলাক আহিছিল এখন ভিন্ন ৰাজ্যৰ বস্তু যিখনৰ লগত মোৰ কোনো সম্পৰ্ক নাই।"

ফৰাচী সাহিত্যিক হুগোৱে জনপ্ৰিয়তাক ব্যংগ কৰি এবাৰ লেখিছিল, 'Popularity! It is glory's small change' আইনষ্টাইন আৰু 'স্পিন'জা—দুয়ো এই সংজ্ঞাৰ মৰ্মাৰ্থ যেন হাড়ে হাড়ে বুজিব পাৰিছিল। খ্যাতিৰ প্ৰতি লালসা এজনৰো নাছিল। জীৱন-কালত স্পিন'জাই বিশেষ খ্যাতি লাভ কৰা নাছিল। শেষ বয়সত আইনষ্টাইনে জগতজোৰা খ্যাতি লাভ কৰিলেও ইয়াৰ বাবে তেওঁ কাহানিও গৌৰৱ কৰা নাছিল; বৰং খ্যাতিৰ আকস্মিক প্লাৱনত আটাইতকৈ আচৰিত হৈছিল তেও নিজেই। খ্যাতিমন্ত হোৱাৰ 'অপৰাধ'ত তেওঁ যেন অপৰাধীহে—তেওঁ সদায় এনে এটা সঙ্কোচৰ ভাব লৈ ফুৰিছিল। স্বাভাৱিক বিনয়েৰে তেওঁ লেখিছিল,

"ব্যক্তি-পূজা ন্যায়সংগত নহয় বুলি মোৰ ধাৰণা। প্ৰকৃতিয়ে যে তেওঁৰ সন্তানসকলক সমভাৱে পুৰস্কৃত নকৰে, ই সত্য; কিন্তু ভগৱানক ধন্যবাদ যে গুণসম্পন্ন মানুহ পৃথিৱীত অনেক আছে আৰু তেওঁলোকৰ সৰহভাগেই

এক নিৰিবিলি আৰু শান্ত জীৱন যাপন কৰে বুলি মোৰ দৃঢ় বিশ্বাস। গতিকে সীমাহীন প্ৰশংসাৰ বাবে তেওঁলোকৰ মাত্ৰ কেইজনমানক বাছি উলিওৱাটো আৰু সেই কেইজনৰ ওপৰত এক অতিমানৱীয় মানসিক আৰু চাৰিত্ৰিক শক্তি আৰোপ কৰাটো উচিত নহয়; বৰং ই এটা বেয়া ৰুচি বুলিহে মই ভাবোঁ। কিন্তু সম্প্ৰতি এয়ে মোৰ ভাগ্য হৈ পৰিছে, —আৰু জন-সাধাৰণে মোৰ শক্তি আৰু কৃতকাৰ্যতা যেনেদৰে নিৰূপন কৰিছে, তাৰ লগত বাস্তৱৰ বিজনি সঁচাকৈয়ে হাঁহি উঠা ধৰণৰ।"

আইনষ্টাইনৰ চৰিত্ৰত স্পিন'জাৰ এই প্ৰভাৱক তেওঁৰ ব্যক্তিত্বৰ ক্ষতিকাৰক বুলিবপৰা নোৱাৰিয়েই, বৰং ই হ'ল কৰলৈ গলে তেওঁৰ চৰিত্ৰৰ মহিমামণ্ডক কষটি শিল। স্পিন'জাৰ স্থিতপ্ৰজ্ঞা, তেওঁৰ দাৰ্শনিক সৌম্য, অমংগলক অখণ্ড মংগলময়তাৰেই ক্ষুদ্ৰাংশ বুলি ভবা তেওঁৰ মতবাদ সকলো সময়তে গ্ৰহণযোগ্য নহয় যদিও জীৱনৰ ওখোৰা-মোখোৰা পথেদি গৈ থাকোতে দুৰ্দশাৰ গভীৰ খাদত কেতিয়াবা পৰিব-লগীয়া হলে তাৰপৰা আমিও নিজকে উদ্ধাৰ কৰিব পাৰিম বোধকৰোঁ স্পিন'জাৰ মতবাদবিলাকৰ যোগেদিহে।

ধৰ্মৰ ক্ষেত্ৰত আইনষ্টাইন মনে-প্ৰাণে স্পিন'জাৰ শিষ্য আছিল। স্পিন'জা আছিল সৰ্বেশ্বৰবাদী (pantheist)। তেওঁ কৈছিল যে জগতত সাৰবস্তু (substance) মাত্ৰ এটাই : সি হ'ল ঈশ্বৰ বা প্ৰকৃতি ; (ঈশ্বৰ আৰু প্ৰকৃতিক তেওঁ বীজগণিতীয় সমীকৰণ চিহ্নেৰে এক কৰি দেখুৱাইছিল !) তেওঁৰ মতে পদাৰ্থ বা মন বা ইবোৰৰ উত্তৰফল স্বৰূপ বিশ্ব চৰাচৰৰ প্ৰতিটো ঘটনা মূলতে এই সাৰবস্তুজনিত। ঈশ্বৰ অনন্ত গুণৰ অধিকাৰী ; নিজ বুদ্ধিৰ সীমাবদ্ধতাৰ বাবে তেওঁক আমি সম্পূৰ্ণকৈ বুজিব নোৱাৰোঁ, তেওঁৰ অনন্ত গুণৰ কিঞ্চিৎহে মাথোন আমাৰ সমুখত প্ৰকটিত হয়। বিশ্বৰ বাহিৰৰ কোনোবা এঠাইত তেওঁ বাস নকৰে ; আচলতে সমস্ত জীৱজগত ঈশ্বৰতেই আছে, ঈশ্বৰতেই জন্ম লয় আৰু ঈশ্বৰতেই ভ্ৰমণ কৰে (All is in God, all lives and moves in God')। স্পিন'জাৰ ভগৱানত মানৱীয় ধাৰণাৰ স্থান নাই। এই ভগৱানক পূজা-

পাতঞ্জ বা আচাৰ-অনুষ্ঠানৰ দ্বাৰা পাব নোৱাৰি ; এওঁক পোৱাৰ একমাত্র উপায় হ'ল, বিশ্বৰ ৰহস্যভেদ কাৰ্যত নিজকে নিমগ্ন কৰা। স্পিন'জাৰ মতে এনে কামত একচিত্ত হৈ থকা লোকসকলে বিশ্বৰ প্ৰতিটো কণাৰ লগত এক নিবিড় আত্মিক সম্পৰ্ক অনুভৱ কৰে ; সমগ্ৰ বিশ্বতে তেওঁলোকে ভগৱানক দেখা পায়। তেওঁলোকৰ কাৰণে ভগৱান মন্দিৰ, মছজিদ আৰু গীৰ্জাৰ এন্ধাৰ চুকৰপৰা ওলাই আহে আৰু ব্যাপ্ত হয় অনন্ত বিশ্ব ভুৱনত। বিশ্বৰ প্ৰতিটো কণাকে তেওঁলোকে 'শাশ্বত ৰূপ'ত দেখা পায় আৰু ভগৱানৰ 'বৌদ্ধিক প্ৰেম' (intellectual love) তেওঁলোকে লাভ কৰে।

স্পিন'জাৰ দৰে আইনষ্টাইনৰ মতেও, প্ৰকৃতিয়েই হ'ল ভগৱানৰ প্ৰতিভূ ; প্ৰকৃতিৰ লয় আৰু শৃঙ্খলাৰ মাজতে ভগৱান লুকাই আছে আৰু তেওঁক লাভ কৰিব পাৰি বিশ্বজগতক জানিবলৈ কৰা অক্লান্ত চেষ্টাৰ দ্বাৰা। তেওঁ কৈছিল যে সাধাৰণ মানুহৰ কল্পনাত ঈশ্বৰ হ'ল এনে এক সত্তা যাৰ কৃপাদৃষ্টিত মানৱ-জাতিৰ উপকাৰ হয় আৰু যাৰ ৰোষ মানুহৰ বাবে আতংকৰ বিষয়। কিন্তু সাধাৰণ মানুহৰ নিচিনাকৈ বিজ্ঞানীৰ ভগৱান সাকাৰ নহয়, গতিকে তেওঁৰ ধৰ্মীয় ভাৱনাও স্বকীয়া : প্ৰকৃতিৰ নিয়মাৱলীৰ অদ্ভুত শৃংখলা দেখি তাৰপৰা উদ্ভৱ হোৱা বিস্ময়ানুভূতিয়েই হ'ল বিজ্ঞানীৰ ধৰ্মানুভূতি। বিজ্ঞানীৰ ধৰ্মানুভূতি লুকাই থাকে প্ৰকৃতিৰ বিৰাট মনোহৰ ৰূপক এক অখণ্ড সত্তাৰূপে বুজিবলৈ কৰা আপ্ৰাণ চেষ্টাতেই। আইনষ্টাইনে কৈছিল যে অকল বিজ্ঞানীয়েই নহয়, সৃষ্টিশীল কামত নিৰত থকা যি কোনো মানুহেই এনে ধৰণৰ অনুভূতি লাভ কৰিব পাৰে। তেওঁৰ মতে বিশ্ব-ৰহস্য উদ্ঘাটন অভিযানত অংশ লোৱা সকলে আত্মকেন্দ্ৰিক কামনা-বাসনাৰ পৰা মুক্ত হৈ থাকিব পৰা এক চাৰিত্ৰিক শক্তি লাভ কৰে, কিয়নো এনে কামে সৃষ্টিৰ বিশালতাৰ সমুখত নিজৰ নগণ্যতা, নিজৰ সীমাবদ্ধতাৰ কথা তেওঁলোকক সঘনে সোঁৱৰাই থাকে। ধৰ্মৰ এই দিশটোৰ ওপৰত আইনষ্টাইনে যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল আৰু তেওঁৰ প্ৰায়বোৰ

কল্পনাতে এই মনোভাৱ ফুটি উঠিছিল। 'ধৰ্ম আৰু বিজ্ঞান' নামৰ প্ৰবন্ধ এটাত তেওঁ লেখিছিল,

"ধৰ্মীয় ভাবেৰে উদ্দীপ্ত ব্যক্তি সেইজনেই, যি ব্যক্তিগত আকাংক্ষাৰ শিকলিৰ পৰা নিজকে মুক্ত কৰিব পাৰিছে আৰু ব্যস্ত থাকিব পাৰিছে এনে কিছুমান চিন্তা ভাৱনাত যিবিলাকক তেওঁ মূল্য দিয়ে সিবোৰৰ অতি-ব্যক্তিক আধেয়ৰ (super personal content) বাবে। কোনো দৈৱিক সত্তাৰ সৈতে এক কৰা হওঁক বা নহওক, এই অতি-ব্যক্তিক আধেয় মোৰ মতে এক গুৰুত্বপূৰ্ণ কথা, কাৰণ ইয়াৰ ব্যতিৰেকে বুদ্ধ বা স্পিন'জাক ধৰ্মীয় পুৰুষ হিচাপে গণ্য কৰাই অসম্ভৱ হৈ পৰে।"

বুদ্ধিজীৱীসকলে লাভ কৰা এনে ধৰ্মীয় ভাৱনাক আইনষ্টাইনে 'মহাজাগতিক ধৰ্মীয় অনুভূতি' (cosmic religious feeling) আখ্যা দিছিল। একে নামৰে আন এখন ৰচনাত তেওঁ লেখিছিল,—"মই নিজে বিশ্বাস কৰোঁ যে মহাজাগতিক ধৰ্মীয় ভাৱনাই হ'ল বৈজ্ঞানিক গবেষণাৰ বাবে আটাইতকৈ শক্তিশালী আৰু মহৎ প্ৰেৰণা। বিশুদ্ধ তাত্ত্বিক বিজ্ঞানৰ ক্ষেত্ৰত আগবাঢ়িবলৈ হ'লে কিমান যে অপৰিসীম সাধনা আৰু আপোনভোলা নিষ্ঠাৰ প্ৰয়োজন, এই সম্বন্ধে যাৰ জ্ঞান আছে, মাথোন তেওঁলোকেহে বুজিব পাৰিব দৈনন্দিন বাস্তৱ জীৱনৰ লগত সম্পৰ্ক নথকা এই জাতীয় অৱদানৰ জন্ম হ'ব পাৰে মনত কি এক প্ৰচণ্ড আলোড়নৰ সৃষ্টি হলেহে—বিশ্ব-চৰাচৰৰ মাজত এটা সুসংবদ্ধ নিয়ম আছে বুলি কি এক দৃঢ় বিশ্বাস আৰু তাক উপলব্ধি কৰিবলৈ মনত কি এক গভীৰ অনুভূতি থাকিলেহে,……সন্দেহবাদীৰ দ্বাৰা পৰিপূৰ্ণ পৰিবেশৰ ভিতৰত থাকি যি সকল লোকে সমগ্ৰ পৃথিৱীৰ আৰু সৰ্বকালৰ সমমনোভাৱসম্পন্ন ব্যক্তিক পথৰ নিৰ্দেশ দিয়ে, তেওঁলোকৰ মহৎ আদৰ্শৰ কথা বৈজ্ঞানিক গবেষণাৰ প্ৰত্যক্ষ ফলাফল বিচৰা মানুহে বুজিব নোৱাৰে। সেই মহান লোকসকলক কি মন্ত্ৰই প্ৰেৰণা দিয়ে, অগণিত ব্যৰ্থতা সত্বেও কি শক্তিয়ে তেওঁলোকক নিজ আদৰ্শৰ প্ৰতি অবিচলিত হৈ থকাৰ ক্ষমতা যোগায়, তাক সম্যকভাৱে উপলব্ধি কৰিব পাৰে মাত্ৰ

সেইসকল লোকেহে যিসকলে একেজাতীয় কাৰ্য্যৰ বাবে উচৰ্গা কৰিছে। মহাজাগতিক ধৰ্মীয় ভাবনাই মানুহক এই শক্তি দিয়ে।"

স্পিন'জাৰ অধিবিদ্যাই (metaphysics) আনকি আইনষ্টাইনৰ বৈজ্ঞানিক কাৰ্যাৱলীতো তাৰ ছাঁ পেলাইছিল বুলি মাজে মাজে অনুমান হয়। আইনষ্টাইনৰ বৈজ্ঞানিক গবেষণাৰ পদ্ধতি আছিল স্বকীয়া, বস্তুতঃ অপূৰ্ব। নিউটন প্ৰমুখ্যে প্ৰায়বোৰ পুৰণি পদাৰ্থবিদে ভাবিছিল যে বৈজ্ঞানিক তত্ত্ববোৰৰ সৃষ্টি হয় কেৱল আমি প্ৰকৃতিৰ পৰা পোৱা তথ্যপাতিবোৰৰ ওপৰত নিৰ্ভৰ কৰিয়েই। তেওঁলোকে ভাবিছিল যে প্ৰথম দৃষ্টিত প্ৰকৃতিক যেনেদৰে দেখা যায় বা পৰীক্ষাগাৰত যি তথ্য পোৱা যায়, তাক যুক্তি-সংগতভাৱে প্ৰকাশ কৰাই হ'ল বিজ্ঞানীৰ কাম; ইয়াৰ বাবে মাথোন মেধাৰহে প্ৰয়োজন, কোনো স্বৰ্গীয় প্ৰেৰণাৰ নহয়। যেকনে দি যোৱা বৈজ্ঞানিক পদ্ধতি আছিল এনে ধৰণৰ। আনহাতে আইনষ্টাইনে কৈছিল যে, কোনো বৈজ্ঞানিক তত্ত্ব উদ্ভাৱনৰ প্ৰথম চাপ হ'ল তাৰ মৌলিক ধাৰণাসমূহ প্ৰথমে মনতে সাজি উলিওৱা; পিছতহে সিবিলাকৰ পৰিমাণাত্মক ৰূপ দিয়া হয় যাতে বৈজ্ঞানিক পৰীক্ষা-পাতিৰ দ্বাৰা তত্ত্বটোৰ সত্যাসত্য নিৰ্ধাৰণ কৰিব পাৰি। বিজ্ঞানৰ ধাৰণাবিলাক 'মানৱ মনৰ কিছুমান স্বাধীন সৃষ্টি' বুলি তেওঁ এবাৰ অভিহিত কৰিছিল। কল্পনাপূৰ্ণ সৃষ্টিশীল অন্তৰ্দৃষ্টিৰ সমুখত বৈজ্ঞানিক তত্ত্বই আপোনা-আপুনি ধৰা দিয়ে বুলি অধিবিজ্ঞানীসকলৰ নিচিনাকৈ আইনষ্টাইনেও বিশ্বাস কৰিছিল আৰু সেইবাবেই বিজ্ঞানীসকলক তেওঁ এবাৰ 'দমিত অধি-বিজ্ঞানী' (tamed metaphysicist) আখ্যা দিছিল। অভিজ্ঞতাবাদৰ সুদৃঢ় ভেঁটিৰ ওপৰত প্ৰতিষ্ঠা হোৱা বিজ্ঞানৰ অবিসম্বাদী নেতা হৈয়ো তেওঁ কৈছিল, "কোনো কোনো অৰ্থত মই বিশ্বাস কৰোঁ,—প্ৰাচীন-সকলে কল্পনা কৰাৰ দৰে বিশুদ্ধ ভাৱৰ দ্বাৰা বাস্তৱক উপলব্ধি কৰিব পাৰি।"

স্পিন'জা আছিল এজন নিশ্চয়তাবাদী (determinist)। তেওঁৰ মতে মানুহৰ ইচ্ছা স্বাতন্ত্ৰ্য বুলি কোনো বস্তু নাই, জীৱনটো ভাগ্যৰ খেলা

নহয়, ই কেতবোৰ সুনির্দিষ্ট নিয়মৰ অধীন। ব্যক্তিগত ইচ্ছা-অনিচ্ছাৰ বিপৰীতে সকলো মানুহ এই নিয়মসমূহৰ মাজেদি যাব লাগিব। মানুহে যি ইচ্ছা তাকে কৰিব পাৰোঁ বুলি ভাৱে, কাৰণ কি নিয়মৰ দ্বাৰা তেওঁ পৰিচালিত হৈছে, সেইবিষয়ে তেওঁ অজ্ঞ। মানুহৰ ইচ্ছা-স্বাতন্ত্র্যৰ অনুভূতিটোক স্পিন'জাই এটা শিলগুটিৰ অনুভূতিৰ লগত তুলনা কৰিছিল। দলিয়াই দিয়া শিলগুটি এটাই নিজে নিজৰ গতিপথ তৈয়াৰ কৰি লৈছে বুলি ভাবিব পাৰে, কাৰণ ইয়াৰ ওপৰত ক্রিয়া কৰা বলবিজ্ঞানৰ অদৃশ্য নিয়মসমূহৰ বিষয়ে ই অজ্ঞ; ঠিক তেনেদৰে মানুহেও তেওঁৰ জীৱনৰ ওপৰত ক্রিয়া কৰি থকা অচিন শক্তিবিলাকৰ কথা বুজি নাপাই ইচ্ছা স্বাতন্ত্র্যৰ গৌৰৱ কৰে।

স্পিন'জাৰ দৰে আইনষ্টাইনো আছিল এজন গভীৰ নিশ্চয়তাবাদী। প্রকৃতিৰ লয় আৰু ঐক্যৰ ওপৰত তেওঁৰ পূর্ণ বিশ্বাস আছিল। তেওঁ কৈছিল যে প্রকৃতি কেতিয়াও অনিশ্চয়তাপূর্ণ হব নোৱাৰে; আপাতদৃষ্টিত প্রকৃতিৰ ঘটনাৱাজি বহু-বিচিত্র অভিজ্ঞতাৰে পৰিপূর্ণ হৈ থকা যেন লাগিলেও দৰাচলতে সিবিলাকৰ মাজত অন্তর্নিহিত হৈ আছে এক লয় আৰু ঐক্য আৰু বিশৃঙ্খলতাৰ আচ্ছাদন ভেদ কৰি সেই লয় আৰু ঐক্য উদঘাটন কৰাই হৈছে বিজ্ঞানীৰ কাম। 'ভগৱানে জগতখনৰ লগত পাশা খেলা কথাটো মই কেতিয়াও বিশ্বাস কৰিব নোৱাৰোঁ'—এনে উক্তি তেওঁৰ মুখত সঘনে শুনা গৈছিল। কাব্যিক ভাষাৰে তেওঁ এবাৰ কৈছিল, "ৰাতিৰ এন্ধাৰৰ কেইঘণ্টামানৰ পিছত পুৱাৰ পোহৰ যি মানুহে আশা কৰে বা যি মানুহে বৰফে আবৰা খেতিৰ পথাৰখন জহকালি সোণালী শস্যেৰে ভৰি পৰিব বুলি ভাৱে, তেওঁ নাস্তিক নহয়। এটা লয়পূর্ণ নিয়মত তেওঁ বিশ্বাসী যদিও নামটোক লৈ শব্দৰ খেলা তেওঁ কৰিব পাৰে।"

নিশ্চয়তাবাদৰ ওপৰত থকা তেওঁৰ গভীৰ বিশ্বাসে তেওঁৰ মনোভাৱ মাজে মাজে অবিজ্ঞানীসুলভ কৰিও তুলিছিল। প্রকৃতিৰ লয় আৰু শৃংখলাৰ ওপৰত তেওঁৰ বিশ্বাস ইমান গভীৰ আছিল যে পৰীক্ষামূলকভাৱে

প্ৰমাণিত হোৱা সত্ত্বেও আধুনিক কোৱাণ্টাম বলবিজ্ঞাৰ সিদ্ধান্তবিলাক তেওঁ গ্ৰহণ কৰা নাছিল। প্ৰকৃতিৰ নিয়ম ওপৰত থকা তেওঁৰ বিশ্বাস আধুনিক কোৱাণ্টাম পদাৰ্থবিজ্ঞানে মষিমূৰ কৰি পেলাব খোজা দেখি ফ্ৰাচী বিজ্ঞানী লুই দি ব্ৰলিক তেওঁ এবাৰ কৈছিল, 'কুৎসিত কোৱাণ্টাম বোৰৰ লগত মুখামুখি নহবৰ বাবে আপেক্ষিকতাবাদৰ বালিত মূৰ গুঁজি ৰখা মই এটা উট।'

* * *

আইনষ্টাইনৰ ওপৰত স্পিন'জাৰ গভীৰ প্ৰভাৱে আমাৰ মনত স্বভাৱতে এই প্ৰশ্নৰ উদ্ৰেক কৰে, 'স্পিন'জাৰ প্ৰতি আইনষ্টাইনৰ আকৰ্ষণৰ কাৰণ কি?' কাৰণ বোধহয় দুটা: প্ৰথম, আইনষ্টাইনৰ দৰে স্পিন'জাও আছিল এজন লাঞ্ছিত ইহুদী; দ্বিতীয়তে, দাৰ্শনিক হলেও স্পিন'জাও আছিল এজন বৈজ্ঞানিক মনোভাৱাপন্ন লোক। (পাঠকে স্পষ্টকৈ বুজাৰ মানসেৰে তেওঁ 'নীতিশাস্ত্ৰ' গ্ৰন্থখন লেখিছিল এখন জ্যামিতিৰ পুথিৰ আকাৰত। 'ৰামধেনু নিবন্ধ' নামেৰে এখন বৈজ্ঞানিক গ্ৰন্থও তেওঁ লেখি থৈ গৈছে।) গতিকে স্পিন'জাৰ দৰ্শনে আইনষ্টাইনক আকৰ্ষণ কৰা স্বাভাৱিক। বিজ্ঞানৰ ওপৰত স্পিন'জাৰ দৰ্শনৰ প্ৰভাৱ সম্পৰ্কে উইল ডুৰাণ্টে লেখিছে, "বিজ্ঞানে, যি গৰ্বিতভাৱে অধিবিদ্যাক বৰ্জন কৰে—সি এতিয়া নিজেই এক বিশেষ ধৰণৰ অধিবিদ্যা গ্ৰহণ কৰিবলৈ লৈছে। এই অধিবিদ্যা হ'ল স্পিন'জাৰ অধিবিদ্যা" কথাষাৰ মিছা নহয়, কাৰণ আইনষ্টাইনৰ উপৰিও কাৰ্ল পিয়ের্চন, জে. বি. এচ. হলডেন, আদি বহুতো বিজ্ঞানীৰ ওপৰত (আৰু গ্যেটে, ৱৰ্ডচৱৰ্থ প্ৰভৃতি কোনো কোনো কৱিৰ ওপৰতো) স্পিন'জাৰ গভীৰ প্ৰভাৱ পৰিছে।

আইনষ্টাইন আৰু স্পিন'জাৰ মাজত ইমানবিলাক সাদৃশ্য দেখি জন্মান্তৰবাদীসকলৰ সুৰত কেতিয়াবা কবলৈ মন যায়,—আইনষ্টাইন আছিল স্পিন'জাৰ আধুনিক অৱতাৰ।

(১৯৭৪)

॥ দাৰ্শনিক দৃষ্টিত আধুনিক পদাৰ্থবিজ্ঞান ॥

Yet all experience is an arch wherethro,
Gleams that untravell'd world whose
margin fades
Forever and forever when we move.

—টেনিচন

বিজ্ঞান সংঘবদ্ধ জ্ঞানৰ প্ৰতীক। ই নিশ্চিত সত্যৰ সন্ধানী। প্ৰকৃতিয়ে কেনেভাৱে আচৰণ কৰে, পৰীক্ষা আৰু যুক্তিৰ সহায়েৰে ই তাক ফট্‌-ফটীয়াকৈ জানিবলৈ বিচাৰে। দৰ্শনৰ ধূসৰতা ইয়াৰ চকুৰ কুটা। দৰ্শন আৰু বিজ্ঞানৰ দ্বন্দ্ব অৱশ্যে খুব প্ৰাচীন নহয়। থেলিচ, ডিম'ক্ৰিটাচ, আৰিষ্টটল আদি গ্ৰীক পণ্ডিতসকল আৰু চৰক, নাগাৰ্জুন প্ৰমুখ্যে ভাৰতীয় আচাৰ্যসকল আছিল একাধাৰে বিজ্ঞানী আৰু দাৰ্শনিক। আধুনিক কালতো ডেকাৰ্ট, লাইবনিৎচ, কাণ্ট আদি আছিল দৰ্শন আৰু বিজ্ঞান—দুয়োটাতে সমানে পাৰংগত ব্যক্তি। খৃষ্টীয় সোতৰ শতিকা পৰ্যন্ত ইউৰোপত 'প্ৰাকৃতিক দৰ্শন' (natural philosophy) বুলিলে কেৱল বিজ্ঞানকে বুজোৱা হৈছিল; তেতিয়ালৈকে বিজ্ঞান সাধনাৰ পদ্ধতি আছিল অস্পষ্ট আৰু দৰ্শনৰ নিচিনাকৈ ইয়াকো পৰীক্ষাপাতিৰ সহায় নোলোৱাকৈ কেৱল জুহালৰ কাষত বহিয়েই শিকিব পৰা এবিধ জ্ঞান বুলি গণ্য কৰি অহা হৈছিল। তত্ত্বৰ লগত পৰীক্ষাৰ সংযোগ ঘটাই বিজ্ঞানক জ্ঞান আহৰণৰ এটা নিৰ্দিষ্ট পদ্ধতি কৰি গঢ়ি তোলে প্ৰথমে গেলিলিঅ'ই; কিন্তু ই পূৰ্ণতা লাভ কৰিলে নিউটনৰ হাতত্‌হে। নিউটনে বিজ্ঞানক দৰ্শনৰ পৰা পৃথক কৰিলে আৰু দৰ্শনৰ ধূসৰতাৰ পৰা সাৱধানে থাকিবলৈ তেওঁ ভৱিষ্যতৰ বিজ্ঞানক সাৱধান কৰিও দিলে। ("O Physics, beware of Metaphysics')—সোতৰ পৰা

উনৈশশলৈকে—এই দুই শতিকাকাল বিজ্ঞান দৰ্শনৰ পৰা আঁতৰি আছিল বুলিব পাৰি। কিন্তু কুৰি শতিকাত বিজ্ঞান পুনৰ দৰ্শনৰ কাষ চাপি আহিল। এই শতিকাটোৰ আৰম্ভনিতে কোৱাণ্টাম তত্ত্ব, আপেক্ষিকতা-বাদ প্ৰভৃতি এনে কিছুমান অভিনৱ তত্ত্বৰ আবিৰ্ভাৱ হ'ল যিবিলাকে কেৱল প্ৰচলিত বৈজ্ঞানিক ধাৰণা কিছুমানৰ পৰিৱৰ্তন ঘটায়েই ক্ষান্ত নাথাকিল, বহুতো নতুন দাৰ্শনিক সমস্যাৰো ইবোৰে সৃষ্টি কৰিলে। এই তত্ত্বসমূহে বিজ্ঞানীসকলক শিকালে যে তেওঁলোকৰ পূৰ্বসূৰী সকলে বিজ্ঞানত যি নিশ্চিত জ্ঞানৰ সন্ধান কৰিছিল, সি আচলতে এটা দূৰৈৰ আদৰ্শহে মাথোন; অতি অনিচ্ছাৰে হলেও বিজ্ঞানত দৰ্শনৰ ধূসৰতা আমি কিছু পৰিমাণে হলেও গ্ৰহণ কৰিবই লাগিব।

পদাৰ্থবিজ্ঞানৰ আধুনিক তত্ত্ববিলাকৰ অধ্যয়নৰ পিছত বিজ্ঞানীসকলৰ নিশ্চিত জ্ঞানৰ সন্ধান-প্ৰচেষ্টাই আমাক সোঁৱৰাই দিয়ে সেই পৰিচিত গল্পটোৰ কথা য'ত পৃথিৱীখন এটা হাতীৰ ওপৰত বৈ থাকে। 'পৃথিৱীখন কিহৰ ওপৰত বৈ থাকে?'—এই প্ৰশ্নৰ উত্তৰত হাতীটো কল্পনা কৰিব লগীয়া হৈছিল। 'তেনেহলে হাতীটোনো কিহৰ ওপৰত বৈ থাকে?'—এই প্ৰশ্নৰ উত্তৰত পুনৰ এটা কাছৰ সৃষ্টি কৰিবলগীয়া হ'ল। ঠিক একেদৰে প্ৰকৃতিৰ কেতবোৰ ৰহস্যৰ ব্যাখ্যাৰ বাবে বিজ্ঞানীসকলে কিছুমান তত্ত্বৰ সৃষ্টি কৰিছিল। পিছলৈ সেই তত্ত্ববোৰৰ কিছুমান খুঁত মাৰিবৰ বাবে পুনৰ কিছুমান নতুন তত্ত্বৰ সৃষ্টি কৰিবলগীয়া হ'ল, আৰু দেখা গ'ল যে এই তত্ত্ববিলাকো নিখুঁত নহয়। কিছুমান নতুন তত্ত্বৰ বীজ নৰখাকৈ বিজ্ঞানত কোনো তত্ত্ব আবিষ্কাৰ কৰিব নোৱাৰি!! উদাহৰণ দিয়া যাওক। পদাৰ্থবিজ্ঞানীসকলৰ কাম হ'ল পদাৰ্থৰ স্বৰূপ উদ্ঘাটন। দেখাত এই কাম সহজ। জীৱ-জন্তু, গছ-গছনি, মই বহা চকীখন, মই লেখা কলমটো এই সকলোবিলাক কিছুমান পদাৰ্থৰ দ্বাৰা গঠিত। সাধাৰণভাৱে পদাৰ্থ হ'ল কিছুমান গোটা বা জুলীয়া বা গেচীয় বস্তুৰ সমষ্টি। কিন্তু যিমানেই-দ-লৈ সোমোৱা যায়, পদাৰ্থৰ ধাৰণাও সিমানেই

জটিল হৈ পৰে। ইতিহাসত পোৱা মতে পদাৰ্থৰ স্বৰূপ সম্পৰ্কে প্ৰথমে গৱেষণা আৰম্ভ কৰিছিল গ্ৰীক বিজ্ঞানী থেলিচে। (আমাৰ দেশৰ সাংখ্য, বৈশেষিক আৰু জৈন দৰ্শনৰ পণ্ডিত সকলেও এই বিষয়ে চিন্তা কৰাৰ প্ৰমাণ আছে)। থেলিচে বিশ্বৰ সকলো পদাৰ্থ পানীৰ পৰা হোৱা বুলি ভাবিছিল। এম্পিড'ক্লেচ নামে আন এজন গ্ৰীক পণ্ডিতে আকৌ কৈছিল যে বিশ্বৰ সকলো পদাৰ্থৰ মূল উপাদান হৈছে চাৰিটা—মাটি, পানী, বায়ু আৰু জুই। (আমাৰ দেশৰ 'চাৰ্বাক' বা 'লোকায়তিক' নামৰ বস্তুবাদী দাৰ্শনিকৰ দলটোৱে আকৌ ভাবিছিল যে জগতৰ সকলো বস্তুৰ সৃষ্টি হৈছে ক্ষিতি, অপ, তেজ, মৰুৎ আৰু ব্যোম—এই পঞ্চভূতৰ পৰা।) পিচৰ যুগত গ্ৰীচৰ লিউচিপাচ আৰু ডিম'ক্ৰিটাচ আৰু আমাৰ দেশৰ কণাদ আদিয়ে প্ৰকৃতিৰ সকলো পদাৰ্থ কিছুমান অবিভাজ্য কণিকাৰ ('পৰমাণু'ৰ) পৰা হোৱা বুলি প্ৰচাৰ কৰিছিল। আধুনিক পৰমাণুবাদৰ জনক ডেল্টনৰ দিনলৈকে পৰমাণু কিছুমান অবিভাজ্য গোটা' কণিকা হৈয়েই আছিল। কিন্তু কুৰি শতিকাৰ আৰম্ভনিত টমচন, ৰাডাৰফ'ৰ্ড, ব'ৰ, চাডউইক প্ৰমুখ্যে এদল বিজ্ঞানীয়ে দেখুৱালে যে পৰমাণু 'গোটা' নহয়; ই প্ৰ'টন, ইলেকট্ৰন আৰু নিউট্ৰন —এই তিনিবিধ মৌলিক কণিকাৰ (elementary particle) সমষ্টি আৰু এই কণিকাবিলাকৰ মাজত প্ৰচুৰ খালি ঠাই থাকে! ইয়াৰ কেই বছৰমানৰ পিচত ফাৰ্মি, ডিৰকে, পাওলি, য়ুকাৱা আদি বিজ্ঞানীসকলে আকৌ প্ৰচাৰ কৰিলে যে পৰমাণুত থকা কণিকা কেৱল এই তিনিবিধেই নহয়, ইবিলাকৰ উপৰিও পায়েন, মিউৱণ, নিউট্ৰিন,' পজিট্ৰন আদি আৰু অনেক মৌলিক কণিকাও পৰমাণুত বিদ্যমান! ডেৰ কুৰিতকৈয়ো অধিক মৌলিক কণিকা সম্প্ৰতি আবিষ্কৃত হৈছে। এই কণিকাবোৰ শুদা চকুৰে দেখাতো নাযায়েই, বৰং অতিশয় শক্তিশালী অণুবীক্ষণ যন্ত্ৰেৰেও এইবোৰ মনিব নোৱাৰি।

এনেকে, পদাৰ্থৰ স্বৰূপ সন্ধানেই পদাৰ্থবিজ্ঞানৰ প্ৰধানতম উদ্দেশ্য

হলেও পদাৰ্থ নো কি ? এই 'সাধাৰণ' প্ৰশ্নটোৰে উত্তৰ আজিলৈকে কোনেও স্পষ্টভাৱে দিব পৰা নাই।

* * *

পুৰণি পদাৰ্থবিদসকলে জগতখন আপাতদৃষ্টিত যেনেভাৱে দেখা যায়, ঠিক তেনেভাৱে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকৰ জগতখন আছিল সৰল আৰু ইয়াৰ ব্যাখ্যাও আছিল সৰল। পদাৰ্থ আছিল কিছুমান গোটা বস্তু, ভৰ আছিল বস্তুত থকা পদাৰ্থৰ পৰিমাণ, মহাকাশ আছিল বিশ্বৰ সকলো পদাৰ্থৰ ধাৰক, সময় আছিল অনাদি অতীতৰ পৰা অনন্ত ভবিষ্যতলৈ অবাধিতে বৈ থকা এটা সুঁতি। কিন্তু বিজ্ঞানী-সকল প্ৰকৃতিৰ ৰহস্যৰ ভিতৰলৈ যিমানেই সোমাই গ'ল, চিৰ পৰিচিত জগতখনৰ পৰা তেওঁলোক সিমানেই আঁতৰি আহিল। তেওঁলোক উপনীত হ'লহি এলিচৰ অজান দেশৰ দৰে এনে এখন জগতত যিখনৰ লগত আমাৰ পৰিচিত জগতখনৰ কোনো সাদৃশ্যই প্ৰথম দৃষ্টিত ধৰা নপৰে। আধুনিক পদাৰ্থবিজ্ঞানত পদাৰ্থৰ প্ৰাচীন ধাৰণাৰ বিলুপ্তি ঘটিল। অকল পৰমাণুৱেই নহয়, ইলেক্‌ট্ৰন, প্ৰটন আদি মৌলিক কণিকাবিলাকো মাৰ্বল গুটিৰ দৰে কিছুমান 'গোটা' বস্তু হৈ নাথাকিল,—ইবোৰ হৈ পৰিল কোৱাণ্টাম বলবিজ্ঞানৰ তৰংগ-সমুদ্ৰত উটি ভাঁহি ফুৰা, নিৰ্দিষ্ট পৰিসীমা নথকা, কিছুমান অদৃশ্য ভৌতিক সত্তা; মহাকাশ আৰু সময়েও নিজৰ স্বকীয়া অস্তিত্ব হেৰুৱাই পেলালে চতুৰ্থমাত্ৰীয় আকাশ-কালত। গই দি মুচি নামৰ এজন আধুনিক লেখকে সমগ্ৰ পৰিস্থিতি-টোৰ এটা সুন্দৰ উপমা আগবঢ়াইছে। আধুনিক পদাৰ্থজগতখনক তেওঁ তুলনা কৰিছে ক্ৰমাৎ দূৰলৈ আঁতৰি যোৱা এজন বন্ধুৰ লগত। বন্ধুজন আমাৰ ওচৰত থকা সময়ত তেওঁৰ লগত আমাৰ চাক্ষুষ সম্পৰ্ক আছিল। বন্ধুজন কোন, তেওঁ দেখাত কেনে, তেওঁৰ খোজ-কাটল কেনে ধৰণৰ—ইত্যাদি তেওঁৰ বিষয়ে সকলো কথাই আমি পোনপটীয়াকৈ জানিব পাৰিছিলো। কিন্তু বন্ধুজন দূৰলৈ আঁতৰি যোৱাৰ লগে লগে তেওঁ আমাৰ বাবে ক্ৰমাৎ অস্পষ্ট হৈ আহিল। এটা সময়ত আমি তেওঁক

৫

নেদেখা হৈ গলো আৰু তেওঁৰ অস্তিত্ব সম্পৰ্কে অৱগত হলো চিঠি, টেলিফোন, জনবৰ ইত্যাদি কিছুমান পৰোক্ষ উপায়ৰ যোগেদিহে। দূৰলৈ আঁতৰি যোৱা বন্ধুজনৰ দৰে আধুনিক পদাৰ্থবিজ্ঞানৰ জগতখনো আমি আৰু প্ৰত্যক্ষভাৱে দেখা নাপাওঁ; আমি ইয়াৰ উমান পাওঁ টেলিস্ক'প, মাইক্ৰস্ক'প, ফটোগ্ৰাফিক প্লেট, চাইক্ল'ট্ৰন, গাইগাৰ কাউন্টাৰ আদিৰ বৈজ্ঞানিক যন্ত্ৰ-পাতিৰ আৰু কিছুমান গণিতীয় সমীকৰণৰ যোগেদি পৰোক্ষভাৱেহে।

আধুনিক পদাৰ্থবিজ্ঞানে পদাৰ্থজগত সম্পৰ্কে বহুকালৰ পৰা চলি অহা কেইবাটাও দাৰ্শনিক ধাৰণা মষিমূৰ কৰিছে। উনৈশ শতিকা পৰ্যন্ত পদাৰ্থবিদসকলে ভাবিছিল যে বিশ্বখন হৈছে এটা প্ৰকাণ্ড যন্ত্ৰ আৰু তেওঁলোক হৈছে একো একোজন যন্ত্ৰবিদ; এজন ভাল যন্ত্ৰবিদে যেনেকৈ এটা যন্ত্ৰৰ বিষয়ে পুংখানুপুংখকৈ জানিব পাৰে, সেইদৰে তেওঁলোকেও বিশ্বখন পুংখানুপুংখকৈ জনা সম্ভৱ। প্ৰকৃতিৰ সকলো নিয়ম নিশ্চিত আৰু খাটাং বুলি তেওঁলোকে ভাবিছিল। বিজ্ঞানৰ দৰ্শনত পুৰণি পদাৰ্থবিদসকলৰ এই মনোভাৱ 'নিশ্চয়তাবাদ' নামেৰে জনাজাত। বহিৰ্জগতৰ প্ৰতি পুৰণি পদাৰ্থবিদসকলৰ এই যি যান্ত্ৰিক দৃষ্টিভংগী, কোৱাণ্টাম তত্ত্ব আপেক্ষিকতাবাদে তাৰ অন্ত পেলালে। ইবোৰৰ প্ৰবল খুন্দাত ধ্ৰুপদী নিশ্চয়তাবাদ সোলোক-ঢোলোক হৈ পৰিল। পদাৰ্থবিজ্ঞানীসকলে এতিয়া বুজিলে যে কিছুমান নিশ্চিত নিয়মে নহয়, কিছুমান সম্ভাৱনা সূত্ৰইহে হয়তো জগতখন পৰিচালনা কৰিছে; বিশ্বখন এটা মেচিন নহয় যাক আমি এজন ইঞ্জিনীয়াৰৰ দৰে খুলি মেলি চাব পাৰোঁ; বিশ্বখনত নিউটনীয় বলবিজ্ঞানৰ সকলোবোৰ সূত্ৰৰ প্ৰয়োগ হয়তো অসম্ভৱ।

এসময়ত পদাৰ্থবিজ্ঞানীসকলৰ দৃঢ় বিশ্বাস আছিল যে পৰ্যবেক্ষিত জগতখনৰ লগত পৰ্যবেক্ষকৰ কোনো ধৰণৰ সম্পৰ্ক নাই, অৰ্থাৎ পৰ্যবেক্ষকে পৰ্যবেক্ষিত জগতখনৰ ওপৰত যা পৰ্যবেক্ষিত জগতখনে পৰ্যবেক্ষকৰ ওপৰত কোনো ধৰণৰ প্ৰভাৱ পেলাব নোৱাৰে। কিন্তু

পর্যবেক্ষক আৰু পৰ্যবেক্ষিতৰ মাজত থকা পুৰণি পদাৰ্থবিজ্ঞানৰ এই কটকটীয়া সীমাৰেখা আধুনিক বিজ্ঞানে শিথিল কৰি পেলালে। আইনষ্টাইনৰ আপেক্ষিকতাবাদে দেখুৱালে যে সময়, মহাকাশ আদি ধাৰণাবিলাক পৰ্যবেক্ষকৰ অৱস্থানৰ ওপৰত বহু পৰিমাণে নির্ভৰশীল। সেইদৰে হাইজেনবার্গৰ বিখ্যাত অনিশ্চয়তা সুত্ৰয়ো (uncertainty principle) দেখুৱাইছে যে পদাৰ্থজগতখনক ব্যাঘাত নজন্মোৱাকৈ তাক পর্যবেক্ষণ কৰা অসম্ভৱ অর্থাৎ পর্যবেক্ষক পর্যবেক্ষিত জগতখনৰে এটা অংশ। পদাৰ্থবিজ্ঞানৰ এই নতুন আৰু পুৰণি দৃষ্টিভংগীক জেম্চ জীন্সে তেওঁৰ 'নিউ বেকগ্রাউণ্ড অব চায়েন্স' নামৰ কিতাপখনত এটা মনোগ্রাহী উদাহৰণেৰে বুজাবলৈ চেষ্টা কৰিছে। তেওঁৰ মতে পুৰণি পদাৰ্থবিদ সকলে প্রকৃতিক নিৰীক্ষণ কৰিছিল আকাশী যানেৰে এখন মৰুভূমিক দূৰৈৰ পৰা নিৰীক্ষণ কৰাৰ দৰে; গতিকে মৰুভূমিৰ ধূলিবালিয়ে তেওঁলোকৰ নিৰীক্ষণ কার্যত বাধা জন্মাব পৰা নাছিল। কিন্তু আধুনিক পদাৰ্থবিজ্ঞানে দেখুৱাইছে যে নিজকে এইদৰে বিচ্ছিন্ন কৰি দূৰৈৰ পৰা প্রকৃতিক আমি কেতিয়াও চাব নোৱাৰোঁ; প্রকৃতি মৰুভূমিক জানিব লাগিলে আমি তাৰ ওপৰেদি খোজকাঢ়ি যাবই লাগিব; ইয়াৰ ফলত সৃষ্টি হোৱা ধূলি-বালিৰ ডাৱৰে আমাৰ দৃষ্টি ধূসৰ কৰি তুলিলেও ইয়াৰ বাহিৰে প্রকৃতিক পর্যবেক্ষণ কৰাৰ দ্বিতীয় উপায় নাই।

সত্য আপেক্ষিক বুলি বিভিন্ন দেশৰ দার্শনিকসকলে তাহানিৰে পৰা কৈ আহিছে। আধুনিক পদাৰ্থবিজ্ঞানেও এই কথাই নতুনকৈ প্রমাণ কৰিছে। কোৱাণ্টাম তত্ত্ব আৰু আপেক্ষিকতাবাদে দেখুৱাইছে যে বিজ্ঞানীসকলৰ বৌদ্ধিক গভীৰতা যিমানেই নাবাঢ়ক কিয়, বা বিজ্ঞানী-সকলে ব্যৱহাৰ কৰা যন্ত্ৰপাতি যিমানেই নিখুঁত নহওক কিয় প্রকৃতি সম্পৰ্কে 'পৰম সত্য'ক উদ্ধাৰ কৰিবলৈ তেওঁলোক অপাৰগ। আনভাৱে কবলৈ গলে আধুনিক পদাৰ্থবিজ্ঞানৰ মতে বিজ্ঞানত সত্য সাধ্যহে, সিদ্ধ নহয়। আধুনিক পদাৰ্থবিজ্ঞানে ন্যায়শাস্ত্র আৰু গণিতৰ অনম্য সূত্ৰৰ সহায়েৰে জগতৰ সকলো ৰহস্য সমাধান কৰিব খোজে। কিন্তু ন্যায়শাস্ত্র

আৰু গণিত নিৰ্ভুল, অব্যতিক্ৰান্ত পদ্ধতি নহয়। 'As logic improves, the less and less can be proved'—বুলি কুৰি শতিকাৰ শ্ৰেষ্ঠ ন্যায়শাস্ত্ৰবিদ স্বয়ং ৰাছেলেই স্বীকাৰ কৰিছে। তদুপৰি আজি কিছু বছৰৰ আগতে কুৰ্ট গডেল নামে এজন ন্যায় শাস্ত্ৰবেত্তাই গণিতৰ আৰু এটা দুৰ্বলতালৈ আঙুলিয়াই দেখুৱাইছে। ন্যায়শাস্ত্ৰৰ সহায়েৰেই তেওঁ প্ৰমাণ কৰিছে যে গণিতৰ উপপাদ্যবিলাক যিমানেই সংগত (consistent) যেন লাগে, তাত বিসংগতিও সিমানেই থাকে,—স্বতঃসিদ্ধৰ ভিত্তিত গণিত বা পদাৰ্থবিজ্ঞানৰ সকলোবিলাক সমস্যাৰ সমাধান অসম্ভৱ! এই সন্দৰ্ভত ভাৰতৰ বিখ্যাত বিজ্ঞান লেখক' জগজিৎ সিঙৰ এষাৰ উক্তি উল্লেখিয়াব' পাৰি: "নিঃসন্দেহে ৰজাৰ বাবে সোণ যিমান মূল্যবান, চিন্তাবিদসকলৰ বাবে চিন্তাৰ স্পষ্টতা আৰু প্ৰকাশৰ শুদ্ধতাও সিমানেই মূল্যবান। কিন্তু ৰাছেল আৰু তেওঁৰ অনুগামী বৃন্দই তেওঁলোকৰ ইষ্টদেৱ 'ন্যায়শাস্ত্ৰ'ৰ পৰা শুদ্ধতাৰ যি মিডাছস্পৰ্শ কামনা কৰিছে, সি ৰজা মিডাছলৈ বেক্কাচৰ উপহাৰৰ দৰেই ধ্বংসকাৰী হ'ব পাৰে।" ('মেথেমেটিকেল আইডিয়াজ')।

ওঠৰ শতিকাত ফৰাচী বিজ্ঞানী লাপলাচে কৈছিল, 'মোক এজন, ভাল গণিতজ্ঞ দিয়া, জগতৰ ভূত-ভৱিষ্যত মই কৈ দিম। প্ৰকৃতিৰ বোধগম্যতাৰ ওপৰত বিজ্ঞানীসকলৰ এসময়ত যি সুগভীৰ আস্থা আছিল, সি সম্প্ৰতি শিথিল হৈ পৰিছে। এতিয়াৰ বিজ্ঞানীয়ে দেখিছে যে, যিটো ভেটিৰ ওপৰত তেওঁলোকে বিজ্ঞানৰ দেউল গঢ়ি তুলিব খুজিছে, সেই ভেটিটোৱেই যেন বালিময়, ইয়াৰ ওপৰত শক্তিশালী দেউল গঢ়ি তোলা টান। দাৰ্শনিক বিজ্ঞানী কাৰ্ল পপাৰৰ ভাষাত: "কঠিন শিলৰ ওপৰত বিজ্ঞান প্ৰতিষ্ঠিত নহয়, ইয়াত তত্ত্বসমূহৰ গাঁঠনি কৰা হয় ঠিক যেন জলাশয় ভূমিৰ ওপৰতহে। ..... বিজ্ঞানৰ কোনো 'প্ৰদত্ত ভিত্তি' (given base) নাই; যি কোনো ভেটিত প্ৰতিষ্ঠিত কোনো তত্ত্বই সাময়িকভাৱে আমাৰ কাম চলাই দিলেই আমি তুষ্ট হওঁ।" (লজিক অৱ চায়েন্টিফিক ডিচকভাৰি)

বিজ্ঞানৰ ক্ৰমোন্নতিৰ লগে লগে এই কথা স্পষ্ট হৈ পৰিছে যে প্ৰকৃতিৰ সকলোবোৰ সমস্যাৰ পূৰ্ণ সমাধান দিবলৈ বিজ্ঞান অপাৰগ,— নতুন সমস্যাৰ সৃষ্টি নকৰাকৈ বিজ্ঞানত কোনো সমস্যাৰেই সমাধান কৰিব নোৱাৰি। অজ্ঞতাৰ পৰিধি বৃদ্ধি নকৰাকৈ জ্ঞানৰ পৰিধি বৃদ্ধি কৰা অসম্ভৱ। সেয়ে অমিত জ্ঞানৰ অধিকাৰী হোৱাৰ পিচতো গ্যেটেৰ ফাউষ্টৰ দৰে আজিৰ বিজ্ঞানীয়ে হয়তো মনে মনে ভাবে—

And here I am at last, a very fool,
To feel that nothing can be known.

সেই বুলি বিজ্ঞানৰ এই সীমাবদ্ধতাত হতাশ হৈ বিজ্ঞানীসকলেৰ বিজ্ঞান সাধনা ত্যাগ কৰি হাত সাবটি বহি থকা নাই। ৰহস্য অন্তহীনতা মানুহৰ হতাশাৰ কাৰণ নহয়, বৰং ই মানুহৰ জ্ঞান-সাধনাৰ এক সঞ্জীৱনী শক্তিহে। 'ৰহস্যতেই সৌন্দৰ্য লুকাই আছে, এই সৌন্দৰ্য যাৰ বাবে আচহুৱা, যি কেতিয়াও আচৰিত হবলৈ শিকা নাই, তেওঁ মৃতকৰ তুল্য'—বুলি আইনষ্টাইনে এঠাইত লেখি থৈ গৈছে। জ্ঞান-সমুদ্ৰ পান কৰি শেষ কৰিব নোৱাৰি বুলি জানিও মানুহ সেই চেষ্টাৰপৰা বিৰত নহয়। এইটোৱেই হ'ল মানুহৰ ধৰ্ম আৰু প্ৰমিথিয়ুচসদৃশ এই বাতুলতা মানুহৰ মহত্ত্বৰো উৎস।

(১৯৭৫)

॥ মাৰ্ক্সৰ সাহিত্য প্ৰীতি ॥

পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ চিন্তাবিদ কাৰ্ল্ মাৰ্ক্স আছিল এগৰাকী বিশ্বকোষিক জ্ঞানসম্পন্ন পুৰুষ। মানৱীয় জ্ঞানৰ ইমানবোৰ বিভিন্ন দিশত তেওঁৰ ব্যুৎপত্তি আছিল যে সেই কথা ভাবিলে বিস্ময়াভিভূত নহৈ নোৱাৰি। এই ক্ষেত্ৰত তেওঁ আৰিষ্টতল, লিঅ'নাৰ্ড', গ্যেটে, হেগেল প্ৰমুখ্যে পূৰ্ণ-মানৱৰ প্ৰয়াসী পূৰ্বসূৰীসকলৰ সমগোত্ৰীয়। কিন্তু পাণ্ডিত্যই, মগজুৰ প্ৰখৰতাই মাৰ্ক্সৰ একমাত্ৰ পৰিচয় নহয়, তেওঁ আছিল কলা-সাহিত্যৰ প্ৰতি অনুৰাগী এগৰাকী অত্যন্ত সুৰুচিশীল ব্যক্তিও। 'তুমি যদি কলা উপভোগ কৰিব খোজা, তেন্তে তুমি কলাগতভাৱে সংস্কৃতি সম্পন্ন মানুহ হ'ব লাগিব'—তেওঁ কৈছিল। কলা-সাহিত্যৰ ৰসাস্বাদন কৰিব পৰা এটা সুকুমাৰ মন তেওঁৰ নিজৰো আছিল আৰু জ্ঞানৰ ঊষৰ ৰাজ্যত তেওঁৰ বিচৰণে ইয়াক শীৰ্ণ কৰিব পৰা নাছিল। পৰিস্থিতিৰ ফেৰত কোবিদহে হ'লগৈ যদিও বাল্যকালত তেওঁ কিন্তু কবি হোৱাৰহে মানস কৰিছিল। 'কবিতাই হ'ব মোৰ জীৱনৰ প্ৰথম চিন্তা'—বাৰ্লিন বিশ্ববিদ্যালয়ৰপৰা তেওঁ এবাৰ দেউতাকলৈ চিঠি লেখিছিল। কবি হোৱাৰ মানসেৰে ল'ৰাকালছোৱাত তেওঁ অজস্ৰ কবিতা ৰচনাও কৰিছিল। ঊনৈশ বছৰ বয়সত বিশ্ববিদ্যালয়ৰপৰা কবিতাৰ তিনিটা শকত বহী তেওঁ এবাৰ উপহাৰ হিচাপে তেওঁৰ দয়িতা য়েনী ফন ভেষ্ট্‌ফালেনলৈ পঠিয়াই দিছিল। উল্লেখ্য যে তেওঁৰ প্ৰথম প্ৰকাশিত ৰচনাও আছিল দুটা কবিতাহে। ১৮৪১ চনত 'এথেনাউম' নামৰ এখন আলোচনীত এই কবিতা দুটা প্ৰকাশ পাইছিল। মাৰ্ক্সৰ কবিতাবোৰ অৱশ্যে খুব উচ্চ পৰ্য্যায়ৰ আছিল বুলিব নোৱাৰি। তেওঁৰ কবিতা সম্পৰ্কে এজন আধুনিক মাৰ্ক্স-পণ্ডিতে এইদৰে মন্তব্য কৰিছে,—

"মাক্সৰ্ৰ কবিতাবিলাক আছিল ব্যৰ্থ-প্ৰেম, আৰু ৰহস্যময় শক্তি-সমূহৰ ক্ৰীড়নক হিচাপে মানুহৰ ভাগ্যৰ কথাৰে ভৰপূৰ। সিবিলাকত পোৱা গৈছিল সেই কালৰ পৰিচিত মনোধৰ্মিতা, আৰু সমাজ-বিচ্ছিন্ন সৃষ্টিধৰ্মী কলাকাৰৰ ব্যক্তিত্বৰ গুণানুকীৰ্তন। আন কিছুমানত প্ৰকাশ পাইছিল অসীম কিবা এটাৰ প্ৰতি আকুলতা আৰু নভালিচ-সদৃশ মৃত্যু-প্ৰীতি; কিছুমান আকৌ ৰচিত হৈছিল কেৱল ৰহস্যবাদী কল্পনাৰ কল্প-লোক হিচাপে। (ডেভিদ মেকলেনান : মাৰ্ক্স বিফ'ৰ মাৰ্ক্সিজ্‌ম)

মাৰ্ক্সৰ কবিতাৰ চানেকি হিচাপে 'বন্য গান' নামে তেওঁৰ এটা কবিতাৰ ইংৰাজী ভাঙনিৰ পৰা দুটা পংক্তি তলত তুলি ধৰা হ'ল :

Ne'er can I perform in calmness
What has seized my soul with might,
But I must strive and struggle onwards
In a ceaseless, restless fight.
All divine, enhancing graces
Would I make of life a part ;
Penetrate the realms of Science,
Grasp the joys of Song and Art."

মাৰ্ক্সৰ যুযুৎসু মনোভাৱ, তেওঁৰ ফাউষ্টিয়ান উদ্যম, কিবা এটা কৰাৰ প্ৰতি তেওঁৰ চিৰ-আকুলতা আৰু তেওঁৰ বিশ্ব-মানৱ-এষণা পঙ্ক্তি দুটাত সুন্দৰকৈ পৰিস্ফুট হৈছে।

পিচলৈ মাৰ্ক্সে তেওঁৰ কাব্যিক ক্ষমতা দুৰ্বল বুলি অনুভৱ কৰি কবিতা লেখা এৰি দিয়ে আৰু ইতিমধ্যে লেখা বহুতো কবিতা নষ্ট কৰি পেলায়। 'অউলানেম' নামে এখন ট্ৰেজিক কাব্য, আৰু 'স্কৰ্পিয়ন উণ্ড্‌ ফেলিক্স' নামে এখন ব্যাঙ্গ উপন্যাসো তেওঁ সৰুতে ৰচনা কৰিছিল। গল্প লেখিবলৈ মন কৰি গল্পৰ প্লট কিছুমানো তেওঁ গোটাইছিল। ঊনৈশ শতিকাৰ চতুৰ্থ দশকৰ শেষৰফালে ইউজিন শ্য নামে এজন লোকে লেখা 'পেৰিচৰ ৰহস্য' নামৰ এখন জনপ্ৰিয় উপন্যাসৰ এটা সমালোচনাও তেওঁ ৰচনা

কৰিছিল। পৰৱৰ্তী জীৱনত সাহিত্য চৰ্চা কৰা হৈ নুঠিল যদিও সাহিত্যো-নুৰাগ তেওঁ হেৰুৱাই পেলোৱা নাছিল। প্ৰিয় সাহিত্যিকসকলৰ ৰচনা তেওঁ নিয়মিতভাৱে পাঠ কৰিছিল। ছাৰেৰ, ফ্ৰেইলিংগ্ৰাথ আৰু হাইনে—তেওঁৰ সমসাময়িক এই জাৰ্মান কবি তিনি গৰাকীৰ সৈতে, বিশেষকৈ হাইনেৰ সৈতে, তেওঁৰ প্ৰগাঢ় বন্ধুত্ব জন্মিছিল আৰু হাইনেৰ বহুতো কবিতাত তেওঁ আনকি হাত ফুৰায়ো দিছিল। ভাটি বয়সত তেওঁ বাল-জাকৰ 'লা কমেডি হিউমেন' অৰ ওপৰত এলানি সমালোচনা লেখাৰ, আৰু গ্ৰেছিৰ (Grechi) বিষয়বস্তুৰ ভিত্তিত এখন ট্ৰেজিক নাট ৰচনা কৰাৰ কথাও তেওঁ মাজে মাজে চিন্তা কৰিছিল।

মাৰ্ক্স সাহিত্যিক নাছিল যদিও তেওঁৰ ৰচনা-শৈলী সাহিত্য-ৰসেৰে পূৰ্ণ আছিল। তেওঁৰ ভাষা আছিল কঠিন, অথচ অত্যন্ত বলিষ্ঠ আৰু কলাসুলভ। পাণ্ডিত্যৰ লগত সাংবাদিকতাৰ সমন্বয় ঘটোৱাৰ কৌশল তেওঁ কষ্টেৰে আয়ত্ত কৰি লৈছিল। তাৰে হাততে পোৱা উদাহৰণ হ'ল 'কমিউনিষ্ট ইস্তাহাৰ' খন; গদ্য ৰচনাত ৰূপ আৰু ৰসৰ ই এক বিৰল সমন্বয়। নিজৰ ৰচনা-শৈলী সম্পৰ্কে মাৰ্ক্সে এবাৰ এঙ্গেল্‌চলৈ লেখিছিল—

"মোৰ লেখাবিলাকৰ আন যি দুৰ্বলতাই নাথাকক কিয়, সেই বিলাকৰ অন্ততঃ এটা কলাসুলভ সমগ্ৰতা আছে, আৰু ই সম্ভৱ হৈছে নিখুঁত নোহোৱা পৰ্যন্ত সেইবিলাক ছপা নকৰা মোৰ অভ্যাসৰ পৰা।'

ক্লেদময় বাস্তৱৰ লগত লুতুৰি-পুতুৰি খাই থকা সত্বেও মাৰ্ক্সৰ ৰুচি কেনে মাৰ্জিত আৰু সাহিত্যানুৰাগ কেনে গভীৰ আছিল, তাৰ আভাস পোৱা যায় তেওঁৰ লগত ঘনিষ্ঠভাৱে পৰিচিত তেওঁৰ সম-সাময়িক ব্যক্তিসকলৰ লেখনিৰ পৰা। এলানি প্ৰশ্নোত্তৰৰ সৈতে তাৰ গোটা-দিয়েক ইংৰাজীৰ পৰা আংশিকভাৱে অনুবাদ কৰি তলত দিয়া হ'ল।

(১)

হাইনে আৰু গ্যেটে তেওঁৰ মুখস্থ আছিল, আৰু কথা-বতৰাত তেওঁ-লোকৰ পৰা প্ৰায়ে উদ্ধৃতি দিছিল। য়ুৰোপৰ প্ৰতিটো ভাষাৰ কবিসকলৰ

তেওঁ এজন উদ্যোগী পাঠক আছিল। বহুৰি এবাৰকৈ তেওঁ মূল গ্ৰীক ভাষাত ইস্কাইলাছ পঢ়িছিল। শেক্সপীয়েৰৰ প্ৰতি তেওঁৰ সীমাহীন শ্ৰদ্ধা আছিল। শেক্সপীয়েৰৰ সমস্ত ৰচনাৱলী তেওঁ বিস্তৃতভাৱে অধ্যয়ন কৰিছিল; আৰু তেওঁৰ নগণ্য চৰিত্ৰসমূহো তেওঁৰ জনা আছিল। এই মহৎ ইংৰাজ নাট্যকাৰগৰাকীৰ প্ৰতি মাৰ্ক্স পৰিয়ালৰ প্ৰতিজনৰে গভীৰ অনুৰাগ আছিল আৰু তেওঁৰ জীয়েক তিনিগৰাকীয়েও শেক্সপীয়েৰৰ বহুতো অংশ মুখস্থ মাতিব পাৰিছিল। ১৮৪৮ চনত ইংৰাজী ভাষাৰ জ্ঞান শুদ্ধতৰ কৰিব খুজি তেওঁ শেক্সপীয়েৰৰ সকলোবোৰ নিজা প্ৰকাশভঙ্গী খুচৰি উলিয়াইছিল আৰু সিবিলাকৰ শ্ৰেণী-বিভাগ কৰিছিল।...ডান্টে আৰু ৰবাৰ্ট বাৰ্ন্‌চো তেওঁৰ প্ৰিয় কবিৰ ভিতৰত আছিল। স্কটলেণ্ডদেশীয় কবিগৰাকীৰ বেলাড আৰু ব্যঙ্গাত্মক কবিতাবোৰ জীয়েককেইগৰাকীয়ে আবৃত্তি কৰা তেওঁ অতিশয় আনন্দৰে শুনিছিল।

তেওঁ চ'ফাত আউজি মাজে মাজে উপন্যাস পঢ়িছিল। তেওঁ প্ৰায়ে দুখন বা তিনিখন উপন্যাস একে সময়তে পঢ়িছিল। ওঠৰ শতিকাৰ উপন্যাসবোৰ তেওঁ ভাল পাইছিল। ফিল্ডিঙৰ 'টম জ'নচ' নামৰ উপন্যাসখন তেওঁৰ বিশেষভাৱে প্ৰিয় আছিল। আধুনিক উপন্যাসবিলাকৰ ভিতৰত তেওঁ পঢ়ি আমোদ পাইছিল পল দি কক, চাৰ্লচ লেভাৰ, আলেকজেণ্ডাৰ ডুমা (ডাঙৰজনা) আৰু ৱাল্টাৰ স্কট। 'অ'ল্ড মৰ্টেলিটি' খনক স্কটৰ শ্ৰেষ্ঠ উপন্যাস বুলি তেওঁ গণ্য কৰিছিল।

ঔপন্যাসিকৰ ভিতৰত ছাৰ্ভেন্টিছ আৰু বালজাকক তেওঁ সবাতোকৈ ওপৰত স্থান দিছিল। 'ডন কুইক্সোট'ত তেওঁ দেখা পাইছিল পৌৰুষ, বীৰত্ব আদি কিছুমান অৱলুপ্ত গুণৰ মহাকাব্যিক বীজ বুৰ্জোৱা সমাজৰ উৎপত্তিৰ লগে লগে যিবিলাকক উপহাস আৰু তিৰস্কাৰ কৰিবলৈ আৰম্ভ কৰা হৈছিল। বালজাকক তেওঁ ইমান ভাল পাইছিল যে অৰ্থনীতিৰ কিতাপখন লিখা শেষ হ'লে 'লা কমেডি হিউমেন' নামৰ বালজাকৰ প্ৰসিদ্ধ ৰচনাৰাজিৰ ওপৰত এটা সমালোচনা লেখাৰ কথা তেওঁ মনতে পাঙি থৈছিল। নিজৰ যুগৰ এজন ইতিহাস ৰচোঁতা হিচাপেই নহয়,

কেতবোৰ চৰিত্ৰৰ সিদ্ধ-স্ৰষ্টা হিচাপেও তেওঁ বালজাকক গণ্য কৰিছিল।......

প্ৰতিটো য়ুৰোপীয় ভাষা মাৰ্ক্স পঢ়িব পাৰিছিল, আৰু ভাষাবিদৰ শ্ৰদ্ধা আহ্বান কৰিব পৰাকৈ তেওঁ লেখিব পাৰিছিল তিনিটা ভাষাত—জাৰ্মান, ফৰাচী আৰু ইংৰাজীত। "এটা বিদেশী ভাষা জীৱন যুঁজৰ এপাত অস্ত্ৰ"—এনে ধৰণৰ এটা ফকৰা মাতি তেওঁ আনন্দ পাইছিল।

ভাষাৰ ওপৰত তেওঁৰ প্ৰচুৰ দখল আছিল আৰু তেওঁৰ জীয়েক কেইগৰাকীয়েও এইটো উত্তৰাধিকাৰসূত্ৰে পাইছিল। ৰাছিয়ান ভাষা যেতিয়া তেওঁ শিকিবলৈ লয়, তেতিয়া তেওঁৰ বয়স পঞ্চাশ বছৰ পাৰ হৈ গৈছিল, আৰু তেওঁ জনা আধুনিক বা প্ৰাচীন কোনোটো ভাষাৰ লগতে এই ভাষাৰ ওচৰ সম্পৰ্ক নথকা সত্বেও ছমাহৰ ভিতৰতে তেওঁ ভাষাটো এনেদৰে আয়ত্ত কৰি পেলালে যে ৰুছিয়াৰ কবি আৰু গদ্য লেখকসকলৰ লেখা পঢ়ি তেওঁ আমোদ পাব পৰা হ'ল। পুস্কিন, গগল আৰু স্বেড্ৰিন তেওঁৰ প্ৰিয় লেখক আছিল।

(মাৰ্ক্সৰ জোৱায়েক পল লাঁফৰ্গে লেখা এখন ৰচনাৰ একাংশ)

(২)

মুৰে (মাৰ্ক্সৰ ঘৰুৱা নাম) তেওঁৰ ল'ৰা-ছোৱালীহঁতৰ আগত পঢ়িও শুনাইছিল। মোৰ আৰু মোৰ বাইদেউ কেইগৰাকীৰ আগত তেওঁ সমস্ত হোমাৰ, নিয়েবেলুঙ্গেনলিয়েদ, গ্ৰুডুন, ডন কুইক্সোট, আৰব্য উপন্যাস আদি পাঠ কৰি শুনাইছিল। শেক্সপীয়েৰ আছিল আমাৰ ঘৰৰ বাইবেল সদৃশ; আমাৰ হাতৰ বা মুখৰ পৰা কাচিৎহে তেওঁ সাৰিব পাৰিছিল। ছবছৰমান হওঁতেই শেক্সপীয়েৰৰ অজস্ৰ দৃশ্য মই মুখস্থ মাতিব পৰা হৈছিলোঁগৈ।

মোৰ ছবছৰীয়া জন্মদিনত মুৰে প্ৰথমবাৰৰ বাবে এখন উপন্যাস মোক উপহাৰ দিছিল। ই আছিল 'পিটাৰ চিম্পল' নামৰ অমৰ গ্ৰন্থখন। ইয়াৰ পিচতে মাৰিয়াৎ আৰু কুপাৰৰ ৰচনা মোক পঢ়িবলৈ দিয়া হৈছিল। মই গল্পৰ দৰে মোৰ দেউতায়ো প্ৰতিটো সাধু পঢ়িছিল আৰু মোৰ

নিচিনা সক হোৱালীৰ লগতো তেওঁ গাম্ভীৰ্যৰে সিবিলাকৰ সমালোচনা কৰিছিল।......মাৰ্ক্সে সঘনে পঢ়া আৰু প্ৰশংসা কৰা এগৰাকী লেখক আছিল স্কট; বালজাক আৰু ফিল্ডিঙকো তেওঁ তেনে চকুৰেই চাইছিল।

(মাৰ্ক্সৰ জীয়েক ইলিনৰ মাৰ্ক্স এভেলিঙে লিখা স্মৃতি কথাৰ এছোৱা)

(৩)

অনুভূতিপ্ৰৱণতাৰ প্ৰতি—যি সঁচা অনুভূতিৰ এক হাস্য-চিত্ৰ মাথোন—মাৰ্ক্সৰ গভীৰ বীতৰাগ আছিল। এবাৰ তেওঁ গ্যেটেৰ উক্তি দিছিল, "অনুভূতিপ্ৰৱণ মানুহৰ প্ৰতি মোৰ কাহানিও ভাল ভাৱ নাই; কিবা এটা ঘটক আৰু দেখিবা সিহঁত কু-সহচৰ বুলি প্ৰমাণিত হ'ব।" কোনোবাই তেওঁৰ সমুখত অনুভূতিৰ আধিক্য দেখুৱালে তেওঁ হাইনেৰ এই ব্যঙ্গাত্মক শাৰীকেইটা মনত পেলাই ভাল পাইছিল,

গভীৰ দুখ আৰু উদ্বেগেৰে সৈতে সমুদ্ৰ—
সৈকতত গাভৰুগৰাকী দণ্ডায়মান;
তেওঁৰ ইমান দুখ কিহৰ বাবে?
—কাৰণ সূৰ্যটো অস্ত গ'ল!

হাইনে মাৰ্ক্সৰ সুপৰিচিত আছিল আৰু শেষ অসুখৰ সময়ত দুৰ্ভগীয়া কবিগৰাকীক তেওঁ পেৰিচত দেখা কৰিছিলগৈ। মাৰ্ক্স কবিগৰাকীৰ কোঠাত সোমোৱাৰ সময়ত তেওঁৰ (হাইনেৰ) বিছনাখন সলনি কৰা হৈছিল। তেওঁৰ অসুখ ইমান বেছি হৈছিল যে নাৰ্চসকলে এখন কাপোৰেৰে তেওঁক ডাঙি নিবলগীয়া হৈছিল। তৎসত্বেও হাইনেৰ ৰস-বোধ আঁতৰা নাছিল; "চেনেহৰ মাৰ্ক্স, চোৱা, ভদ্ৰমহিলাসকলে এতিয়াও মোক আলাসত ৰাখে।"—ক্ষীণ কণ্ঠেৰে তেওঁ মাৰ্ক্সক কৈছিল।

কেৱল কবিতাতে নহয়, বিজ্ঞান আৰু কলাৰ ক্ষেত্ৰতো মাৰ্ক্স অত্যন্ত ৰুচিবান ব্যক্তি আছিল। তেওঁৰ অধ্যয়ন আছিল অসাধাৰণ আৰু তেওঁৰ স্মৃতিও আছিল চমক খাবলগীয়া ধৰণৰ। মোৰ দেউতাৰ নিচিনাকৈ প্ৰাচীন গ্ৰীক কবিসকলৰ প্ৰতি—আৰু শেক্সপীয়েৰ আৰু গ্যেটেৰ প্ৰতিও

—তেওঁৰ নিৰতিশয় শ্ৰদ্ধা আছিল। চামিছু' আৰু ৰুকার্ট' তেওঁৰ প্ৰিয় কবিসকলৰ ভিতৰত পৰিছিল। 'ভিকছু আৰু কুকুৰটো' নামৰ চামিছু'ৰ হৃদয়স্পৰ্শী কবিতাটো তেওঁ মুখস্থ মাতিব পাৰিছিল। ৰুকার্ট'ৰ ৰচনা-শৈলীৰ, বিশেষকৈ কবিগৰাকীয়ে কৰা হৰিৰিৰ 'মাকামাছ'ৰ অনুপম অনুবাদটোক তেওঁ অতি প্ৰশংসা কৰিছিল। বহু বছৰৰ পিচত অতীতৰ স্মৃতিচিন স্বৰূপে তেওঁ এই কিতাপখন মোৰ আইক উপহাৰ দিছিল।

ভাষাৰ ওপৰত মাৰ্ক্সৰ অদ্ভুত দখল আছিল। ইংৰাজীৰ উপৰিও তেওঁ ফৰাচী ভাষা ইমান ভালদৰে জানিছিল যে 'কেপিটেল' গ্ৰন্থখন তেওঁ নিজেই অনুবাদ কৰিছিল।* গ্ৰীক, লাটিন, স্পেনিচ আৰু ৰাছিয়ান ভাষাৰ ওপৰতো তেওঁৰ ইমান দখল আছিল যে প্ৰথম দৃষ্টিতে তেওঁ সিবিলাকৰ পৰা অনুবাদ কৰিব পাৰিছিল। এবাৰ নাৰেঙা হৈ পৰি থকা অৱস্থাত এটা 'আমোদ' হিচাপে তেওঁ কাৰো সহায় নোলোৱাকৈ নিজেই ৰাছিয়ান ভাষা শিকি পেলাইছিল। শ্লাভদেশীয় সংবেদনাৰ আচ্ছাদন দি টুৰ্গেনিভে ৰাছিয়ান আত্মাৰ বৈশিষ্ট্য আশ্চৰ্যকৰভাৱে আঁকিব পাৰে বুলি মাৰ্ক্সৰ মত আছিল। লেৰ্মন্টিভৰ বৰ্ণনাবিলাক অতুলনীয় আৰু সিবিলাক তাতকৈ উৎকৃষ্টতৰ হোৱা টান বুলি মাৰ্ক্সে ভাবিছিল।

স্পেনিছ সাহিত্যিকসকলৰ ভিতৰত তেওঁৰ প্ৰিয় কবি আছিল কেল্ডাৰণ। কেল্ডাৰণৰ কেইবাখনো গ্ৰন্থ তেওঁৰ হাতত আছিল আৰু সিবিলাকৰ পৰা কিছু কিছু অংশ তেওঁ আমাক পঢ়ি শুনাইছিল।

(মাৰ্ক্সৰ প্ৰিয় বন্ধু ডঃ লুডভিক কুগেলমেনৰ জীয়েক ফ্ৰাঞ্জিস্কা কুগেলমেনৰ লেখনিৰ পৰা)

(৪)

বুফনে কৈছিল—"ৰচনা-শৈলীয়েই হ'ল মানুহজন।" কাৰোবাৰ

* টোকা—'কেপিটেল' গ্ৰন্থ মাৰ্ক্সে ফৰাচীলৈ অনুবাদ কৰা নাছিল, অনুবাদটো তেওঁ যত্নেৰে সম্পাদনাহে কৰিছিল। তেওঁ ফৰাচী ভাষাত লেখিছিল 'দৰ্শনৰ দাৰিদ্ৰ্য' নামৰ গ্ৰন্থখনহে।

পাত যদি এই উক্তি সঁচাকৈয়ে খাটে, তেন্তে সেই মানুহজন হ'ল মাক্স'।
মাক্স'ৰ ৰচনা-শৈলীয়েই আছিল মাক্স'। ভণ্ডামিত অসমৰ্থ; কপটতাত অপাৰগ, মাক্স' আছিল সদায় তেঁৱেই—জীৱনত আৰু লেখনিতো।...

সঁচাকৈয়ে, মাক্স'ৰ ৰচনা-শৈলীয়েই আছিল মাক্স'। কম পৰিসৰত বেছি বস্তু সুমুৱাবলৈ কৰা চেষ্টাৰ বাবে মাক্স'ক বহুতে ককৰ্থনা কৰে; কিন্তু প্ৰকৃত মাক্স' যে সেয়েই!

প্ৰকাশভঙ্গীৰ শুচিতা আৰু নিৰ্ভুলতাৰ ওপৰত মাৰ্ক্সে অত্যধিক গুৰুত্ব দিছিল। তেওঁ নিজৰ কাৰণে নিৰ্বাচন কৰিছিল গ্যেটে, লেছিং, শ্বেক্সপীয়েৰ, ডান্টে, চাৰ্ভেন্টিছ আদি উচ্চতম পৰ্যায়ৰ আচাৰ্যসকলৰ ৰচনাৱলী, আৰু সিবিলাক তেওঁৰ প্ৰায় দৈনন্দিন পাঠ্য আছিল।.....

মাক্স' আছিল কঠোৰ বৈশদ্যবাদী (purist): শুদ্ধ প্ৰকাশভঙ্গীৰ বাবে তেওঁ অতি কষ্টকৰ আৰু দীঘলীয়া অন্বেষণ চলাইছিল।

বিদেশী শব্দৰ প্ৰয়োগ তেওঁ বেয়া পাইছিল।......জীৱনৰ দুই তৃতীয়াংশ কাল প্ৰবাসত থকা সত্বেও যি মৌলিক আৰু নিভাঁজ জাৰ্মান শব্দ-গাঁঠনি আৰু সিবোৰৰ যথোচিত ব্যৱহাৰ মাক্স'ৰ লেখাত আমি পাওঁ, সি জাৰ্মান ভাষাৰ ক্ষেত্ৰত তেওঁক অতীৱ অৰ্হতাসম্পন্ন কৰি তুলিছে,—আৰু সঁচাকৈয়ে তেওঁ সেই ভাষাৰ শ্ৰেষ্ঠ পাৰংগত আৰু স্ৰষ্টাসকলৰ এজন আছিল।

(মাক্স'ৰ বন্ধু আৰু তেওঁৰ ৰাজনৈতিক সহকৰ্মী ৱীলহেল্ম্ লিয়েব্‌নেখ্‌টে লেখা এখন পুস্তিকাৰ অংশ-বিশেষ)।

(৫)

মোৰ কিতাপখন[১] প্ৰেছৰ পৰা ওলাইছে আৰু দহ-বাৰ দিনমানৰ ভিতৰতে ই প্ৰকাশ পাব। তাৰে ৰাজনৈতিক অংশখিনিৰ 'প্ৰুফছীট'—বিশেষকৈ যিখিনি মোৰ দীঘল কবিতাটোৰ অংশ সেইখিনি আজি তিনিটা উদ্দেশ্য লৈ আপোনালৈ 'বুক পোষ্ট' কৰি পঠিয়াইছোঁ। প্ৰথম,

---

১। হাইনেই লেখা 'জাৰ্মান ফেইৰলচ্' নামৰ এখন কবিতাগ্ৰন্থ।

সেইখিনি পঢ়ি যাতে আপুনি কৌতুক অনুভৱ কৰে ; দ্বিতীয়, কিতাপখনৰ প্ৰচাৰৰ বাবে জাৰ্মান প্ৰেছত আপুনি যাতে এটা আন্দোলন চলায় ; তৃতীয়তে, আপুনি যদি প্ৰয়োজনীয় বুলি অনুভৱ কৰে, তেন্তে তাৰে অংশখিনি যাতে Vorwarts আলোচনীখনত[1] আপুনি প্ৰকাশ কৰে।

দীঘল কবিতাটোৰ ষোড়শ অধ্যায় পৰ্য্যন্ত পুনৰ্মুদ্ৰণ কৰা সম্ভৱ বুলি মই ভাবো। পুনৰ্মুদ্ৰিত কবিতাখিনিৰ আৰম্ভনিতে দুটামান প্ৰস্তাৱনা-মূলক শাৰী লেখি দিবলৈ মই আপোনাক অনুৰোধ কৰিছোঁ। কিতাপ-খনৰ প্ৰথম সংখ্যাটো মই অলপতে আপোনাৰ ওচৰলৈ (পেৰিচলৈ) লৈ যাম। এই অংশটোত কেৱল 'ৰোমাঞ্চ' আৰু 'বেলাড' সমূহহে আছে। এইখিনিয়ে আপোনাৰ পত্নীক হয়তো আনন্দ দিব।

(জাৰ্মান - কবি হাইনৰিখ হাইনেই মাৰ্ক্সলৈ দিয়া এখন চিঠিৰ একাংশ)।

(৬)

আপোনাৰ প্ৰিয় কাম—কিতাপ খোঁচৰা।

আপোনাৰ প্ৰিয় কবি—শেক্সপীয়েৰ, ইস্কাইলাছ, গ্যেটে।

আপোনাৰ প্ৰিয় গদ্য-লেখক—দিদ্‌ৰো

আপোনাৰ প্ৰিয় নায়ক—স্পাৰ্টাকাছ, কেপলাৰ।

আপোনাৰ প্ৰিয় নায়িকা—গ্ৰেচেন (ফাউষ্ট কাব্যৰ এটা চৰিত্ৰ)।

আপোনাৰ প্ৰিয় বাণী—'মানুহৰ কোনো ৰূপেই মোৰ বাবে অনাত্মীয় নহয়' (Nihil humaium a me alienum puto)।

(১৮৬৫ চনত মাৰ্ক্সলৈ সুধি পঠিওৱা এলানি প্ৰশ্নৰ উত্তৰ)

(১৯৭৮)

১। পেৰিচৰ পৰা ওলোৱা এখন জাৰ্মান আলোচনী।

।। লেনিনৰ দৃষ্টিত তলষ্টয় ।।

What a rock, eh? What a giant of humanity!

লেনিন (গৰ্কীৰ স্মৃতিচাৰণৰ পৰা)

আমাৰ তথাকথিত প্ৰগতিবাদীয়ে শুনি হয়তো তভক মানিব যে মতাদৰ্শৰ মিল নথকা সত্বেও লেনিনে তলস্তয়ক ভাল পাইছিল, য়ুৰোপৰ অন্যতম শ্ৰেষ্ঠ কথাশিল্পী হিচাপে তেওঁক শ্ৰদ্ধা কৰিছিল ; অকল সেয়ে নহয়, ১৯০৮-১১ —এই কালছোৱাৰ ভিতৰত তেওঁ তল্‌স্তয়ৰ ওপৰত সক-ৰৰ ছটা প্ৰবন্ধও ৰচনা কৰিছিল। প্ৰবন্ধ কেইটা হ'ল—'ৰুছ বিপ্লবৰ দাপোণ তলস্তয়', (১৯০৮), 'এল. এন. তলস্তয়' (১৯১০), 'এল.এন. তলস্তয় আৰু আধুনিক শ্ৰমিক আন্দোলন' (১৯১০), 'তলস্তয় আৰু সৰ্বহাৰাৰ সংগ্ৰাম' (১৯১০), 'সংৰক্ষণ'ৰ বীৰবৃন্দ' (১৯১০) আৰু 'লিও তলস্তয় আৰু তেওঁৰ যুগ' (৯১১)। প্ৰবন্ধ সমূহত পঢ়াশলীয়া পণ্ডিতালিৰ গোন্ধ নাই, সৰহভাগেই ঢৌতে খৰ মাৰি লেখা। (পঢ়াশলীয়া বিদ্যাৰ ফুলজাৰিৰে পঢ়ুৱৈক চমক লগোৱা অথচ অন্তঃসাৰশূণ্য শ্লথ গতিৰ লেখা লেনিনৰ দৰে কৰ্মব্যস্ত প্ৰতিভাৰ নেতাৰ ওচৰত পাবলৈ আশা কৰাও অৱশ্যে ভুল।) আহিব ধৰা ৰুছ বিপ্লৱক ত্বৰান্বিত কৰিবৰ নিমিত্তেই তলস্তয়ৰ দৰে ৰুছিয়াৰ জন-মানসৰ গভীৰত স্থান পোৱা শিল্পী এগৰাকীৰ কাৰ্যাৱলী সমাজবৈজ্ঞানিকভাৱে বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে বুলি লেনিনে ভাবিছিল। সেয়ে, কবলৈ গলে, তাগিদত পৰিহে, উক্ত প্ৰবন্ধসমূহ তেওঁ ৰচনা কৰিছিল।

লেনিনে মন কৰিছিল যে তেওঁৰ দেশৰে এটা মহলে তলস্তয়ক 'যুগৰ ঋষি' বুলি প্ৰচাৰ কৰি তাৰ পৰা ৰাজনৈতিক মুনাফা আদায় কৰিব বিচাৰিছে ; পক্ষান্তৰত, 'প্ৰতিক্ৰিয়াশীল,' 'প্ৰগতিৰ শত্ৰু' বুলি তেওঁক

ভৰ্ৎসনা কৰাও হৈছে। তলস্তয় সম্পৰ্কে এক সঠিক, মোহমুক্ত বিচাৰৰ অভাৱ তেওঁ দ-কৈ অনুভৱ কৰিছিল আৰু সেই অভাৱ পূৰাবৰ নিমিত্তেই তেওঁ হাতত তুলি লৈছিল তেওঁৰ জোৰাল কলম। খৰখৰকৈ তাগিদাত পৰি লেখা হলেও, উক্ত প্ৰবন্ধসমূহ লেনিনৰ বস্তুনিষ্ঠ, সুতীক্ষ্ণ মনৰ উজ্জ্বল স্বাক্ষৰ।

লেনিনে তেওঁৰ প্ৰবন্ধসমূহত তলস্তয়ক তেওঁৰ যুগৰ দাপোণ হিচাপে ব্যাখ্যা কৰিছে। ১৮৬১ চনৰ ৰুছিয়াত আইনসঙ্গতভাৱে ভূমিদান প্ৰথাৰ (serfdom) অন্ত পৰে আৰু আধুনিক 'সংস্কাৰ'ৰ যুগ সূচনা হয়, তাৰে প্ৰায় চাৰি দশকৰ পিছত ১৯০৫ চনত ৰুছিয়াত দেশজোৰা বিপ্লৱৰ প্ৰথম পৰ্য্যায়টো সংঘটিত হয়। এই কালছোৱা আছিল ৰুছিয়াৰ দ্ৰুত পৰিৱৰ্তনৰ কাল। আৰ্থ-সামাজিক ব্যৱস্থাৰ সলনিৰ লগে লগে ৰুছ সমাজৰ অন্যান্য দিশবিলাকতো সঘন পৰিৱৰ্তন এই কালছোৱাত পৰিলক্ষিত হৈছিল। ১৮৬০ চনৰ আগতেই তলস্তয়ে তেওঁৰ লেখক জীৱন আৰম্ভ কৰিছিল আৰু ১৯০৫ চনৰ পিচলৈকে তেওঁ লেখি আছিল যদিও তলস্তয়ৰ লেখনিত ৰুছিয়াৰ জীৱনৰ ১৮৬১-১৯০৪ কালছোৱাৰহে সাৰ্থক ছবি ফুটি উঠিছে বুলি লেনিনে কৈছিল। 'আন্না কাৰেনিনা'ৰ লেভিনৰ চৰিত্ৰ, লেনিনৰ মতে, ৰুছিয়াৰ এই ক্ৰান্তিকালৰ সাৰ্থক প্ৰতিনিধি। "ৰুছিয়াত এতিয়া সমস্ত ওলটপালট হৈ গৈছে, সকলোৱেই ন-কৈ ৰূপ লবলৈ আৰম্ভ কৰিছে",—লেভিনে কৈছিল। লেভিনৰ দৰে তলস্তয়েও ভূমিদান প্ৰথাৰ অবলুপ্তি দেখা পাইছিল; নতুনকৈ গঢ় লব খোজা সমাজখনো তেওঁৰ চকুত পৰিছিল। কিন্তু লেনিনৰ মতে সমাজৰ ন-ন বা-মাৰলিবোৰে তেওঁৰ চৰিত্ৰ লেভিনৰ লেখিয়াকৈ তলস্তয়কো দিশহাৰা কৰি পেলাইছিল। সেয়ে তেওঁৰ মন হৈ পৰিছিল অজস্ৰ পৰস্পৰবিৰোধী খেলিমেলি চিন্তাৰে ভাৰাক্ৰান্ত। তলস্তয়ৰ মাজত থকা দ্বন্দ্ব চমক খাবলগীয়া ধৰণৰ। এফালে তেওঁ আছিল এজন মহান কলাকাৰ, যি তেওঁৰ যুগৰ ৰুছ দেশখনৰ অতুলনীয় চিত্ৰ আঁকি বিশ্ব-সাহিত্যলৈ প্ৰথম শ্ৰেণীৰ অৰিহনা যোগাইছিল, আনহাতে তেওঁৰ

মাজত আমি পাওঁ যীশুক লৈ মত্ত হৈ থকা এজন জমিদাৰ। একালে তেওঁ সামাজিক ভণ্ডামি আৰু ভ্ৰান্তিৰ বিৰুদ্ধে সবৰে আৰু সৰ্বান্তঃকৰণে প্ৰতিবাদ কৰিছিল, আনফালে তেওঁ নিজেই আছিল হিষ্টিৰীয়াগ্ৰস্ত এজন আত্ম-প্ৰতাৰক, ঘৰিয়ালৰ চকুলো টোকা এজন ৰুছ বুদ্ধিজীৱী, যি ৰাজহুৱাভাৱে বুকুত চপৰিয়াই অনুতাপ কৰে, ‘চোৱা মই এজন বেয়া, ধূৰ্ত মানুহ ; কিন্তু নৈতিক আত্মশুদ্ধিৰ বাবে মই চেষ্টা কৰি আছোঁ। মই আজিকালি আৰু মাংস নাখাওঁ, মোৰ খাদ্য আজিকালি চাউলৰ পিঠাহে। তেওঁ আছিল এফালে পুঁজিবাদী শোষণৰ ন্যায় বিচাৰৰ প্ৰহসন কৰা চৰকাৰৰ এজন কঠোৰ সমালোচক, দাৰিদ্ৰ্য আৰু অৱক্ষয়ক ঢাকি ৰখা সভ্যতাৰ মুখা তেওঁ খুলি দিছিল ; আনফালে তেওঁ আছিল খৃষ্টান বিনয়ৰ শিক্ষা বিলোৱা এজন বাতিকগ্ৰস্ত যি কৈ ফুৰিছিল, ‘অন্যায়ক সংঘৰ্ষেৰে বাধা নিদিবা।’ তেওঁ এফালে আছিল গহীন মনৰ এজন বাস্তববাদী, আনফালে আছিল গীৰ্জা সংস্কাৰৰ হৈ হাল্লা কৰা এজন কল্পলোক-বিলাসী।” (‘ৰুছ বিপ্লৱৰ দাপোণ তলস্তয়,’ মুকলি অনুবাদ)

তলস্তয়ৰ মাজত থকা এই উৎকট দ্বন্দ্বসমূহৰ বাবে লেনিনে তলস্তয়ক অৱশ্যে দায়ী কৰা নাছিল, কাৰণ মাৰ্ক্স অধ্যয়নে তেওঁক শিকাইছিল যে তলস্তয়ৰ চিন্তাৰ এই দ্বন্দ্ব আকস্মিক বা উদ্দেশ্য প্ৰণোদিত নহয়, সিবোৰ তেওঁ বাস কৰা যুগটোৰে প্ৰতিক্ষেপণ মাত্ৰ। তলস্তয়ৰ মৃত্যু উপলক্ষে লেখা ‘এল. এন. তলস্তয়’ বোলা প্ৰবন্ধটোত তেওঁ কৈছিল, “তলস্তয়ৰ মতামতসমূহৰ মাজত থকা দ্বন্দ্ব তেওঁৰ কেৱল ব্যক্তিগত মতামতৰ দ্বন্দ্ব নহয়, সি হ’ল আচলতে উত্তৰ-সংস্কাৰ কিন্তু প্ৰাক-বৈপ্লৱিক যুগৰ ৰুছ সমাজৰ বিভিন্ন শ্ৰেণী আৰু স্তৰৰ মনস্তত্ত্বক নিৰ্ণয় কৰা এক জটিল, পৰস্পৰবিৰোধী সামাজিক অৱস্থাৰ আৰু ঐতিহাসিক পৰম্পৰাৰ প্ৰতিফলন।” (মুকলি অনুবাদ)

লেনিনৰ মতে তলস্তয়ে তেওঁৰ শক্তিশালী তথা পৰস্পৰ বিৰোধী লেখনিৰ জৰিয়তে (সাহিত্যিক তলস্তয়ক লেনিনে ভাবুক তলস্তয়ৰ পৰা পৃথক কৰি চোৱা নাছিল) প্ৰকাশ কৰিছিল তেওঁৰ যুগৰ সমাজৰ অগণন

৬

কৃষকৰ মাজত থকা আশা-নিৰাশাৰ, "কল্পনা-বাস্তৱৰ দ্বন্দ্ব। ১৮৬১ চনৰ সংস্কাৰৰ পৰিণাম স্বৰূপে উদ্ভৱ হোৱা সামাজিক শোষণ আৰু বিশৃংখলাৰ ন-ৰূপ তেওঁ পাইছিল ; কিন্তু জমিদাৰী অত্যাচাৰৰ পৰা, জাৰৰ পুলিচী শাসনৰ পৰা জনগণক কিদৰে মুক্ত কৰিব পাৰি সেই সম্পৰ্কে স্পষ্ট ধাৰণা তলস্তয়ৰ নাছিল। সাহিত্যৰ মাধ্যমেৰে তেওঁ ব্যক্ত কৰিছিল প্ৰচলিত সমাজ-বিন্যাসৰ প্ৰতি ৰুছ জনগণৰ অৱদমিত ঘৃণাৰ আৰু তাৰ পৰা মুক্তি লাভৰ এক অস্বচ্ছ সপোন ; লগতে তেওঁৰ ৰচনাত বিম্বিত হৈছিল তেওঁৰ যুগৰ ৰুছ জন-গণৰ বৈপ্লৱিক শিথিলতা আৰু ৰাজনৈতিক অনভিজ্ঞতাও।

লেনিনে তলস্তয়ক ১৮৬১-১৯০৪ চনৰ ৰুছ সমাজৰ এজন নিখুঁত চিত্ৰকৰ বুলি বৰ্ণনা কৰিছিল। এই যুগটোৰ শক্তি আৰু দুৰ্বলতা, ক্ষমতা আৰু সীমাবদ্ধতা, তেওঁৰ মতে, তলস্তয়তকৈ ভালদৰে বুজিব বা আঁকিব পৰা দ্বিতীয় এজন ব্যক্তি ৰুছিয়াত নাছিল। ব্যক্তিগত সম্পত্তিৰ বিৰুদ্ধে তলস্তয়ে যি ধ্বনি তুলিছিল, লেনিনৰ মতে সি আছিল মাটিৰ ব্যক্তিগত মালিকানাই কেনে অত্যাচাৰৰ সৃষ্টি কৰে তাক হাড়ে হাড়ে উপলব্ধি কৰা তেওঁৰ যুগৰ কৃষকৰে উদাত্ত ধ্বনি। আধুনিক ধনতান্ত্ৰিক সভ্যতাৰ বিৰুদ্ধে তলস্তয়ৰ যি তীব্ৰ জেহাদ, সি বহন কৰিছিল গাঁৱৰ কৌটিকলীয়া সামাজিক বান্ধোন ভাঙি পেলাব খোজা, দাৰিদ্ৰ্য, দুৰ্ভিক্ষ আৰু গণিকাবৃত্তিক লগত কঢ়িয়াই লৈ ফুৰা 'পুঁজি' নামৰ সেই নতুন চহৰীয়া শত্ৰুৰ প্ৰতি ৰুছ কৃষকৰ অজান ভয়। তলস্তয়ৰ লেখনিত অনুৰণিত হৈছিল প্ৰাচীন সামন্তবাদ আৰু আধুনিক পুঁজিবাদ-দুয়োটাৰে বিৰুদ্ধে মাত মাতিব খোজা, অথচ সচেতন ৰাজনৈতিক জীৱনৰপৰা নিজকে সযতনে আঁতৰাই ৰখা ৰুছ কৃষকৰ কণ্ঠস্বৰ।

তলস্তয়ে তেওঁৰ পৰৱৰ্তী জীৱনত প্ৰচাৰ কৰা 'তলস্তয়বাদ'ক লেনিনে 'প্ৰাচ্য ধাৰণা' বুলি অভিহিত কৰিছিল আৰু ইয়াত নিহিত বৈৰাগ্য, তিতিক্ষা, জীৱনৰ অশুভ শক্তিৰ ওচৰত অকাতৰ আত্ম-সমৰ্পণ আদিক তেওঁ ব্যংগ কৰিছিল। লগতে অৱশ্যে তেওঁ ইয়াকো কৈছিল যে

তলস্তয়বাদ গভীৰ অৰ্থত প্ৰতিক্ৰিয়াশীল হলেও গ্ৰহণযোগ্য কেতবোৰ মূল্যবান চিন্তাৰ বীজো ইয়াত লুকাই নথকা নহয়।

লেনিনে তলস্তয়ক 'মানৱতাৰ মহান সাগৰ' আখ্যা দিছিল। তেওঁ কৈছিল যে তলস্তয়ৰ বহুতো চিন্তাই ক্ৰটিপূৰ্ণ সঁচা, কিন্তু তাৰ বাবে পোনপটীয়াকৈ তেওঁক দায়ী কৰাটো অবৈজ্ঞানিক মনৰহে পৰিচায়ক। আচলতে ইমান সততাৰে, ইমান আবেগ আৰু নিষ্ঠাৰে তেওঁ তেওঁৰ যুগৰ ৰুছ কৃষকৰ ধ্যান-ধাৰণাৰ ছবি আঁকিছিল যে তেওঁলোকৰ সাৰল্যৰো (naivete) বহুখিনি তেওঁৰ ৰচনাত আপোনা-আপুনি সোমাই পৰিবলৈ বাধ্য হৈছিল। (কথা প্ৰসংগত লেনিনে গৰ্কীক এবাৰ কৈছিল যে তলস্তয়ৰ আগলৈকে সাহিত্যত প্ৰকৃত খেতিয়ক নাছিল।)

তলস্তয় সম্পৰ্কে লেনিনৰ আলোচনা বিতং নহয়; কিন্তু বাহুল্যবৰ্জিত তেওঁৰ প্ৰবন্ধকেইটাই সাহিত্য-সমালোচনাৰ সমাজবৈজ্ঞানিক ধাৰাটোৰ বাট কাটিলে বুলি ক'লে নিশ্চয় অতিৰঞ্জন কৰা নহ'ব।

(১৯৭৮)

॥ সমাজ আৰু সভ্যতা ॥

(গ্রেকো-ৰোমান সভ্যতাত এভুমুকি)

এখন দেশৰ সভ্যতা সেই দেশৰ আৰ্থ-সামাজিক পৰিস্থিতিৰ দাপোণ স্বৰূপ। এই পৰিস্থিতি সভ্যতা-বিকাশৰ অনুকূল নহ'লে কেইগৰাকী-মান বিশেষ মনীষীয়ে মাথোন তেওঁলোকৰ ইচ্ছা-শক্তিৰ দ্বাৰাই তাক গঢ় দিব নোৱাৰে। কেইগৰাকীমান মনীষীৰ হাতত দেশৰ সভ্যতাই গঢ় লয় সঁচা ; কিন্তু সভ্যতাৰ বিকাশৰ কথা আলোচনা কৰোঁতে এই কথা মনত ৰাখিব লাগিব যে মনীষীসকলৰ আবিৰ্ভাৱ এটা দৈৱিক ঘটনা নহয়, ই এটা সামাজিক পৰিঘটনা মাত্ৰ। সমাজে বিকাশৰ সুবিধা নিদিলে ব্যক্তিগত মনীষা—সি যিমানেই তীখৰ নহওঁক কিয়—এটা সময়ত ভোতা হৈ যাবলৈ বাধ্য। গ্রেকো-ৰোমান সভ্যতাক দৃষ্টান্ত স্বৰূপে লৈ আৰ্থ-সামাজিক পৰিস্থিতিৰ লগত সভ্যতাৰ সম্পৰ্ক কেনে, আৰ্থ-সামাজিক পৰিস্থিতিয়ে সভ্যতাৰ উন্নতি কিম্বা অৱনতিত কিদৰে প্ৰভাৱ পেলায়, তাৰ এটা আভাস লোৱাই এই প্ৰবন্ধৰ লক্ষ্য।

খৃঃ পূঃ সপ্তম-ষষ্ঠ শতিকাত গ্ৰীক সভ্যতাৰ অভ্যুদয় ইতিহাসৰ আটাইতকৈ বিস্ময়কৰ ঘটনাবিলাকৰ এটা। ইজিয়ান সাগৰৰ পাৰত অৱস্থিত ক্ৰীট, চামোচ প্ৰভৃতি দ্বীপবিলাক, মিলেতাচ, ইচিকাচ প্ৰভৃতি ভূমধ্য সাগৰৰ উপকূলৱৰ্ত্তী উপনিবেশবিলাক আৰু গ্ৰীচৰ মূল ভূ-খণ্ড জুৰি যি এক গৌৰৱময় সভ্যতাৰ উদয় হৈছিল, তাৰ কথা স্মৰণ কৰিলে প্ৰাচীন গ্ৰীক জাতিটোৰ প্ৰতি শ্ৰদ্ধা আৰু বিস্ময়ত আজিও মূৰ দোঁ খাই আছে। য়ুৰোপীয় সভ্যতাৰ মূল ভেঁটি হ'ল গ্ৰীচদেশ। প্ৰকৃতিক প্ৰণালীবদ্ধ ভাৱে বুজিবলৈ গ্ৰীকসকলেই প্ৰথমে চেষ্টা চলায়। তেওঁলোকৰ আগতে মিছৰ আৰু মেচোপটেমীয়াৰ অধিবাসীসকলে এনে প্ৰয়াস কৰিছিল

যদিও ধর্মীয়-ঐন্দ্ৰজালিক প্ৰভাৱৰ বেহু ভেদি প্ৰকৃতিক মুকলিকৈ চাব পৰা ক্ষমতা তেওঁলোকে আয়ত্ত কৰিব পৰা নাছিল। আনহাতে আদিম গ্ৰীকসকলৰ মাজত এনে প্ৰভাৱ আছিল সামান্য। গতিকে প্ৰকৃত অৰ্থত তেওঁলোক বিজ্ঞানৰ জনক হ'ব পাৰিছিল। কেৱল বিজ্ঞানতেই নহয়, সাহিত্য আৰু কলাৰ ক্ষেত্ৰতো গ্ৰীকসকলৰ মুক্তমতি পৰিলক্ষিত হয়। প্ৰকৃতি আৰু মানুহ আছিল গ্ৰীক কবি-সাহিত্যিকৰ বিষয় বস্তু। পৰৱৰ্তী সামন্ত যুগীয় য়ুৰোপৰ দৰে ধৰ্ম-বিজড়িত সাহিত্য প্ৰাচীন গ্ৰীচত তাকৰ।

পৃথিৱীৰ সকলো সভ্যতাৰ অভ্যুদয়ৰ দৰেই গ্ৰীক সভ্যতাৰ অভ্যুত্থানৰ কাৰণো অতি জটিল আৰু ই পৃথিৱীৰ মেধাৱী সমাজতাত্ত্বিক সকলকো বিমোৰত পেলাইছে। অৱশ্যে গ্ৰীক সভ্যতাৰ বিকাশ আকস্মিক যেন লাগিলেও ই শূন্যৰ পৰা আচম্বিতে সৃষ্টি হোৱা নাছিল। মিছৰ, মেছো-পটেমীয়া আৰু ভাৰতৰ সিন্ধু উপত্যকাত এসময়ত যি জ্ঞান-বিজ্ঞানৰ চৰ্চা হৈছিল, সি বেহা-বেপাৰৰ যোগেদি আহি গ্ৰীচত সোমাইছিলহি। তদুপৰি গ্ৰীক সভ্যতাৰ পূৰ্বে ব্ৰোঞ্জ যুগত ক্ৰীট চহৰক কেন্দ্ৰ কৰি এক আদিম সভ্যতা ইজিয়ান অঞ্চলটোত আছিল বুলি আৰ্থাৰ ইভান্স প্ৰমুখ্যে পুৰাতত্ত্ববিদসকলে প্ৰমাণ কৰিছে। 'মিনোৱান সভ্যতা' নামে জনাজাত এই সভ্যতাৰ বিকাশ হৈছিল খৃঃ পূঃ প্ৰায় ষোল্লশত, আৰু খৃঃ পূঃ নবম শতিকা মানত ইয়াৰ অস্ত পৰে। ক্ৰীটৰ মূল খণ্ডৰ সভ্যতাক 'মাইচেনিয়ান সভ্যতা' নামেৰে বুৰঞ্জীবিদসকলে অভিহিত কৰিছে। মাইচেনিয়ান সভ্যতা আছিল তিনিবিধ জাতিৰ সংমিশ্ৰণৰ ফল—গ্ৰীচৰ ওচৰতে থকা আয়োনিয়ানসকল, আৰু উত্তৰৰ পৰা অহা আকিয়ান আৰু ডৰিয়ান সকল। গ্ৰীক সভ্যতা ঘাইকৈ মাইচেনিয়ান সভ্যতাৰ ভিত্তিত গঢ়ি উঠা।

আদিম গ্ৰীকসকল আছিল জীৱনৰ প্ৰতি লালসা থকা, কিছু উচ্ছৃঙ্খল, কিছু অহংকাৰী, তৰুণ মনৰ প্ৰাণ-চাঞ্চল্যৰে ভৰপূৰ এটা সৌন্দৰ্য প্ৰিয়, বুদ্ধিমান জাতি। মিছৰীয় বা বেবিলনীয় সকলৰ দৰে তেওঁলোক জীৱন-বিমুখী চিন্তাত বিভোৰ নাছিল; তেওঁলোক আছিল সম্পূৰ্ণৰূপে পাৰ্থিৱ

চিন্তাৰ, ব্যৱহাৰিক দৃষ্টি-ভংগীসম্পন্ন লোক। তেওঁলোকৰ উৎপাদন-কৌশল অনুন্নত আছিল, সেয়ে উদ্বৃত্তৰ (surplus) পৰিমানো আছিল তাকৰ ; গতিকে দৈহিক শ্ৰমক ঘৃণা কৰা এটা উদ্বৃত্তজীৱী 'সমভ্ৰান্ত' সম্প্ৰদায়ৰ তেতিয়ালৈকে আবিৰ্ভাৱ হোৱা নাছিল। সকলোৱে শ্ৰমৰ মৰ্যাদা বুজিছিল আৰু শ্ৰম কৰি জীৱিকা উলিওৱা লোকক হেয় জ্ঞান তো কৰা নহৈছিলেই, বৰং শ্ৰদ্ধাৰ চকুৰে চোৱা হৈছিল। জ্ঞানক তেওঁলোকে শ্ৰমৰ পৰা বিচ্ছিন্ন কৰি তোলা নাছিল। (মনকৰিবলগীয়া যে জ্ঞানৰ গ্ৰীক প্ৰতিশব্দ 'চোফিয়া'ৰ ব্যুৎপত্তিগত অৰ্থ হ'ল 'কাৰিকৰী নৈপুণ্য')। স্বভাৱতে শ্ৰমৰ কটকটীয়া বিভাজনো এই সমাজত নাছিল। গ্ৰীচৰ প্ৰাচীনতম পণ্ডিত থেলিচ আছিল একাধাৰে এজন দাৰ্শনিক, বিজ্ঞানী, ইঞ্জিনীয়াৰ, ৰাজনীতিজ্ঞ আৰু ব্যৱসায়ী। আয়োনীয়াত থেলিচৰ উপৰিও এনাকাৰ্চিচ, থিঅ'দৰাচ প্ৰমুখ্যে পণ্ডিতসকলে গাড়ীৰ চকা, দিশ-দৰ্শন যন্ত্ৰ আদি নানা তৰহৰ ব্যৱহাৰিক যন্ত্ৰপাতি তৈয়াৰ কৰিছিল, আৰু তাৰ বাবে তেওঁলোক সমাজৰ চকুত হেয় হৈ পৰা নাছিল। প্ৰাচীন গ্ৰীক সকলৰ শ্ৰম-মৰ্যাদা সম্পৰ্কে প্লুটাৰ্কে তেওঁৰ 'জীৱনী'ত লেখিছে, "সেই সময়ত কাম কৰাত মানুহৰ লাজ নাছিল আৰু ব্যৱসায়-বানিজ্যৰ সৈতে সংশ্লিষ্ট থকা বাবে সমাজে কাকো নিকৃষ্ট বুলি গণ্য নকৰিছিল।" হোমাৰিক যুগৰ গ্ৰীকসকলৰ ৰাজনৈতিক ব্যৱস্থাও আছিল সৰল। সমগ্ৰ গ্ৰীচ কিছু-মান সৰু সৰু চহৰ-ৰাজ্যত (city states) বিভক্ত আছিল। ৰজাৰ ক্ষমতাও আছিল সীমিত। ৰাজ্য শাসন প্ৰণালী জটিল নাছিল আৰু অন্যান্য নাগৰিকৰ দৰে তেওঁ বহু সময়ত কৃষি-কৰ্মত যোগ দিছিল।

গ্ৰীচৰ এই আদিম সাম্যবাদী যুগটোত ধৰ্মৰ প্ৰভাৱো স্বভাৱতেই আছিল সামান্য। ধৰ্মীয়-ঐন্দ্ৰজালিক আচাৰ-অনুষ্ঠান আন সকলো দেশতে থকাদি ইয়াতো আছিল ; কিন্তু 'ধৰ্ম' নামৰ এটা স্বকীয়া অনুষ্ঠানে সমাজক তেতিয়ালৈকে গ্ৰাস কৰিব পৰা নাছিলগৈ। প্ৰাচীন গ্ৰীচত বস্তুবাদ আৰু পৰলোকমুখী দৰ্শনৰ প্ৰভাৱো আছিল তাকৰ। হোমাৰৰ দেৱতাসকল আছিল সম্পূৰ্ণ মানৱীয়—অলিম্পিয়া পাহাৰত তেওঁলোকে

মানুহৰ দৰে বাস কৰে ; মানুহৰ দৰেই তেওঁলোকে সুখত হাঁহে, দুখত কান্দে, প্ৰেমত পৰে আৰু যুদ্ধ কৰে। তেওঁলোকৰ মাজত কোনো অমংগলীয়া দেৱতা নাছিল। নৰকৰ দেৱতা আছিল হে'দিচ ; কিন্তু মানুহৰ ভাগ্যৰ ওপৰত তেওঁৰ কোনো হাত নাছিল। দুৰ্ভিক্ষ, অনাহাৰ আদি সৃষ্টি কৰোঁতা কোনো দেৱতা গ্ৰীক পুৰাণত পাবলৈ নাই। প্ৰাচীন গ্ৰীচত ধৰ্ম ইহজগতৰ যন্ত্ৰণাৰ পৰা হাত সাৰি থাকিব পৰা আফিং নাছিল ; ই আছিল হাঁহি আৰু স্ফূৰ্তিৰ এপ'ল', ভেনাচ আৰু বেক্কাছৰ ধৰ্ম, গ্ৰীকসকলৰ কবিতা আৰু উপকথাৰ উৎস।

এনে এক মুক্ত পৰিস্থিতিত গ্ৰীকসকলে মানৱীয় জ্ঞানৰ বিভিন্ন শাখাত দোপতদোপে উন্নতি কৰাটো স্বাভাৱিক। এই যুগতেই থালেচে জ্যোতি বিজ্ঞান আৰু জ্যামিতিৰ, আনাক্সিমিন্দাৰে ভূগোলৰ, তেওঁৰ শিষ্য আনাক্সিমিনিচে পদাৰ্থৰ মৌলিক উপাদান সম্পৰ্কীয় তত্ত্বৰ, হিপোক্ৰেটিচে চিকিৎসা বিজ্ঞানৰ, লিউচিপাচ আৰু দিম'ক্ৰিতাচে পৰমাণুবাদৰ ভেটি প্ৰতিষ্ঠা কৰিছিল ; এনাক্সগাৰাচে সূৰ্য্য গ্ৰহণ, চন্দ্ৰগ্ৰহণ আদিৰ ব্যাখ্যা দিছিল আৰু সূৰ্য্যটো গ্ৰীচ দেশতকৈও ডাঙৰ এটা জ্বলন্ত বাষ্পপিণ্ড বুলি কৈ জেল খাইছিল ; এই যুগতেই আৰম্ভ হৈছিল চফ' ক্লিচ, ইউৰিপাই-দিচ, ইস্কাইলাচ, এৰিস্তফেনিচ আদিৰ দৰে কবি আৰু নাট্যকাৰৰ ; হি'ৰোভটাচৰ দৰে বুৰঞ্জীবিদৰ আৰু প্ৰাক্সিটেলিচৰ দৰে ভাস্কৰৰ। এই যুগেই জন্ম দিছিল হেৰাক্লিতাচৰ দৰে দ্বন্দ্ববাদীৰ আৰু চক্ৰেতিচ, প্ৰতাগ'ৰাচৰ দৰে চ'ফিষ্টৰ। উল্লেখযোগ্য যে এই যুগৰ সৰহভাগ পণ্ডিতেই আছিল ইহবাদী ; ৰহস্যবাদ আৰু পৰলোকমুখী চিন্তাক তেওঁলোকে সত্য-সন্ধানৰ আহিলা হিচাপে লোৱা নাছিল।

প্ৰাচীন গ্ৰীকসকলৰ এনে মুক্ত অনুসন্ধিৎসাৰ যুগ অৱশ্যে বেছিদিন নাথাকিল। এচিয়া মাইনৰত থকা গ্ৰীক উপনিবেশবিলাকৰ ওপৰত দেৰায়ুচ, জেৰাক্সেচ আদি পাৰস্য-সম্ৰাটসকলৰ সঘন আক্ৰমণ; থাৰ্মোপলিচৰ যুদ্ধ, স্পাৰ্টা আৰু এথেন্সৰ মাজত ত্ৰিশ বছৰ ধৰি চলা পিল'পনেচিয়ান মহাযুদ্ধ, আদিয়ে গ্ৰীচৰ ৰাজনৈতিক বাতাবৰণ কলুষিত কৰি তুলিছিল।

ফলত বহুতো গ্রীক পণ্ডিত উত্তৰ ইটালিলৈ, আৰু বিশেষকৈ ইজিপ্তৰ আলেকজেন্দ্রিয়া চহৰলৈ উঠি গৈছিল। গতিকে গ্রীক সভ্যতাৰ শেষৰ কালে আলেকজেন্দ্রিয়াহে জ্ঞান-বিজ্ঞানৰ কেন্দ্র হৈ উঠা আমি দেখিবলৈ পাওঁ। কিন্তু ৰাজনৈতিক বিপর্যয়েই গ্রীক সভ্যতাৰ পতনৰ একমাত্র কাৰণ নহয়। ইয়াৰ আৰু এটা ঘাই কাৰণ হ'ল গ্রীচৰ আর্থ—সামাজিক গাঁথনিত ধৰা কেৰোণ। সভ্যতাৰ আৰম্ভনিতে সমাজৰ বিভিন্ন শ্রেণীৰ মাজত যি ঐক্য আৰু সমতা দেখা গৈছিল, সি ক্রমান্বয়ে লোপ পাই আহিছিল। গ্রীচৰ বৰ্দ্ধিষ্ণু ব্যৱসায়-বাণিজ্যাই নতুন ধন-অর্থনীতিৰ সৃষ্টি কৰিছিল ; বণিয়াৰ ক্ষমতা বাঢ়িছিল, সমাজত শ্রেণী-বৈষম্যই দেখা দিছিল। সমাজত এচাম সমভ্রান্ত উদ্ধৃত্তজীৱীৰ সৃষ্টি হ'ল আৰু তেওঁলোকৰ ভোগৰ আহিলা যোঁগাবলৈ গৈ সমাজৰ এটা বৃজন চাম নিঃস্ব হৈ পৰিল। শাসক, বণিয়া, ভূস্বামী আদি সমাজৰ এটা মুষ্টিমেয় শ্রেণী ভোগ-বিলাসত মত্ত হৈ আছিল। আনহাতে "নগৰ-চহৰৰ শ্রমজীৱী শ্রেণীটো তেওঁলোকৰ সম্পত্তিৰ অংশীদাৰ হ'ব নোৱাৰিছিল ; বৰং তেওঁলোকৰ অৱস্থা ক্রমান্বয়ে বেয়া হৈয়েই গৈ আছিল। খৃঃ পূঃ প্রায় তৃতীয় শতাব্দীত খাদ্যৰ দাম দুগুণতকৈও বেছি হৈছিল আৰু খাজানাও আগৰ শতিকাৰ চাৰি নাইবা পাচ গুণেই বৃদ্ধি পাইছিলগৈ। আনহাতে শ্রমিকৰ মজুৰি আছিল অতি নিম্ন। অনভিজ্ঞ বনুৱা সকলে দিন মজুৰি হিচাপে পাইছিল মাত্র দুই অবলুচ (obols), এজন দাসৰ প্রয়োজনীয় বস্তুৰ সামান্যতম অংশ মাথোন ; অভিজ্ঞ বনুৱাজনৰ দিন-মজুৰি আছিল চাৰি অবলুচ। এইখিনিৰে তেওঁ আৰু তেওঁৰ পৰিবাৰেহে মাথোন কোনো মতে পোহ-পাল যাব পাৰিছিল—তেওঁলোকৰ সতি-সন্ততিয়ে নহয়। সাধাৰণ বনুৱাৰ অৱস্থা তাতোকৈ শোচনীয় আছিল, কাৰণ উৎসৱৰ দিন বিলাকত তেওঁলোকে কোনো কাম নাপাইছিল।"

সাধাৰণ মানুহৰ জীৱিকা নির্বাহৰ উপায় নাইকিয়া হোৱাত খৃঃ পূঃ তৃতীয় শতাব্দীত গ্রীচত অসংখ্য ভিক্ষু আৰু ভাৰাতীয়া সৈন্যৰ সৃষ্টি হৈছিল। এই মানুহবোৰে ভিক্ষা কৰি, চুৰ কৰি আৰু প্রয়োজন হলে ডকাইতি

কৰি নিজৰ ভাত মোকোলাইছিল। যুদ্ধৰ সময়ত উপযুক্ত ধনৰ বিনিময়ত তেওঁলোকে যি কোনো পক্ষতেই যোগ দিছিল। আলেকজেণ্ডাৰে পাৰস্য আক্ৰমণ কৰাৰ সময়ত আলেকজেণ্ডাৰৰ সপক্ষে যিমান গ্ৰীক সৈন্য আছিল তেওঁলোকৰ বিপক্ষে যুদ্ধ কৰা ভাৰাতীয়া সৈন্যৰ সংখ্যা হেনো তাতোকৈয়ো বেছিহে আছিল! তীব্ৰ অৰ্থনৈতিক সঙ্কটে নিম্ন মধ্যবিত্ত গ্ৰীকসকলক ক্ৰমান্বয়ে দাসমুখী হবলৈ বাধ্য কৰাইছিল। অকল এথেন্স চহৰতে হেনো একলাখতকৈয়ো অধিক দাস আছিল (চহৰৰ সৰ্বমুঠ জনসংখ্যাৰ এক-তৃতীয়াংশ)! ক্ৰমান্বয়ে বাঢ়ি অহা দাসৰ সংখ্যাই গ্ৰীক বুদ্ধিজীৱী সকলক উদ্বিগ্ন নকৰাকৈ থকা নাছিল; সেইবুলি সমাজলৈ সমতা অহাটো বা দাস প্ৰথা বিলুপ্ত হোৱাটো তেওঁলোকে কামনা কৰা নাছিল। প্লেত' দাস-প্ৰথাৰ সমৰ্থক আছিল; 'ৰিপাব্লিক' বোলা গ্ৰন্থখনত তেওঁ যি সাম্যবাদ প্ৰচাৰ কৰিছিল, সি আছিল কেৱল সমাজৰ ওপৰ-চাম লোকৰ বাবেহে; সমাজৰ অৱহেলিত, দৰিদ্ৰ চামটোৰ বাবে চিন্তা কৰি তেওঁ মূৰ ঘমোৱা নাছিল। তেওঁৰ শিষ্য আৰিস্তত্ল-এ আকৌ 'প্ৰাকৃতিক দাস'ৰ (natural slave) ধাৰণা উদ্ভাৱন কৰি দাস-প্ৰথাৰ নায্যতা দিব খুজিছিল। অভিজাত সম্প্ৰদায়ৰ লোকক কাৰিকৰী বৃত্তি লবলৈ তেওঁ নিষেধ কৰিছিল কাৰণ, এনে বৃত্তিয়ে শৰীৰ আৰু আত্মাৰ সৌন্দৰ্য্য হানি কৰে!'

যি সমাজত দেশৰ সৰহভাগ মানুহেই খাবলৈ নাপায়, আনহাতে এটা মুষ্টিমেয় চামে দৈহিক শ্ৰমক ঘৃনণীয় বুলি বিবেচনা কৰি লাহ-বিলাহত দিন কটায়, তেনে সমাজত ব্যৱহাৰিক জ্ঞানৰ চৰ্চ্চা কমি যোৱা স্বাভাৱিক। এই সময়ত আলেকজেন্দ্ৰিয়াত উদ্ভৱ হোৱা সৰহভাগ বিজ্ঞানীয়েই আছিল তাত্বিক বিজ্ঞানী। আৰ্কিমিদিচে ব্যৱহাৰিক বিজ্ঞানলৈ যথেষ্ট অৰিহণা যোগাইছিল যদিও সিবিলাকৰ ওপৰত তেওঁ অকণো গুৰুত্ব দিয়া নাছিল। অৰিস্তত্ল-ও এগৰাকী বিজ্ঞানী আছিল; কিন্তু পৰীক্ষা-পাতিৰ প্ৰতি তেওঁৰ বিৰূপ মনোভাৱৰ বাবেই পিচলৈ

তেওঁৰ বহুতো সিদ্ধান্ত ভুল বুলি প্ৰমাণিত হৈছিল। ব্যৱহাৰিক জীৱনৰ পৰা বিচ্ছিন্ন হৈ তত্ত্ব বেছি দিন জীয়াই থাকিব নোৱাৰে, আৰু গ্ৰীক বিজ্ঞানো বেছি দিন টিকি নাথাকিল; খৃঃ পূঃ ২য় শতাব্দীৰ পিছৰ পৰা গ্ৰীচত বিজ্ঞানৰ কোনো উল্লেখযোগ্য সাফল্য চকুত নপৰে।

কেৱল বিজ্ঞানেই নহয়, দৰ্শনো এই সময়ত জীৱনৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল। থেলিচ, দিম'ক্ৰিতাচ আদিৰ সবল আৰু বলিষ্ঠ দৰ্শন এতিয়া লোপ পালে আৰু তাৰ ঠাই ললে কিছুমান ভাৱবাদী আৰু পাৰলৌকিক দৰ্শনে। প্লেত'ৰ নেতৃত্বত এতিয়া দাৰ্শনিকসকলে মুক্তিৰ সন্ধান কৰিবলৈ ধৰিলে ব্যৱহাৰিক জীৱনৰ পৰিৱৰ্তনত নহয়, বৰং জীৱন বিচ্ছিন্ন বিমূৰ্ত্ত চিন্তাত। দৈনন্দিন জীৱনৰ দুৰ্দশাই জন্ম দিলে 'ষ্টইকবাদ' (Stoicism), 'চিনিকবাদ' ('Cynicism) আদি কিছুমান বিষন্ন, জীৱন-উদাসীন দৰ্শনৰ। জীৱনৰ দুখবিলাক আঁতৰোৱাৰ পথ নেদেখুৱাই দুখ স্বীকাৰ কৰি লোৱাৰ উপদেশহে এই দৰ্শনবিলাকে মানুহক দিছিল।

বুদ্ধিজীৱীসকলে সান্ত্বনা লৈছিল দৰ্শনত, আনহাতে সাধাৰণ মানুহৰ বাবে সান্ত্বনাৰ কেন্দ্ৰ আছিল ধৰ্ম। ধৰ্মৰ ক্ষেত্ৰতো প্ৰাচীন গ্ৰীকসকলৰ মাজত যি বলিষ্ঠতা দেখা গৈছিল, গ্ৰীক সভ্যতাৰ পতনৰ সময়ত সি লোপ পালে। উদ্যম, উৎসাহ আদি গুণবিলাক অতীতৰ বস্তু হৈ পৰিল। দুখাৱৰ্ত্ত জীৱনৰ পৌণঃ পৌণিক চক্ৰটোৰ পৰা মুক্তি পাবলৈ গ্ৰীকসকলে এতিয়া অৰফিউচৰ শৰণ ললে; ইয়াৰ উপৰিও পাৰস্য, মিছৰ আদি দেশৰ পৰা আমদানি কৰা 'এলুচীয়বাদ' (Elusianism), মিথ্ৰাবাদ ('Mithraism) অৰ্ফিয়ুচবাদ (Orphism) আদি ৰহস্যবাদী চিন্তা-বিলাকেৰে গ্ৰীচদেশ ভৰি পৰিল। প্ৰাচীন গ্ৰীক ধৰ্মৰ সৰলতাৰ ঠাই ললেহি আড়ম্বৰপূৰ্ণ আচাৰ অনুষ্ঠানে; ভাগ্যগণনা আৰু ফলিত জ্যোতিষ এক ৰোগৰ বীজাণুৰ দৰে জন-সাধাৰণৰ মাজত সোমাবলৈ ধৰিলে। মুঠতে ধৰ্ম হৈ পৰিল ৰহস্যবাদ আৰু কুসংস্কাৰৰ এটা বিৰাট ভঁৰাল, আৰু ই গ্ৰীক সভ্যতাৰ পতন ত্বৰান্বিত কৰি তুলিলে।

* * *

গ্ৰীচ আৰু ৰোমৰ সভ্যতাক সাধাৰণতে একেলগেই উল্লেখ কৰা হয় যদিও দুয়ো সভ্যতা ঠিক সমধৰ্মী নহয়। ৰোমানসকল আছিল গ্ৰীকসকলতকৈ অধিক আড়ম্বৰপ্ৰিয় লোক। গ্ৰীকসকলৰ চিন্তা-চৰ্চা তেওঁলোকৰ বিশেষ প্ৰিয় নাছিল। গতিকে বাহ্যিক জাক-জমকতাত তেওঁলোকে গ্ৰীকসকলক চেৰ পেলাইছিল যদিও বৌদ্ধিক ক্ষেত্ৰত তেওঁলোক গ্ৰীকসকলতকৈ পিচ পৰা আছিল। দৰ্শন আৰু বিজ্ঞানৰ ক্ষেত্ৰত গ্ৰীকসকলৰ লগত ফেৰ মাৰিব পৰা মাত্ৰ দুজন পণ্ডিত ৰোমত আছিল। তেওঁলোক হ'ল চিচাৰো আৰু লুক্ৰেশ্যাচ (যদিও চেলচিয়াচ, প্লিনি, ট'লেমি, ষ্ট্ৰাবো, গালেন আদি দাৰ্শনিক-বিজ্ঞানীৰ জন্ম পৰৱৰ্তী কালৰ ৰোমে দিবলৈ সক্ষম হৈছিল।) সাহিত্যৰ ক্ষেত্ৰত গ্ৰীকৰ সমতুল্য লোক আছিল ভাৰ্জিল, হেচিতাচ আৰু লুচিয়েন।

সকলো আদিম সমাজৰ নিচিনাকৈ আদিম ৰোমান সমাজো আছিল সাম্যবাদী আৰু ইয়াৰ ধৰ্মও আছিল ঐন্দ্ৰজালিক। ৰোমৰ ধৰ্ম গ্ৰীচৰ ধৰ্মতকৈ কম মানৱীয় আৰু অধিক ৰাজনীতিধৰ্মী আছিল। প্ৰাকৃতিক পৰিঘটনাবিলাকক দেৱতা কৰি তোলা প্ৰথা ৰোমলৈ পলমকৈ আহে। ৰোমৰ নিজা দেৱতাগোষ্ঠী বিশেষ নাছিল ; গ্ৰীচ, মিছৰ আদি দেশৰ দেৱ-দেৱীকেই ৰোমে গ্ৰহণ কৰিছিল। যেনে, গ্ৰীক দেৱতা জেয়ুচ ৰোমলৈ আহি জুপিটাৰ নাম লয়হি ; গ্ৰীচৰ এফ্ৰডাইতি ৰোমত আছিল ভেনাচ ; দিমিতাৰ আছিল চিৰিচ, দায়'নিচাচ আছিল বেক্কাচ ইত্যাদি। আইচিচ, চেৰাপিচ, চিবিল আদি মিছৰীয় দেৱ-দেৱীসকল পলমকৈ আহি ৰোমত সোমাইছিল।

সামাজিক গতিৰ নিয়ম অনুসাৰেই প্ৰাচীন ৰোমৰ সাম্যবাদ অৱশ্যে সদায় নাথাকিল। উৎপাদনকৌশলৰ উন্নতিৰ লগে লগে ৰোম ক্ৰমান্বয়ে জনজাতীয় সমাজৰ পৰা দাস-সমাজলৈ আগবাঢ়িছিল। জনজাতীয় সমাজৰ মুৰব্বীবিলাক একো একোজন ভূস্বামী হৈ উঠিছিল ; আনহাতে শিল্পোদ্যোগ বৃদ্ধিৰ লগে লগে বণিয়াসকলৰ ক্ষমতাও বৃদ্ধি পাইছিল। ভূস্বামী, বণিয়া আদি আছিল সমাজৰ

ওপৰ মহলাৰ লোক। এই 'পেট্ৰিচিয়ান' সকলৰ তলত আছিল 'প্লেবিয়ান' চাফ আৰু দাসবিলাক। এইদৰে গোটেই সমাজখন কিছুমান শ্ৰেণীত বিভক্ত হৈ পৰিছিল আৰু সিবোৰৰ মাজত ক্ৰমান্বয়ে বিৰোধে দেখা দিছিল। ৰোমত দাস-প্ৰথা আছিল অতি তীব্ৰ। খ্ৰঃ পূঃ আঢ়ৈশৰ পৰা দেৰশ খৃষ্টাব্দৰ ভিতৰত ৰোমত দাস প্ৰথা ইমান বৃদ্ধি পাইছিল যে এই কালছোৱাত ৰোমান সাম্ৰাজ্যৰ তিনি-চতুৰ্থাংশই হেনো আছিল ক্ৰীতদাস! চিনাক্তকৰণৰ বাবে গৰু-মহৰ দৰে দাসবিলাকৰ গাত দাগ দি ৰখা হৈছিল আৰু গৰু-মহৰ দৰে সিবিলাকৰ বেচা-কিনাও হৈছিল। এসময়ত দেলাচৰ হাটত হেনো দিনৌ দহ হেজাৰকৈ দাস বেচা-কিনা হৈছিল। ৰোমত একোজন মানুহৰ কুৰি হাজাৰতকৈয়ো অধিক দাস থকাৰ প্ৰমাণ আছে। মাত্ৰ দহোটা দাস থকাটো হেনো ৰোমান নাগৰিকৰ বাবে দৰিদ্ৰতাৰহে চিন আছিল! দাসবোৰ আছিল নিৰ্জীৱ পণ্য দ্ৰব্য-সদৃশ; ইচ্ছা কৰিলেই সিহঁতক বেচিবলৈ বা হত্যা কৰিবলৈ প্ৰভুৰ অধিকাৰ আছিল। আচৰিত কথা যে গ্ৰীচৰ দৰে ৰোমতো বুদ্ধিজীৱী সমাজে এই প্ৰথাৰ বিৰোধিতা কৰা নাছিল, বৰং সমৰ্থনহে কৰিছিল। ৰোমৰ অন্যতম চিনেটৰ কেটোৱে দাসবিলাকৰ বিষয়ে নানা কথা লেখি থৈ গৈছে: যেনে—দুৰ্ভিক্ষৰ সময়ত দাসবোৰক অনাহাৰে মৰিবলৈ দিয়া উচিত, বুঢ়া হ'লে বা বেমাৰী হ'লে সিহঁতক কম মূল্যত বেছি দিয়া উচিত, খাদ্য উৎপাদনৰ পৰিমাণ অনুসৰিহে সিহঁতক খাবলৈ দিয়া উচিত ইত্যাদি। (অথচ তৎকালীন ৰোমান সমাজত কেটো এজন অতি নৈতিক লোক বুলি পৰিচিত আছিল!) 'অন ডিউটি' নামক পুথিখনত চিচাৰোৱেও এই সম্পৰ্কে নানা কথা লেখিছে। তেওঁৰ মতে শুই থকা সময়খিনিৰ বাহিৰে বাকী সকলো সময়তে দাসবোৰে কাম কৰি থকা উচিত। জাহাজ ডুবিবৰ সময়ত যোঁৰাটো প্ৰথমে পানীত পেলাই দিয়া উচিত নে দাসজনক—এই সমস্যাৰ সমাধান স্বৰূপে চিচাৰোৱে দাসজনক পানীত পেলাই দিয়াটোকে

সমৰ্থন কৰিছিল। পিণ্ডাৰ, হ'ৰেচ আদি ব্যক্তিও এই মতবাদবিলাকৰ সমৰ্থক আছিল। দাস-প্ৰথাৰ উপৰিও ৰোমৰ আন এটা উল্লেখযোগ্য কলঙ্ক হ'ল গ্লেডিয়েটৰ প্ৰথা। ৰোমান নাগৰিকক আমোদ দিবৰ বাবে গ্লেডিয়েটৰ বিলাকে ষ্টেডিয়ামত যুদ্ধ কৰি দেখুৱাব লগা হৈছিল। এইদৰে বহুতো দাস আৰু পৰাজিত সৈন্যৰ মৃত্যু ঘটিছিল। ৰোমান নাগৰিকক এনে 'আনন্দ' দিবলৈ অনিচ্ছুক গ্লেডিয়েটৰ সকলৰ শৰীৰত গৰম লোহা লগাই দিয়া হৈছিল।

এই উদাহৰণবিলাকৰ পৰা প্ৰাচীন ৰোমৰ সামাজিক ব্যৱস্থাৰ কিছু উমান পাব পাৰি। সাধাৰণ বনুৱা আৰু কাৰিকৰ বিলাকৰ অৱস্থাও দাসতকৈ উন্নত নাছিল, বৰং বেয়াহে আছিল, কাৰণ তেওঁলোকৰ জীৱনৰ ওপৰত কাৰো দায়িত্ব নাছিল। সন্তান জন্ম দিবলৈ তেওঁলোকে ভয় খাইছিল, কাৰণ তেওঁলোকে পোৱা মজুৰিখিনিৰে তেওঁলোককহে কোনো-মতে খাবলৈ আঁটিছিল। কৃষকসকলৰো অৱস্থা আছিল তথৈবচ। তেওঁলোকৰ সৰহভাগেই বেপাৰীৰ ওচৰত ধৰুৱা হৈছিল আৰু যি কোনো মুহূৰ্ত্তত তেওঁলোক চাৰ্ফ বা দাসত পৰিণত হোৱাৰ সম্ভাৱনা আছিল। ৰোমান সমাজৰ এটা মূৰত আছিল দাস, দিন মজুৰি কৰা বনুৱা, কাৰিকৰ আৰু কৃষকসকল আৰু আনটো মূৰত আছিল চিনেটৰ আৰু ভূস্বামী, সদাগৰ আদি অন্যান্য সম্ভ্ৰান্ত ৰোমানসকল। দাস-বনুৱাসকলৰ তুলনাত তেওঁ-লোকৰ প্ৰাচুৰ্য্য লক্ষ্য কৰক ; চিচাৰোৱে (ৰোমান চিনেটৰৰ ঐশ্চৰ্য্যৰ তুলনাত যাক কোনোপধ্যেই এজন ধনী লোক আছিল বুলি কব নোৱাৰি) নিজৰ ল'ৰাৰ শিক্ষাৰ বাবে বছৰি ধন খৰছ কৰিছিল চাৰি হেজাৰ পাউণ্ড। চিনেটৰসকলে 'ভদ্ৰভাৱে' বাস কৰিবৰ বাবে হেনো বছৰি কমপক্ষেও পঞ্চাশ হেজাৰ পাউণ্ডৰ প্ৰয়োজন হৈছিল।

কেটোৱে অতি 'সৰল'ভাৱে জীৱন যাপন কৰিছিল, কাৰণ তেওঁৰ পুঁজি আছিল মাত্ৰ এক লাখ আশী হেজাৰ পাউণ্ড। পালেটাইনত থকা চিচাৰোৰ প্ৰাসাদটোৰ মূল্য আছিল এক লাখ পয়সত্তৰ হেজাৰ পাউণ্ড ; আৰু টুস্কুলামত থকা ভিলাটোৰ মূল্য আছিল পচিঁশ হেজাৰ পাউণ্ড।

ইয়াৰ উপৰিও তেওঁৰ আৰু পাঁচোটা গ্ৰাম্য-গৃহ আছিল। মাচাল্লা বোলা চিনেটৰ জনৰ প্ৰাসাদটোৰ মূল্য আছিল এক লাখ পয়ষষ্ঠী হেজাৰ পাউণ্ড, ক্লডিয়াচৰ সাতলাখ চল্লিচহেজাৰ পাউণ্ড ; স্কাউৰ্ণচ বোলা চিনেটৰ জনৰ টুস্কুলামত থকা ভিলাটোৰ মূল্য আছিল পোন্ধৰ লাখ পাউণ্ড। পেম্পেই, এণ্টনি আদি চিনেটৰ সকলবো সম্পত্তিৰ মূল্য আছিল প্ৰায় এনে ধৰণৰ।

অন্ধবিশ্বাস আৰু দৈৱবাদ এনে তীব্ৰ শ্ৰেণী-বৈষম্যৰ স্বাভাৱিক পৰিণতি। ৰোমান সমাজৰ তলৰ চামটোৱে ইহজগতত সুখৰ কোনো আশা দেখা নাছিল। গতিকে পৰলোকমুখী চিন্তাত সান্তনা লবলৈ তেওঁলোক বাধ্য হৈছিল। অৱশ্যে তেওঁলোকে যে কাহানিও নিস্পেষণৰ বিৰোধিতা কৰা নাছিল তেনে নহয় ; স্পাৰ্টাকাচ আদিৰ নেতৃত্বত ৰোমান সাম্ৰাজ্যত কেইবাটাও দাস-বিপ্লৱে দেখা দিছিল। কিন্তু এই বিপ্লৱবিলাকে সাফল্য লাভ কৰিব পৰা নাছিল, বৰং বিপ্লৱীসকলে নিকৰুণ শাস্তিহে ভোগ কৰিবলগীয়া হৈছিল। গতিকে ধৰ্মই তেওঁলোকৰ সান্তনাৰ একমাত্ৰ থলী হৈ পৰিছিল। ৰোম সাম্ৰাজ্যৰ পৰৱৰ্ত্তী কালছোৱাত ৰহস্যবাদ তীব্ৰভাৱে বৃদ্ধি পাইছিল ; অৰ্ফিয়ুচবাদ, মিথ্ৰাবাদ, এলুচীয়বাদ, আৰু পিচলৈ মানিকীয়কদে (Manicheism) গ্ৰীচৰ যোগেদি আহি ৰোমত খোপনি পুতিছিলহি। তদুপৰি মিছৰীয় দেৱী আইচিচ, চেৰাপিচ আৰু চিবিলদেৱীৰ পূজা ৰোমত আৰম্ভ হৈছিল। মিছৰীয় ৰাণী ক্লিঅ'পেট্ৰা ৰোমলৈ অহাৰ সময়ত জুলিয়াচ চিজাৰে তেওঁৰ সন্মানাৰ্থে ৰোমত আইচিচৰ এটা মন্দিৰ সাজি দিয়াত ৰোমত আইচিচৰ পূজা ভীষণভাৱে বৃদ্ধি পাইছিল। এই ৰহস্যবাদী ধৰ্মটোৱে ৰোমত এনেদৰে শিপাইছিল যে ৰোমত চিনেটে আইন কৰিও এই পূজা উঠাব পৰা নাছিল। আনহাতে মিছৰৰ ফাৰাও সকলৰ দৰে ৰোমৰ সম্ৰাটেও মানুহৰ মাজত পৰোক্ষভাৱে কুসংস্কাৰ সুমুৱাই দিবলৈ যত্ন কৰিছিল, কাৰণ কুসংস্কাৰৰ দ্বাৰা ৰাজ্য শাসন কৰা সহজ আছিল।" এই কামত তেওঁক সহায় কৰিছিল পুৰোহিত আৰু বুদ্ধিজীৱীসকলে। (গ্ৰীচত স্বয়ং প্লেত'ৱে প্ৰজাসকলক "মহৎ মিছা"ৰ

শিক্ষা দিয়াৰ কথা কৈছিল।) মিঁছৰৰ অনুকৰণত ৰোমত সম্রাটে আনকি নিজকে দেৱতা হিচাপে পৰিগণিত হ'বলৈও যত্ন কৰা দেখা যায়। এই চেষ্টা প্ৰথমে চলায় জুলিয়াচ চিজাৰে। তেওঁৰ দিনত ই সফল নহ'ল যদিও পিচলৈ তেওঁৰ আশা পূৰণ কৰিলে তেওঁৰ পালিত পুত্ৰ আগষ্টাছ চিজাৰে। 'ডিউৱাচ জুলিয়াচ' নামে এগৰাকী দেৱতাৰ তেওঁ সৃষ্টি কৰিলে আৰু সেই দেৱতা গৰাকীৰ পূজাৰ বাবে তেওঁ ৰোমত এটা মন্দিৰ সাজি দিলে। ধৰ্ম ক্ৰমান্বয়ে ৰহস্যবাদী হৈ আহিবলৈ ধৰাত স্বভাৱতে দৰ্শনো হৈ পৰিছিল দুৰ্বলচিতীয়া আৰু পলায়নমুখী। ষ্টইকবাদৰ উৎপত্তিস্থল গ্ৰীচ হলেও ৰোমান সমাজতহে ই অধিক জনপ্ৰিয় হৈ উঠিছিল, কাৰণ ৰোমান সমাজৰ লগত ই অধিক খাপখোৱা আছিল। কবলৈ গলে, ষ্টইকবাদ ৰোমৰ বৌদ্ধিক সমাজৰ বাবে এটা ধৰ্মই হৈ উঠিছিল।

সমাজত শ্ৰেণী-বৈষম্য যেতিয়া তীব্ৰ হৈ উঠে আৰু নিষ্পেষিত শ্ৰেণীটোৱে যেতিয়া নিষ্পেষণৰ পৰা মুক্তি পোৱাৰ কোনো উপায় বিচাৰি নাপায়, তেতিয়াই সেই সমাজৰ চিন্তা অতীত আৰু পৰলোক-মুখী হৈ পৰে, যুক্তিৰ ওপৰত মানুহৰ আস্থা হেৰাই যায় আৰু মানুহ অন্ধ বিশ্বাসৰ বলি হৈ পৰে। খৃঃ পূঃ ২য় শতাব্দী মানত গ্ৰীচত আৰু খৃস্টীয় ১ম শতিকামানত ৰোমত এনে এটা অৱস্থা দেখা গৈছিল আৰু তেতিয়াই এই দুয়ো সভ্যতাৰ অৱসানো ঘটিছিল।

(১৯৮০)

॥ ধৰ্ম আৰু প্ৰগতি ॥

(য়ুৰোপীয় ঐতিহ্যৰ এটি ধাৰা)

গ্ৰেকো-ৰোমান সভ্যতাৰ পৰাই য়ুৰোপৰ এক সুদীৰ্ঘ গৌৰৱময় ঐতিহ্য আছে যদিও তথাকথিত 'অন্ধকাৰ যুগে' আধুনিক য়ুৰোপীয় সভ্যতাক গ্ৰেকো-ৰোমান সভ্যতাৰ পৰা বিচ্ছিন্ন প্ৰায় কৰি ৰাখিছিল। সেয়ে য়ুৰোপীয় ঐতিহ্য বুলিলে গ্ৰেকো-ৰোমান সভ্যতাক প্ৰায়ে অন্তৰ্ভূক্ত কৰা নহয়। প্ৰথমে প্লেত'ৰ আৰু পিছলৈ আৰিস্ততলৰ বহুতো মতবাদ মধ্যযুগৰ আচাৰ্যসকলে লৈছিল ; কিন্তু গ্ৰীকসকলৰ ধৰ্ম-নিৰপেক্ষ, বহিৰ্মুখী দৃষ্টিভংগী তেওঁলোকে আয়ত্ত কৰিব পৰা নাছিল। খৃষ্টীয় এহেজাৰ শতিকা মানৰ পৰাই য়ুৰোপত জ্ঞানৰ পুনৰুত্থান ঘটিবলৈ লৈছিল। চেইণ্ট আগষ্টিন, টমাচ একুয়ানাচ, পিটাৰ আবেলাৰ আদি মধ্যযুগৰ আচাৰ্যসকলে চিন্তাৰ ক্ষেত্ৰত যথেষ্ট মৌলিকতাও দেখুৱাইছিল . এই যুগৰ শেষৰকালে ইটালিত আনকি ডাণ্টেৰ দৰে কবিয়েও জন্মলাভ কৰিছিল। তথাপি গ্ৰীক আৰু ৰোমান সভ্যতাৰ পতনৰ পিচৰপৰা খৃষ্টীয় পঞ্চদশ শতিকা মানলৈকে বৌদ্ধিক ক্ষেত্ৰত ভাৰতবৰ্ষ, চীনদেশ আদিৰ তুলনাত য়ুৰোপৰ অৱদান একো বেছি নাছিল। পৰিৱৰ্তন, প্ৰগতি আদিৰ ধাৰণা মধ্যযুগীয় য়ুৰোপত নাছিল। আন নালাগে, এই যুগৰ অন্যতম শ্ৰেষ্ঠ বুদ্ধিজীৱী টমাচ একুয়ানাচেও তেওঁ 'চুম্মা থিয়োলজিয়া'ত সমাজ-ব্যৱস্থাক অপৰিৱৰ্তনীয় বিশ্ব-ব্ৰহ্মাণ্ডৰ এটা অংশ বুলি প্ৰমাণ কৰিবলৈহে উঠিপৰি লাগিছিল।

য়ুৰোপৰ 'অন্ধকাৰ' যুগটো আছিল অজ্ঞ মানুহৰ যুগ। আনকি চাৰ্লেমেনৰ দৰে বিদ্যোৎসাহী ৰজায়ো পঢ়িব পাৰিছিল যদিও লেখিব নাজানিছিল। খৃষ্টান সংঘ আদি ধৰ্মানুষ্ঠানসমূহ এই যুগত জ্ঞান-চৰ্চাৰো

কেন্দ্ৰ আছিল। খৃষ্টীয় দশম শতিকামানৰ পৰা আল কিন্দি, আল খোৱাৰজ্‌মি, ইব্‌ন ৰছুদ, ইব্‌ন চিনা প্ৰভৃতি এচাম মুছলমান পণ্ডিতৰ দ্বাৰা য়ুৰোপ বিশেষভাৱে প্ৰভাৱিত হয়। বস্তুতঃ য়ুৰোপত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰে ইচলামীয় পণ্ডিতসকলেই। স্পেইনৰ খলিফা আব্‌দ আল ৰহমানৰ দ্বাৰা প্ৰতিষ্ঠিত কৰ্ডোভা বিশ্ববিদ্যালয়েই, কবলৈ গলে, য়ুৰোপৰ প্ৰথম বিশ্ববিদ্যালয়। তেতিয়াৰ পৰাই য়ুৰোপত লাহে লাহে বিশ্ব-বিদ্যালয়সমূহ প্ৰতিষ্ঠা হ'বলৈ আৰম্ভ কৰে। (পেৰিচ—১১৬০ খৃষ্টাব্দ, অক্সফ'ৰ্ড—১১৬৭ খৃষ্টাব্দ ; কেম্ব্ৰিজ—১২০৯ খৃষ্টাব্দ ; পাদুৱা—১২২২ খৃষ্টাব্দ ; নেপলচ্‌—১২২৪ খৃষ্টাব্দ ; প্ৰাগ—১৩৪৭ খৃষ্টাব্দ ; ক্ৰেক'—১৩৬৪ খৃষ্টাব্দ ; ভিয়েনা—১৩৬৭ খৃষ্টাব্দ) অৱশ্যে স্কুল-কলেজবিলাক আছিল মুষ্টিমেয় এচাম সৌভাগ্যশালীৰ বাবেহে।

বিদ্যালয়বিলাকত ব্যাকৰণ, অলংকাৰশাস্ত্ৰ আৰু ন্যায়শাস্ত্ৰ—এই তিনিটা বিষয়ৰ (Trivium) শিক্ষা দিয়া হৈছিল। উচ্চ-বিদ্যালয়বোৰত শিকোৱা হৈছিল ওপৰোক্ত বিষয় তিনিটাৰ উপৰিও জ্যামিতি, গণিত, জ্যোতির্বিদ্যা, সংগীত, গ্ৰীক আৰু লাতিন—সৰ্বমুঠ এই আঠোটা বিষয় (uadrivium)।

বিদ্যালয়বোৰত ধৰ্ম-শিক্ষা পোনপটীয়াকৈ দিয়া নহৈছিল ; সেইবুলি মধ্যযুগীয় চিন্তা ধৰ্ম-নিৰপেক্ষ নাছিল ; সমস্ত মধ্যযুগটোত য়ুৰোপীয় ঐতিহ্যৰ মুখ্য ধাৰক আৰু বাহক আছিল যাজক সম্প্ৰদায়। কেইবা-গৰাকীও প্ৰতিভাশালী পণ্ডিতৰ এই যুগত জন্ম হৈছিল। চেইণ্ট আগষ্টিনে সময় সম্পৰ্কে দিয়া কেতবোৰ ব্যাখ্যা, উইলিয়াম অৱ অ'ক্কামৰ বিখ্যাত 'অ'ক্কামৰ ক্ষুৰ' (Occam's Razor) পিটাৰ আবেলাৰ আৰু ডান্স স্কটাছৰ 'নামবাদ' (nominalism) আদি দৰ্শনজগতলৈ য়ুৰোপৰ বহুমূলীয়া অৱদান। কিন্তু এই চিন্তা-চৰ্চাৰ প্ৰায় সকলোবোৰেই, কবলৈ গলে, ধৰ্মতত্ত্ব আৰু অধিবিজ্ঞানৰ পোছাকেৰে আবৰা আছিল। সামন্তযুগৰ আচাৰ্যসকলৰ চিন্তাৰ সুঁতিটো আছিল মৰ্ত্যৰপৰা স্বৰ্গলৈ নহয়, স্বৰ্গৰপৰা মৰ্ত্যলৈহে ; তেওঁলোকে ইহজগতখনৰ ব্যাখ্যা দিবলৈ প্ৰয়াস কৰিছিল

৭

কিছুমান অতি-জাগতিক প্ৰসংগৰ জৰিয়তে। পণ্ডিতে সমাজ অধ্যয়নত তেওঁলোক ব্যৰ্থ হৈছিল। আনহাতে বাস্তৱ-জীৱনৰ লগত পোনপটীয়া সম্পৰ্ক নথকা বাবে দৰ্শনো তেওঁলোকৰ বাবে হৈ পৰিছিল কেতবোৰ ধূসৰ চিন্তাৰ সমষ্টি। তেওঁলোকৰ অধ্যয়নৰ ভেঁটি আছিল যুক্তি নহয়, বিশ্বাস; ধৰ্মগুৰু আৰু ধৰ্মশাস্ত্ৰৰ কৰ্তৃত্ব তেওঁলোকে নিৰ্বিবাদে মানি লৈছিল। "যুক্তিৰ প্ৰদৰ্শনীতকৈয়ো বিশ্বাসৰ সাৱল্যক আমি শ্ৰেয় বুলি মানিব লাগিব।"—চেইণ্ট বেচিলৰ দৰে পণ্ডিতেও লেখিছিল। আবেলাৰ, অ'কাম প্ৰমুখ্যে যিসকল মুষ্টিমেয়ই ধৰ্মীয় বিশ্বাসতকৈ যুক্তিৰ ওপৰত প্ৰাধান্য দিব খুজিছিল, তেওঁলোকে লাভ কৰিছিল সমুচিত দণ্ড। হেলইচৰ লগত প্ৰণয়ৰ অভিযোগত আবেলাৰৰ পুৰুষাংগ ছেদন কৰা হৈছিল; অ'কামেও গীৰ্জাৰ হাতৰ পৰা প্ৰাণৰক্ষা কৰিব পাৰিছিল সম্ৰাট লুইৰ আশ্ৰয়তহে। গীৰ্জাৰ দ্বাৰা নিৰ্দেশিত বিধিসমূহ উলংঘা বা উপেক্ষা কৰা লোকসকলক শাস্তি বিহিবৰ উদ্দেশ্যে ১২৩৩ চনত পোপ নৱম গ্ৰেগৰীয়ে কুখ্যাত 'ইনকুইজিশ্যন' প্ৰতিষ্ঠা কৰে। য়ুৰোপৰ অনেক বুদ্ধিজীৱী এই ইনকুইজিশ্যনৰ হাতত অপমানিত আৰু লাঞ্ছিত হৈছিল।

যুক্তিতকৈ বিশ্বাসৰ ওপৰত অধিক গুৰুত্ব আৰোপিত হোৱাত সামন্ত যুগটোত বিজ্ঞানৰ স্থান স্বাভাৱিকতে গৌণ আছিল। একমাত্ৰ ৰ'জাৰ বেকনৰ বাহিৰে কোনো উল্লেখযোগ্য বিজ্ঞানী সামন্ত যুগৰ য়ুৰোপীয় বুৰঞ্জীত পাবলৈ নাই। বিজ্ঞান চৰ্চা কৰা 'অপৰাধ'ত বেকনো সদায় যাজক সম্প্ৰদায়ৰ সন্দেহৰ পাত্ৰ হৈ আছিল। ১২৭৮ চনত তেওঁৰ সমস্ত পুথি-পাঁজি গীৰ্জাই নিষিদ্ধ কৰি দিয়ে আৰু পেৰিচৰ পোতাশালত তেওঁ চৈধ্য বছৰকাল কটাবলগীয়াত পৰে। সামন্তযুগীয় য়ুৰোপত ৰসায়ন বিজ্ঞানৰ চৰ্চা হোৱা নাছিল, চৰ্চা হৈছিল তামক সোণলৈ ৰূপান্তৰিত কৰিব খোজা ৰসবিদ্যাৰহে। গণিত আৰু জ্যোতিৰ্বিজ্ঞানৰ ওপৰত যাজক সকলৰ আস্থা নাছিল। সেয়ে ক'পাৰ্নিকাচৰ পূৰ্বসূৰী নিক'লাচ অৱ অ'ৰেছম প্ৰমুখ্যে দুই এগৰাকী পণ্ডিতে প্ৰাকৃতিক বিজ্ঞানলৈ যৎসামান্য অৱদান আগবঢ়াইছিল যদিও সামন্তযুগটোত বিজ্ঞানে বিশেষ গা কৰিব পৰা

নাছিল। আন নালাগে চেইন্ট আগষ্টিনৰ দৰে তীক্ষ্ণধী আচাৰ্যই বিজ্ঞানী-সকলক "খৃষ্টান ৰীতি-নীতি নমনা ঠগ আৰু ভণ্ড" বুলি অভিহিত কৰিছিল।

সামন্তযুগীয় য়ুৰোপত বিজ্ঞান কেনে আছিল, তাৰ উমান পোৱা যায় 'হেক্সামেৰণ' নামে সেই যুগত ৰচিত হোৱা এখন বৈজ্ঞানিক ধৰণৰ পুথিৰপৰা। এই পুথিৰ লেখক আছিল চেইন্ট বেচিল, চেইন্ট এম্ব্ৰ'চ, অ'ৰিগেন, হিপ'লাইটিচ আদি সামন্ত যুগৰ প্ৰখ্যাত আচাৰ্যসকল। বাইবেল প্ৰমুখ্যে খৃষ্টান শাস্ত্ৰবিলাকত থকা উক্তি সমূহৰ সত্যতা দেখুৱাবৰ বাবে এই পুথিখনত কিছুমান অদ্ভুত যুক্তিৰ অৱতাৰণা কৰা হৈছিল। যেনে, মেৰী কুমাৰী হৈয়ো যীশুৰ মাক হ'ব পৰাটো যে একো অস্বাভাৱিক নহয়, তাৰ প্ৰমাণাৰ্থে পুথিখনত কোৱা হৈছিল যে, পৃথিৱীত বহুতো চৰাই আছে যিবিলাকে বিনা সংগমে কণী পাৰিব পাৰে! যীশুৰ 'পুনৰুত্থান'ৰ যৌক্তিকতা দেখুৱাবলৈ কোৱা হৈছিল যে সিংহিনীবোৰে আচলতে মৰা পোৱালিহে জন্ম দিয়ে; জন্মৰ তৃতীয় দিনা সিংহটোৱে মৰা পোৱালিটোৰ ওচৰত নিশ্বাস ত্যাগ কৰিলেহে পোৱালিটো জীৱন্ত হৈ উঠে! দয়ালু ঈশ্বৰে মহ-মাখি আদি আপদীয়া কীট পতংগবোৰ নো কিয় সৃষ্টি কৰিলে, এই কথা ভাবি চেইন্ট আগষ্টিনৰ দৰে প্ৰতিভাশালী পুৰুষো যথেষ্ট বিমোৰত পৰিছিল!

পৃথিৱীৰ সকলো দেশৰ সামন্তযুগৰ দৰে য়ুৰোপৰ সামন্তযুগটোও আছিল 'বিশ্বাসৰ যুগ'; এই যুগত যুক্তিৰ কছৰৎ কৰা হৈছিল; কিন্তু সি আছিল ধৰ্মগুৰু আৰু ধৰ্মশাস্ত্ৰৰ উক্তি প্ৰমাণৰ বাবেহে, কোনো নতুন সত্য উদ্ধাৰৰ বাবে নহয়। এই যুগত ধৰ্মৰ প্ৰভাৱ আছিল অত্যন্ত প্ৰবল; সেয়ে বিজ্ঞান বা তেনেধৰণৰ মতান্ধতাহীন যুক্তিবাদী চিন্তাই এই যুগত বিশেষ স্থান পোৱা নাছিল। আনকি সাহিত্য, ৰাজনীতি আদিকো এই যুগত ধৰ্মতত্ত্বৰ মানদণ্ডেৰেহে জোখা হৈছিল।

য়ুৰোপৰ সমস্ত মধ্যযুগটো ধৰ্মীয় চিন্তা আৰু ধৰ্মীয় কুসংস্কাৰেৰে আচ্ছন্ন হৈ আছিল। য়ুৰোপে এই আচ্ছন্নতাৰপৰা মুক্তি লাভ কৰিলে খৃষ্টীয় পঞ্চদশ শতিকাত ইতালিত আৰম্ভ হোৱা বিখ্যাত 'নৱন্যাস' যুগত। প্ৰাচীন গ্ৰীকযুগটোৰ নিচিনাকৈ নৱন্যাস যুগটোও আছিল প্ৰতিভাৰ যুগ। বিশ্বকোষিক জ্ঞানসম্পন্ন কেইবাগৰাকীও পণ্ডিতে এই যুগত জন্মলাভ কৰিছিল। লিঅ'নাৰ্দ আছিল একাধাৰে চিত্ৰকৰ, ভাস্কৰ, সঙ্গীতজ্ঞ, পদাৰ্থবিজ্ঞানী আৰু কাৰিকৰ; মেকিয়াভেলি আছিল একাধাৰে ৰাজনীতিজ্ঞ, বুৰঞ্জীবিদ আৰু কবি; ডুৰাৰ আছিল চিত্ৰকৰ, ভাস্কৰ আৰু স্থপতি।

গ্ৰাম্য-শান্তি আৰু নিশ্চলতাৰ যুগৰপৰা চহৰীয়া চাঞ্চল্য আৰু ব্যস্ততাৰ যুগলৈ য়ুৰোপৰ ক্ৰান্তিকালেই হ'ল নৱন্যাস যুগ। এই যুগতেই য়ুৰোপ সামন্তবাদৰপৰা পুঁজিবাদলৈ আগবাঢ়ে, এই যুগতে কল-কাৰখানা, ব্যৱসায়-বাণিজ্য আদিৰ সূচনা হয় আৰু মাটিতকৈ ধনৰ গুৰুত্ব বাঢ়ে। নৱন্যাস যুগৰ সংস্কৃতি আছিল এক বুৰ্জোৱা সংস্কৃতি। ধৰ্মনিৰপেক্ষতা আৰু পৰজাগতিক জীৱনতকৈয়ো ইহজাগতিক জীৱনৰ দৈনন্দিন অভিজ্ঞতাসমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপেই এই সংস্কৃতিৰ বৈশিষ্ট্য আছিল। এই যুগৰ ব্যৱসায়িক চঞ্চলতাই য়ুৰোপীয় সমাজলৈ যি পৰিৱৰ্তন আনিছিল, সি আছিল ধীৰ অথচ নিশ্চিত; সামন্তবাদী সমাজ-ব্যৱস্থাক ধৰি ৰাখিবলৈ গীৰ্জাই কৰা সমস্ত প্ৰচেষ্টা এই পৰিৱৰ্তনৰ ঢৌৰ সন্মুখত ব্যৰ্থ হৈছিল।

সাহিত্যৰ ক্ষেত্ৰত ইতালিত নৱন্যাসৰ সূচনা কৰে পেত্ৰাৰ্ক আৰু বোকাচ্চিঅ'ই। এওঁলোক দুয়ো সামন্তযুগীয় ধৰ্মতাত্ত্বিক চিন্তাৰ পৰা মুক্ত আছিল। বোকাচ্চিঅ'ই তেওঁৰ 'ডিকামেৰণ' পুথিৰ যোগেদি ধৰ্মক আনকি প্ৰকাৰান্তৰে ব্যংগও কৰিছিল। পেত্ৰাৰ্ক আৰু বোকাচ্চিঅ'ৰ পৰৱৰ্তী আন দুগৰাকী ইতালীয় সাহিত্যিক হ'ল আৰিঅস্ত আৰু তাছ'। দুয়ো প্ৰগতিবাদী কবি আছিল আৰু উদাৰনৈতিক মতবাদবিলাকৰ বাবে

তেওঁলোক গীর্জাবদ্বাৰা আক্ৰান্ত হৈছিল। আৰ্টৰ ক্ষেত্ৰত জিয়ত্ত'ই ৰহস্যবাদী বাইজেণ্টাইন পদ্ধতিৰপৰা নিজকে মুক্ত কৰাৰ পিছত বত্তিচেল্লি, ভেৰক্কিঅ', মিকালেঞ্জেল', লিঅ'নাৰ্দ', ৰাফায়েল প্ৰমুখ্যে এটা প্ৰতিভাশালী কলাকাৰৰ দল ইতালিত আবিৰ্ভাৱ হয় আৰু তেওঁলোকেই আৰ্টৰ আধুনিক যুগৰ সূচনা কৰে। আনহাতে দনাতেল্লই ভাস্কৰ্য, আৰু ব্ৰানেলেস্কিয়ে স্থাপত্য বিদ্যাক সামন্তযুগীয় গথিক প্ৰভাৱৰ পৰা মুক্ত কৰে। সাহিত্যৰ দৰে এই যুগৰ কলা আৰু ভাস্কৰ্যতো বাস্তৱতাৰ ছাপ আছিল। চাভনাৰ'লাৰ প্ৰভাৱত মিকালেঞ্জেল' আৰু বত্তিচেল্লি জীৱনৰ শেষৰ ফালে সামান্যভাৱে ৰহস্যবাদী হৈ পৰিছিল যদিও এই যুগৰ কলাকাৰসকলৰ সৰহভাগেই ধৰ্মৰ প্ৰভাৱৰপৰা বহুলাংশে মুক্ত আছিল।

নৱন্যাস আন্দোলনটো সংগঠিত হৈছিল ঘাইকৈ সাহিত্যিক আৰু কলাকাৰসকলৰ দ্বাৰা। সেইবুলি বিজ্ঞানী আৰু দাৰ্শনিকৰো অৱদান ইয়াত নথকা নহয়। স্বয়ং লিঅ'নাৰ্দ' এই যুগৰ অন্যতম শ্ৰেষ্ঠ বিজ্ঞানী আছিল; তদুপৰি এই যুগতে পাৰাচেলচাছ আৰু এগ্ৰিছ পাৰেই ৰসায়ন বিজ্ঞানক ৰসবিদ্যাৰপৰা উদ্ধাৰ কৰে। দৰ্শনৰ ক্ষেত্ৰত আমি তিনিগৰাকী পণ্ডিতৰ নাম পাওঁ—ব্ৰুন', তেলেচ্ছিঅ' আৰু ক'ম্পানেল্লা। গীৰ্জাবিৰোধী মতবাদ প্ৰচাৰ কৰা অপৰাধত ব্ৰুন'ৰ মৃত্যু ঘটিছিল, আৰু তেলেচ্ছিঅ' আৰু কম্পানেল্লা গীৰ্জাৰ সন্দেহ ভাজন হৈছিল।

নৱন্যাস যুগৰ আন এগৰাকী প্ৰসিদ্ধ ইটালিয়ান হ'ল 'প্ৰিন্স' বা 'যুৱৰাজ' গ্ৰন্থৰ দ্বাৰা ৰাজনীতি বিজ্ঞানত আলোড়নৰ সৃষ্টি কৰা নিক'ল্ল' মেকিয়াভেল্লি। ৰাজনীতিতত্বক তেঁৱেই প্ৰথমে 'বিজ্ঞান' হিচাপে প্ৰতিষ্ঠা কৰে। ধৰ্মক তেওঁ এটা সামাজিক শক্তিৰূপেহে গণ্য কৰিছিল আৰু ৰজাসকলকো তেনেদৰে ব্যৱহাৰ কৰিবলৈ তেওঁ নিৰ্দেশ দিছিল। কৰ্মযোগীসকলক হেয় কৰি ভাবুক আৰু দুৰ্বল চিত্তৰ লোকক মহিমা-মণ্ডিত কৰা বাবে খৃষ্টান ধৰ্মৰ প্ৰতি তেওঁ বিতুষ্ট আছিল।

নৱন্যাসৰ জন্ম ইতালিত হলেও ই ইতালিতে আবদ্ধ হৈ থকা

নাছিল ; ইয়াৰ ঢৌ লাহে লাহে সমগ্ৰ য়ুৰোপতে বিয়পি পৰিছিলগৈ। পঞ্চদশ শতিকাত ফ্ৰান্সত ফ্ৰাংক' বিবেলে', ইংলণ্ডত টমাছ ম'ৰৰ জন্ম হয়। বিবেলে' আছিল সন্দেহবাদী। ম'ৰ নৈষ্ঠিক খৃষ্টান আছিল যদিও, তেওঁৰ কল্পনাৰ ৰাজ্য 'য়ুটপিয়া'ত চাৰ্চৰ স্থান নাছিল।

সামন্তবাদে দকৈ শিপোৱা জাৰ্মানীত নৱন্যাসে মূৰ ডাঙি উঠিছিল এটা ধৰ্মীয় আন্দোলনৰ ৰূপত, য়ুৰোপৰ বুৰঞ্জীত যি 'ৰিফৰ্মেশ্যন' নামে প্ৰসিদ্ধ। সমাজৰ সংস্কাৰৰ বাবেই ইয়াত ধৰ্মৰ সংস্কাৰৰ প্ৰয়োজন হৈছিল। (ফ্ৰেডেৰিখ এংগেলচৰ ভাষাত, "The existing social conditions had to be stripped of their halo of sanctity before they could be attacked,—'পিজেণ্ট ৱ'ৰ ইন জাৰ্মানী') ইয়াৰ পুৰণি কেথলিক ধৰ্মটো আছিল ভূমিদাস আৰু ভূ-স্বামী সকলৰ, আনহাতে প্ৰটেষ্টাণ্ট ধৰ্মটো আছিল সমাজৰ ন-কৈ সৃষ্টি হোৱা প্ৰলেটাৰিয়েট আৰু বুৰ্জোৱা শ্ৰেণীটোৰ।

'ৰিফৰ্মেশ্যন' যুগৰ জাৰ্মানীয়ে জন্ম দিছিল ৰুৱেখলিন, ফন হুটন, আলব্ৰেখট্ ডুৰাৰ, আৰু 'ইন প্ৰেইজ অৱ ফল্লি'ৰ বিখ্যাত লেখক ডেচিডৰাছ এৰেছমাছৰ। এৰেছমাছ আছিল নৱন্যাস যুগত আৰম্ভ হোৱা মানৱতাবাদী আন্দোলনৰ পিতৃ। নিজে গীৰ্জাৰ ভকত আছিল যদিও তেওঁৰ মন আছিল জাতি আৰু ধৰ্মৰ বন্ধন মুক্তিৰ প্ৰতি লালায়িত। উদাৰ মানসিকতাৰ বাবেই তেওঁৰ এসময়ৰ বন্ধু মাৰ্টিন লুথাৰৰ লগত তেওঁৰ তীব্ৰ মনোমালিন্যৰ সৃষ্টি হৈছিল। গীৰ্জাৰ ঠেক নীতি-নিয়মবিলাক ইয়াৰ ভুৱা সন্যাসবাদ শৰীৰৰ স্বাভাবিক সৌন্দৰ্যৰ প্ৰতি ই দেখুওৱা ঘৃণা আদি তেওঁৰ প্ৰগতিবাদী চিন্তাৰ লগত খাপ নোখোৱা আছিল ; আনফালে ধৰ্মৰ নামত গীৰ্জাত চলি থকা ব্যাভিচাৰবিলাক, বিষয়-সম্পত্তিৰ প্ৰতি যাজক সকলৰ আক্ৰোশ আদিয়ে তেওঁক অতীষ্ঠ কৰি তুলিছিল আৰু পিছৰ যুগৰ ভল্‌টেয়াৰৰ দৰে তেৰোঁ তেওঁৰ চোকা লেখনিৰে গীৰ্জাক নানাভাৱে ব্যাংগ কৰিছিল। এই ব্যংগৰ পৰিণামস্বৰূপেই

'ইন প্রেইজ অৱ ফল্লি'ৰ জন্ম হয়। গীৰ্জাই অৱশ্যে কিতাপখন ভতালিকে নিষিদ্ধ কৰে। যাজকসকলক লক্ষ্য কৰি তেওঁ কৈছিল :

"যাজকজন প্ৰায়ে মূৰ্খ বা মাতাল। পৱিত্ৰ আনুগত্যৰ নামত তেওঁ ভকতসকললৈ যিবোৰ আদেশ জাৰি কৰে, সেইবোৰ নো কেনে ধৰণৰ? সেইবোৰ কৌমাৰ্য ৰক্ষা কৰিবলৈ, ধীৰ হবলৈ, বা মিছা কথা নকবলৈ নহয়; সেইবোৰ হ'ল এনে ধৰণৰ :—গ্ৰীকভাষা নিশিকিবা, নিজাকে কোনো শিক্ষা নলবা, ইত্যাদি। তেওঁ মদাপী হওক, বেশ্যালয়গামী হওক, ইৰ্ষাপৰায়ণ আৰু হিংসুক হওক, তেওঁ শাস্ত্ৰাদি নপঢ়ক-কোনো কথা নাই। যিহেতু তেওঁ গীৰ্জাৰ কোনো শপত ভংগ কৰা নাই, গতিকেই ভক্ত-সমাজৰ তেওঁ এজন সুশীল সভ্য।"

দ্বাদশ বা ত্ৰয়োদশ শতিকাত এনে উক্তি কল্পনাৰো অগোচৰ আছিল।

সামন্তযুগৰ পণ্ডিতীয়বাদ লুপ্ত কৰিবলৈ নৱন্যাসযুগৰ নেতাসকলে যৎপৰোনাস্তি চেষ্টা কৰিছিল। এই নেতাসকল আছিল য়ুৰোপীয় সমাজত ন-কৈ গঠিত হোৱা বুৰ্জোৱা মানৱতাবাদী শ্ৰেণী। এওঁলোকৰ জিজ্ঞাসাৰ মুখ্য বিষয় আছিল মানুহ। (উল্লেখ্য যে নৱন্যাসযুগৰ পৰাহে য়ুৰোপত humanism বা 'মানৱতাবাদ' শব্দটোৰ প্ৰচলন আৰম্ভ হয়।) ধৰ্মীয় আৰু অন্যান্য সকলো প্ৰকাৰৰ কৰ্তৃত্বৰপৰা মুক্ত হৈ সমাজ আৰু প্ৰকৃতিক স্বাধীনচিন্তীয়া মনেৰে নিৰীক্ষণ কৰাই এওঁলোকৰ উদ্দেশ্য আছিল। গতিকে এওঁলোকৰ মন স্বভাৱতে গ্ৰীক জগতলৈ ধাৱিত হৈছিল। লুপ্ত-প্ৰায় অসংখ্য গ্ৰীক পুথি-পাঁজি এই যুগত উদ্ধাৰ হয় আৰু মানৱতাৱাদীসকলে সেইবোৰ আধুনিক য়ুৰোপীয় ভাষালৈ অনুবাদ কৰে। নৱন্যাসযুগত গ্ৰীক জগতখন এইদৰে প্ৰায় পুনৰুজ্জীৱিত হৈ উঠিছিল; চৌদিশে ধ্বনিত হৈছিল মনোমুক্তিৰ ঝংকাৰ। মানৱতাৱাদীসকলে তেওঁলোকৰ বৌদ্ধিক শ্ৰমাৱলীক এটা আনন্দময় সামাজিক অভিযান হিচাপেহে গণ্য কৰিছিল, ধৰ্মশাস্ত্ৰত সঞ্চিত হৈ থকা জ্ঞানৰ প্ৰচাৰ বা সংৰক্ষণ হিচাপে নহয়।

নৱন্যাস আৰু বিফৰ্মেশ্যনৰ এক বিশেষত্ব হ'ল ব্যক্তিসত্তাবাদ। ই য়ুৰোপৰ নৱগঠিত পুঁজিবাদী অৰ্থ ব্যৱস্থাৰ ভাৱাদৰ্শী পৰিণাম আছিল। প্ৰায় বাৰশ বছৰ ধৰি খৃষ্টান চাৰ্চে সামন্তবাদী য়ুৰোপক একেডাল ঐক্যৰ জৰীৰে বান্ধি ৰাখিছিল। খৃষ্টান চাৰ্চত প্ৰথম ফাট মেলে চৈধ্য শতিকাৰ শেহভাগত যেতিয়া ৰোমৰ উপৰিও ফ্ৰান্সত সুকীয়াকৈ 'এভিগ্নন পোপ' পদবীৰ সৃষ্টি হয় (Great Schism)। কিন্তু যোল্ল শতিকাৰ প্ৰটেষ্টাণ্ট আন্দোলনে য়ুৰোপৰ ধৰ্মীয় ঐক্য ছিন্ন-ভিন্ন কৰি পেলালে। ধৰ্মৰ নিৰ্দেশ নিৰ্বিবাদে পালন কৰি যোৱা সামন্তযুগীয় মনোভাৱৰ এইদৰে অস্ত পৰিল। স্বয়ং লুথাৰে লেখিছিল :

"মই স্বাধীন হ'ব খোজোঁ। কোনো কৰ্তৃত্বৰ মই দাস হ'ব নোখোজোঁ, তেহেলৈ সি এক পৰিষদ বা তেনে কোনো ক্ষমতাই হওক ; পোপেই হওক বা কোনো বিশ্ববিদ্যালয়েই হওক। যি সচাঁ বুলি মই ভাবোঁ, তাক মই প্ৰত্যয়েৰে সৈতে প্ৰচাৰ কৰিম, তেহেলৈ তাক আগবঢ়াওক এজন কেথলিকেই বা এজন বিধৰ্মীয়েই ; তেহেলৈ কৰ্তৃত্বৰ দ্বাৰা সি অনুমোদিত হওকেই বা নহওকেই ; আৰু সি যি কৰ্তৃত্বই নহওক কিয়, মই তাক খাটিব নকৰোঁ।"

লুথাৰৰ এই উক্তি পৰৱৰ্তী য়ুৰোপীয় ঐতিহ্যৰ এটা ইংগিতময় উক্তি।

ধৰ্মৰ প্ৰতি আওকণীয়া মনোভাৱেই নৱন্যাসযুগৰ বৈশিষ্ট্য আছিল। নৱন্যাসযুগৰ পণ্ডিতসকলে প্ৰচলিত ৰীতি-নীতিবোৰৰ লগত বিবাদ-লিপ্ত হোৱা নাছিল, বা হবলগীয়া হোৱাও নাছিল ; কাৰণ তেওঁলোকৰ কাৰ্যই গীৰ্জাৰ স্বাৰ্থত পোনপটীয়াকৈ বাধা জন্মোৱা নাছিল। কিন্তু নিজে গম নোপোৱাকৈ তেওঁলোকে য়ুৰোপত এনে এক সভ্যতাৰ বীজ সিঁচি থৈ গ'ল যি পৰৱৰ্তী যুগবিলাকৰ ধৰ্মক অনবৰতে অতীষ্ঠ কৰি থাকিবলৈ ধৰিলে। নৱন্যাসযুগত গ্ৰীক-সভ্যতাৰ পুনৰুদ্ধাৰ আৰু পুঁজিবাদৰ অভ্যুত্থানে য়ুৰোপত আধুনিক বিজ্ঞানৰ সূচনা কৰিলে।

(পিছলৈ বিজ্ঞানেই আকৌ পুঁজিবাদ ত্বৰান্বিত কৰাত সহায় কৰেগৈ)। য়ুৰোপত বিজ্ঞানৰ এই সূচনা পৃথিৱীৰ ইতিহাসৰ চমকপ্ৰদ ঘটনাবিলাকৰ এটা ; কাৰণ ই অকল য়ুৰোপৰে নহয়, সমগ্ৰ মানৱ সভ্যতাৰে চেহেৰা সলনি কৰি দিলে। আধুনিক সভ্যতাৰ প্ৰায় সকলোবোৰ অৱদানৰ বাবে ষোল্ল আৰু সোতৰ শতিকাৰ য়ুৰোপত জন্ম লোৱা আধুনিক বিজ্ঞানৰ ওচৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱে আমি ঋণী। বিজ্ঞানীসকল ধৰ্মবিৰোধী নাছিল, বৰং কেপ্‌লাৰ প্ৰমুখ্যে কোনো কোনো বিজ্ঞানী আছিল অতিশয় ধৰ্মপ্ৰাণ লোক। কিন্তু তেওঁলোকৰ কাৰ্যাৱলীত যি উদ্যম নিহিত হৈ আছিল সি আছিল ধৰ্মীয় উদ্যমৰ সম্পূৰ্ণ বিপৰীত। ধৰ্মৰ ভেঁটি হ'ল বিশ্বাস, কিন্তু বিজ্ঞানী সকলৰ কাৰ্য-কলাপবোৰৰ ভেঁটি আছিল যুক্তি আৰু পৰীক্ষা ; ধৰ্ম হ'ল আবেগ-অনুভূতি-মিশ্ৰিত, কিন্তু বিজ্ঞানীসকলে আবেগ-বৰ্জিত যান্ত্ৰিক কাৰ্য-কাৰণবাদকহে সমৰ্থন কৰিছিল। তদুপৰি ধৰ্ম হ'ল কেতবোৰ ধৰ্মশাস্ত্ৰৰ বহতীয়া ; কিন্তু বিজ্ঞানীসকলে তেওঁলোকৰ কাৰ্য-কলাপবিলাকত কোনো ধৰণৰ কৰ্তৃত্ব মানি লোৱা নাছিল। এনেবিলাক কাৰণত বিজ্ঞানীসকল নিজে ধৰ্মবিৰোধী নহলেও ধৰ্মৰ লগত লাহে লাহে বিজ্ঞানৰ এক তীব্ৰ সংঘৰ্ষ আৰম্ভ হৈছিল।

বহু যুগৰ খ্যাত-অখ্যাত অনেক বিজ্ঞানীৰ শ্ৰমৰ ফল হিচাপে ষোল্ল-সোতৰ শতিকাত আধুনিক বিজ্ঞান পল্লৱিত হৈ উঠিছিল ; ইয়াৰ কাণ্ডাৰী আছিল চাৰিগৰাকী বিজ্ঞানী—ক'পাৰ্নিকাছ, কেপ্‌লাৰ, গেলিলিঅ' আৰু নিউটন। নিজৰ কাৰ্যাৱলী প্ৰচাৰ কৰাত গীৰ্জাই কেপ্‌লাৰ আৰু নিউটনৰ ওপৰত বিশেষ হেতা-ওপৰা কৰা নাছিল ; কিন্তু ক'পাৰ্নিকাছে, বিশেষকৈ গেলিলিঅ'ই, গীৰ্জাৰ যথেষ্ট বাধাৰ সন্মুখীন হবলগীয়া হৈছিল। ক'পাৰ্নিকাছৰ সৌৰতত্ত্ব আজিৰ দৃষ্টিত সাধাৰণ যেন লাগিব পাৰে ; কিন্তু এই তত্ত্ব সমাজত প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে ধৰ্মৰ লগত বিজ্ঞানৰ যি তুমুল আঁকিবা-আঁকিৰ সৃষ্টি হৈছিল, সি পৃথিৱীৰ বৌদ্ধিক ইতিহাসৰ এক আকৰ্ষণীয় অধ্যায়। পৃথিৱীখন সূৰ্যৰ চাৰিওকালে ঘূৰে বুলি যুক্তিসংগতভাৱে

দেখুৱাই দিয়া সত্ত্বেও ধৰ্মযাজকসকলে এই কথা বিশ্বাস কৰা নাছিল, কিয়নো পৃথিৱীখন যে থাকে আৰু সূৰ্যটোৱেহে লৰচৰ কৰে বুলি বাইবেলত কিছু ইংগিত আছিল। গতিকে কোনোবাই ইয়াৰ প্ৰতিবাদ কৰিলে তেওঁক বিধৰ্মী বুলি গণ্য কৰা হৈছিল।

ধৰ্ম আৰু বিজ্ঞানৰ এই সংঘৰ্ষৰ প্ৰথম উল্লেখযোগ্য বলি আছিল জিঅ'ৰ্দান' ব্ৰুন'। সূৰ্যটো সৌৰজগতৰ কেন্দ্ৰ বুলি আৰু বিশ্বত এনে বহুতো সৌৰজগত আছে বুলি কোৱাৰ পৰিণামত তেওঁ ছবছৰ জেলত কটাবলগীয়া হৈছিল; পিছলৈ যাজকসকলে ধৰ্মৰ 'পবিত্ৰতা' ৰক্ষা কৰিছিল তেওঁক জ্বলন্ত অগ্নিকুণ্ডলৈ দলিয়াই দি। ধৰ্মযাজকৰ ভয়ত ক'পাৰ্নিকাছে 'দি ৰিভল্যুশ্যুনিবাছ অৰ্বিয়াম ক'ৱেলেষ্টিয়ম' নামৰ তেওঁৰ অবিস্মৰণীয় গ্ৰন্থখন প্ৰকাশ কৰিবলৈ সাহস কৰা নাছিল। অৱশেষত অলাছ অচিয়েণ্ডাৰ নামৰ এজন লোকে গ্ৰন্থখন প্ৰকাশ কৰিবলৈ গাত ললে যদিও তেওঁ তাত এখন দীঘলীয়া পাতনি জোৰা লগাই দিলে য'ত কোৱা হৈছিল যে গ্ৰন্থখনত লেখা কথাবিলাক সঁচা নহৈ সেইবিলাক লেখক-গৰাকীৰ 'ধেমেলীয়া কল্পনা' ও (playful fancy) হ'ব পাৰে। গীৰ্জাৰ কোপদৃষ্টিত পৰাৰ দুৰ্ভাগ্য ক'পাৰ্নিকাছৰ নহ'ল, কাৰণ গ্ৰন্থখন ছপাহৈ তেওঁৰ হাতত পৰাৰ দিনাই তেওঁৰ মৃত্যু ঘটিল। ক'পাৰ্নিকাছৰ প্ৰতি যাজকসকলৰ মনোভাৱৰ ইংগিত পোৱা যায় মাৰ্টিন লুথাৰে তেওঁৰ বিষয়ে কৰা এষাৰ উক্তিৰ পৰা :

"চন্দ্ৰ-সূৰ্য নহয়, পৃথিৱীখনহে ঘূৰে বুলি কৈ ফুৰা এজন পাৰত'গজা জ্যোতিষীৰ কথা মানুহে সম্প্ৰতি শুনিবলৈ লৈছে। অৱশ্যে নিজকে টেঙৰ বুলি দেখুৱাব লাগিলে এটা নতুন পদ্ধতি বাহিৰ কৰিবই লাগিব। এই মূৰ্খটোৱে সমস্ত জ্যোতিৰ্বিজ্ঞানকে ওভোটাই পেলাব খুজিছে, যদিও পবিত্ৰ শাস্ত্ৰত লেখা আছে যে যচুৱাই সূৰ্যকহে ৰ'বলৈ আদেশ দিছিল, পৃথিৱীক নহয়।"

ক'পাৰ্নিকাছৰ স্পৰ্ধাত বিস্মিত হৈ কেলভিনবাদৰ প্ৰতিষ্ঠাতা জন

কেলভিনেও কৈছিল, "ক'পাৰ্নিকাছৰ কৰ্তৃত্বক 'হ'লি স্পিৰিট'ৰ ওপৰত স্থান দিবলৈ ইমানটো সাহ কাৰ ?"

ক'পাৰ্নিকাছৰ উত্তৰসূৰী গেলিলিঅ'ই ক'পাৰ্নিকাছতকৈ বহু বেছি পৰিমাণে গীৰ্জাৰ গঞ্জনা সহ্য কৰিবলগীয়া হৈছিল। বৈজ্ঞানিক জীৱনৰ আৰম্ভণিতে 'সকলো বস্তু সমান বেগেৰে তললৈ পৰে' বুলি আৰিস্তত্‌ল্-অক 'অপমান' কৰা অপৰাধত তেওঁ নিজৰ জন্মস্থান পিচা চহৰৰ পৰা ফ্ল'ৰেন্স চহৰলৈ পলাই আহিবলৈ বাধ্য হয় আৰু দূৰবীন যন্ত্ৰৰদ্বাৰা সূৰ্যত কলংক উলিয়াই আৰিস্তত্‌ল-অক পুনৰ 'অপমানিত' কৰে। গেলিলিঅ' আছিল মনে-প্ৰাণে এজন বিপ্লৱী। গীৰ্জাৰ বহু সতৰ্কবাণী উলঙ্ঘা কৰি ১৬৩০ চনত তেওঁ 'ভায়েলঘ' দেই দ্যু মাচিমি চিষ্টেমি দে মণ্ডে' নামে কিতাপ এখন লেখি উলিয়ায়। এই ক্ষেত্ৰতো তেওঁৰ বৈপ্লৱিক মনোবৃত্তি দেখা গৈছিল ; চিৰাচৰিত প্ৰথা অনুযায়ী কিতাপখন তেওঁ লাতিন ভাষাত নেলেখি লেখিছিল ইতালীয় ভাষাত। ইয়াত তেওঁ ক'পাৰ্নিকাছৰ তত্ত্ব অকল সমৰ্থন কৰাই নহয়, 'মূৰ্খ' (Simplicio) নামে এটা চৰিত্ৰৰদ্বাৰা স্বয়ং পোপকো ব্যঙ্গ কৰিছিল। ইয়াৰ পৰিণতি স্বৰূপে তেওঁ ভুগিব লগাত পৰিছিল আজীৱন কাৰাদণ্ড।

সামন্তযুগীয় চিন্তা-চৰ্চাৰপৰা উদ্ধাৰ পাবলৈ সোতৰ শতিকা পৰ্যন্ত বিজ্ঞানে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। অকল পদাৰ্থ বা জ্যোতি-ৰ্বিজ্ঞানেই নহয়, বিজ্ঞানৰ অন্যান্য শাখাবিলাকো ধৰ্মৰ লগত কন্দললিপ্ত হবলগীয়া হৈছিল। স্পেইনৰ বিখ্যাত চিকিৎসাবিদ মিগুৱেল দি চাৰ্ভেট'ক জন কেলভিনে প্ৰৰোচনা কৰি জুইত পুৰি হত্যা কৰাইছিল ; মৃত মানুহৰ শৰীৰ কটাচিঙা 'অপৰাধ'ত চিকিৎসাবিজ্ঞানৰ 'এনাটমি' শাখাটোৰ জনক ভেছোলিয়ছৰ ওপৰত নৰহত্যাৰ অভিযোগ অনা হৈছিল। যোল্ল শতিকাত চিকিৎসাবিজ্ঞানৰ ওপৰত ধৰ্মৰ অহেতুক হস্তক্ষেপ সম্পৰ্কে বাৰ্ট্ৰাণ্ড ৰাছেলে তেওঁৰ 'ৰিলিজন এণ্ড চায়েন্স' গ্ৰন্থত লেখিছে :

"ব্যৱচ্ছেদ বিদ্যা শিকাত অকণো উৎসাহ দেখুওৱা নহৈছিল,

কাৰণ ই শৰীৰৰ নৱজীৱনত (·resurrection) বাধা জন্মাব পাৰে। পঞ্চম পায়াচ নামৰ পোপগৰাকীয়ে ষোল্ল শতিকাৰ শেহভাগত প্ৰচাৰ কৰিছিল যে মানুহে শৰীৰত দুখ পায় পাপৰ ফলত, আৰু তিনিদিনৰ ভিতৰত পুৰোহিতৰ ওচৰত সেই পাপ স্বীকাৰ কৰিলে তেওঁ আৰোগ্য হয়। পুৰোহিতে যাদুবিদ্যাৰে তেওঁৰ ৰোগ ভাল কৰে !! বেমাৰৰ প্ৰতিকাৰৰ কাৰণে বেজী দিয়া প্ৰথা আৰম্ভ হওঁতে যাজক সম্প্ৰদায়ৰ পৰা ভীষণ আপত্তি আহিছিল। এজন ফৰাচী যাজকে এইবুলি প্ৰচাৰ কৰিছিল যে জবৰ (Job) কামিহাড়ৰ ভগাৰ কাৰণ হ'ল—চয়তানে তেওঁক দিয়া বেজী! প্ৰসৱৰ সময়ত চিকিৎসকসকলে যেতিয়া এনাস্থেটিক্স্ প্ৰথমে প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰে, তেতিয়া যাজক সম্প্ৰদায়ে প্ৰবলভাৱে প্ৰতিবাদ জনাছিল, কাৰণ বাইবেলত আছে, 'In suffering thou shalt bring forth children.' এনাস্থেটিক্স্ প্ৰয়োগ কৰিলে তিৰোতাই যন্ত্ৰণা পাব কেনেকৈ?"

সোতৰ শতিকাৰ শেষৰ ফালে বিজ্ঞানৰ ওপৰত ধৰ্মৰ হেতা-ওপৰা যথেষ্ট কমি আহে (যদিও উনৈশ শতিকাতো ডাৰউইনৰ 'বিৱৰ্তনবাদ' সমাজত প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে টি. এইচ. হাক্সলিয়ে যাজক সম্প্ৰদায়ৰ লগত যথেষ্ট বাদানুবাদ কৰিবলগীয়া হৈছিল)। সোতৰ শতিকাৰ য়ুৰোপত, বিশেষকৈ ইংলণ্ডত নিউটন, বইল, হুক, কেভেণ্ডিছ, হাৰ্ভে, গিলবাৰ্ট প্ৰমুখ্যে কেইবাগৰাকীও প্ৰতিভাশালী বিজ্ঞানীৰ জন্ম হয়। ১৬৬০ চনত লণ্ডনৰ বিখ্যাত 'ৰয়েল চচাইটি' আৰু তাৰ ছবছৰৰ পিছত পেৰিচত 'একাডেমি ৰয়েল দ' চায়েন্সেজ' নামৰ অনুষ্ঠান দুটা স্থাপিত হয়।

এইদৰে য়ুৰোপত এক বৈজ্ঞানিক ঐতিহ্যৰ সূচনা হয়। ইয়াৰ দাৰ্শনিক ভেঁটি প্ৰতিষ্ঠা কৰিলে ইংলণ্ডৰ ফ্ৰান্সিছ বেকনে। অভিজ্ঞতাবাদী দৰ্শনৰ প্ৰতিষ্ঠাতা জন লক নিউটনৰ বন্ধু আছিল আৰু তেওঁ ৰয়েল চোছাইটিৰ সভ্যও আছিল। আনহাতে টমাছ হবছে ৰাজনীতি

বিজ্ঞানৰ এক বিজ্ঞানসম্মত ৰূপ দিয়ে। হব্‌চৰ ভয়ত হব্‌ছে ধৰ্মৰ প্ৰতি মৌখিক আনুগত্য দেখুৱাইছিল যদিও পেটে পেটে তেওঁ নাস্তিক আছিল আৰু এই মনোবৃত্তিৰ বাবেই 'লেভিয়াথান' গ্ৰন্থ প্ৰকাশ হোৱাৰ পিছত তেওঁ পেৰিছলৈ পলাই যাবলৈ বাধ্য হৈছিল। 'জড়বাদৰ দেশজ পুত্ৰ' ইংলণ্ডত বেকনৰ দৰে ধৰ্মভাৱাপন্ন লোকেও কৈছিল, "Atheism leaves man to sense, to philosophy, to natural piety, to laws of reputation, all of which may be guides to an outward moral virtue, although religion were not."

জড়বাদৰ ক্ৰমবৰ্ধমান আধিপত্যই সোতৰ শতিকাৰ আৰম্ভণিত ইংলণ্ডত 'ডেইজ্‌ম্‌' নামে এটা ধৰ্মীয় আন্দোলন গঢ়ি তোলে। ডেইষ্টসকল বিধৰ্মী নাছিল; কিন্তু ধৰ্মৰ আনুষ্ঠানিকতা বা ব্যক্তিগত নৰৰূপী ঈশ্বৰ তেওঁলোকে বিশ্বাস নকৰিছিল। ইংলণ্ডৰ প্ৰসিদ্ধ ডেইষ্ট পৰাকী হ'ল 'ট্ৰিটিজ অৱ হিউমেন নেচাৰ'ৰ বিখ্যাত লেখক ডেভিদ হিউম। হিউম আছিল তীব্ৰ সন্দেহবাদী আৰু ৰহস্যবাদৰ কঠোৰ সমালোচক। যুক্তিৰদ্বাৰা ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ কৰিব খোজা মধ্যযুগীয় পণ্ডিতসকলক তেওঁ সমালোচনাৰে থকা-সৰকা কৰিছিল। ব্যংগেৰে তেওঁ কৈছিল যে ঈশ্বৰ যদি সঁচাকৈয়ে এজন সুনিপুণ কাৰিকৰ হয়, তেন্তে পৃথিৱীখন ঈশ্বৰে হয় শিশু অৱস্থাত লেখা বা বুঢ়াকালত আধালেখাকৈ এৰি থৈ যোৱা এখন ৰচনাহে! নহলে তেওঁ পৃথিৱীখন আকাল মহামাৰীৰে ইমান বেয়াকৈ সজাৰ কাৰণ নাছিল!! আচৰিত নহয়, মণ্টেছকিউৱে ইংলণ্ড ভ্ৰমণৰপৰা ফ্ৰান্সলৈ আহি কৈছিল, "ইংলণ্ডত কোনো ধৰ্ম নাই।"

য়ুৰোপৰ অন্যান্য দেশবিলাকতো বৈজ্ঞানিক উদ্যমৰ ছাপ নপৰাকৈ থকা নাছিল। যোল্ল-সোতৰ শতিকাত হলেণ্ডে দুগৰাকী প্ৰতিভাশালী পুৰুষৰ জন্ম দিয়ে; তেওঁলোক হ'ল ক্ৰিষ্টিয়ান হাইজেন্স্‌ আৰু বেনিডিক্ট স্পিন'জা। হাইজেন্স্‌ পদাৰ্থবিজ্ঞানী আছিল। স্পিন'জা দাৰ্শনিক

আছিল যদিও, তেওঁ তেওঁৰ বিখ্যাত 'নীতিশাস্ত্র' গ্রন্থখন লেখিছিল ইউক্লিডৰ জ্যামিতিৰ পুথিৰ অনুকৰণত। 'ঈশ্বৰমত্ত পুৰুষ' বুলি পৰৱৰ্তী কালত জনাজাত হৈছিল যদিও ধৰ্মীয় কৰ্তৃত্ববাদৰপৰা স্পিন'জা হাত সাৰি থাকিব পৰা নাছিল। ধৰ্মশাস্ত্ৰৰ প্ৰতিটো উক্তি যুক্তিপূৰ্ণ বুলি মানি নোলোৱা অপৰাধত ইহুদীসকলৰ ধৰ্মীয় বিচাৰালয় 'চিনাগগে' তেওঁক সমাজৰ পৰা বহিষ্কাৰ কৰিছিল।

এই কালছোৱাত ফ্রান্সত আৰ্বিভাৱ হোৱা লাইবনিৎচ, দেকাৰ্ত্, পাস্কেল আদি দাৰ্শনিকসকলো গণিত আৰু বিজ্ঞানত সুপণ্ডিত আছিল। লাইবনিৎচ 'কলন গণিত'ৰ, দেকাৰ্ত্ 'স্থানাংক জ্যামিতি'ৰ আৰু পাস্কেল সম্ভাৱনাতত্ত্ব আৰু উপস্থিতিবিজ্ঞানৰ জন্মদাতা। দেকাৰ্তে ক'পানিকাছৰ তত্ত্ব সমৰ্থন কৰি 'লে' মণ্ডে' নামে এখন কিতাপো লেখি উলিয়াইছিল, কিন্তু গেলিলিঅ'ৰ দুৰ্দশাৰ কথা শুনি তেওঁ কিতাপখন প্ৰকাশ কৰিবলৈ সাহস কৰা নাছিল। গীৰ্জাৰ কোপদৃষ্টিৰপৰা হাত সাৰিবলৈ তেওঁ ফ্রান্সৰপৰা হলেণ্ডলৈ পলাই গৈছিল। তেওঁৰ আটাইতকৈ বিখ্যাত গ্রন্থ 'দিচকোৰ্চ দি লা মণ্ডে' জেচুইটসকলৰ দ্বাৰা নিষিদ্ধ বুলি ঘোষণা কৰা হৈছিল; মৃত্যুৰ যোল্ল বছৰৰ পিছত তেওঁৰ মৃতদেহটো যেতিয়া আমষ্টাৰ্ডামৰপৰা আনি পেৰিচৰ সমাধিস্থ কৰিবলৈ স্থিৰ কৰা হয়, তেতিয়া গীৰ্জাই আনকি মৃতদেহটোও আনুষ্ঠানিকভাৱে সমাধিস্থ কৰিবলৈ অনুমতি দিয়া নাছিল। বিধৰ্মী নাছিল যদিও যুক্তিৰ ওপৰত তেওঁৰ আস্থা আছিল অটল।

দেকাৰ্ত্ৰ দেশেৰে ভল্‌তেয়াৰে বৈজ্ঞানিক কাৰ্য-কাৰণবাদ মানি ললেও ভল্‌তেয়াৰ আছিল মূলতঃ ভাৱবাদী। ফ্রান্সত জড়বাদৰ ভেঁটি স্থাপন কৰে পিয়েৰে গাছেণ্ডি আৰু পিয়েৰে বেইলেহে। গাছেণ্ডিয়ে নাস্তিকতাক অস্ত্ৰ হিচাবে তুলি নিয়ে। কিন্তু ফ্রান্সৰ গীৰ্জা ইংলণ্ডৰ গীৰ্জাৰ দৰে উদাৰ নাছিল। আন দেশৰপৰা অহা সকলো ধৰণৰ পুথি-পুঁজি ফ্রান্সত তন্নতন্নকৈ পৰীক্ষা কৰা হৈছিল আৰু ধৰ্মবিৰোধী বুলি গণ্য হলে

[illegible]বীয়া নাটকৰ হতুৱাই সেইবিলাক ৰাজহুৱাভাৱে পুৰি পেলোৱা হৈছিল। ক্ৰমান্বয়ে হ্ৰাস পাই অহা ক্ষমতা পুনৰুদ্ধাৰৰ বাবে ফ্ৰান্সৰ গীৰ্জা ইমান উঠিপৰি লাগিছিল যে 'ৰবিনছন ক্ৰুছ'ৰ দৰে নিৰীহ কিতাপ এখনকো 'নীতিবিগৰ্হিত আৰু বেয়া কিতাপ' বুলি ই বায় দিছিল। ইংৰাজ লেখক টম পেইনে 'দি এইজ অৱ ৰিজন' নামৰ পুস্তিকাখন ফ্ৰান্সত প্ৰকাশ কৰাত সেইখন ততালিকে বন্ধ কৰি দিয়া হৈছিল, কাৰণ তাত কোৱা হৈছিল, 'মোৰ মনটোৱেই মোৰ গীৰ্জা।' পেইনক ধৰিব নোৱাৰাত গীৰ্জাই প্ৰকাশক কেইজনকে (তাৰ ভিতৰত তিৰোতা মানুহো আছিল) জেলত ভৰাই ৰাখিছিল। ফৰাচী গীৰ্জা ইমান কঠোৰ হৈ উঠিছিল যে ১৭৫৭ চনত ধৰ্মক আক্ৰমণ কৰা লেখকসকলক মৃত্যুদণ্ডেৰে দণ্ডিত কৰিব লাগে বুলি ফৰাচী কৰ্তৃপক্ষই এখন আইন প্ৰণয়নৰো ব্যৱস্থা কৰিছিল।

ঠিক এনে সময়তে ফ্ৰান্সত উদয় হৈছিল বিখ্যাত 'এনচাইক্লোপেডিষ্ট' বা বিশ্বকোষ লেখকসকলৰ। দিদ্ৰ', ভল্‌তেয়াৰ, হলবাক, হেলভেতিয়াচ, লা মেত্ৰি, দি এলেম্বাৰ্তি্, কঁণ্ডৰ্চে, কঁদিলাক, মৌপাৰ্তুই আদি লেখকসকল আছিল এই দলটোৰ কৰ্ণধাৰ। এওঁলোক প্ৰতিজনেই আছিল বৈজ্ঞানিক মনোভাৱেৰে উদ্দীপ্ত, কুসংস্কাৰ আৰু অন্ধ-বিশ্বাসৰ ঘোৰ শত্ৰু আৰু মুক্ত চিন্তাৰ সমৰ্থক। এওঁলোকে বিচাৰিছিল বৌদ্ধিক স্বাধীনতা। বিনা বিচাৰে কোনো ধৰণৰ কৰ্তৃত্ব মানি ল'বলৈ এওঁলোক ৰাজী নাছিল। এওঁলোক আছিল যুক্তিৰ ওপৰত আস্থাশীল, আশাবাদী আৰু প্ৰগতিত বিশ্বাসী। এই দলটোৱে য়ুৰোপত 'যুক্তিৰ যুগ'ৰ সূচনা কৰিলে। এওঁলোকৰ আন্দোলনটো এটা বুৰ্জোৱা আন্দোলন আছিল যদিও, মানুহৰ মনৰপৰা কুসংস্কাৰপূৰ্ণ সামন্তবাদী ধাৰণাবিলাক আঁতৰোৱাত এওঁলোকৰ যথেষ্ট অৰিহণা আছে। দৰ্শনৰ ক্ষেত্ৰত এওঁলোক ঘাইকৈ লক আৰু নিউটনৰ অনুগামী আছিল। ইংলণ্ডৰ ডেইষ্টসকলৰ নিচিনাকৈ এওঁলোকেও আনুষ্ঠানিক ধৰ্ম বিশ্বাস নকৰিছিল আৰু আনুষ্ঠানিক ধৰ্মৰ দুৰ্নীতিৰ

বিৰুদ্ধে এওঁলোকৰ প্ৰত্যেকেই হাতত কলম তুলি লৈছিল। ফৰাচী বিশ্বকোষখনৰ প্ৰধান সম্পাদক দিদ্‌ৰ'ই চিঞৰি উঠিছিল, "জগতৰ শেষ পুৰোহিতজনৰ সৈতে শেষ ৰজাজনৰ ডিঙি মুচৰিব নোৱাৰা লৈকে মানুহ স্বাধীন হব নোৱাৰে।" 'অন্ধলৈ চিঠি' নামে এখন বৈপ্লৱিক গ্ৰন্থ লেখি তেওঁ ছমাহ জেলত পঁচিবলগীয়া হৈছিল। কিন্তু তেওঁ ক্ষান্ত থকা নাছিল। বন্দীশালৰ বেৰৰ ৰঙ একৰাই তাৰে চিয়াঁহী কৰি আৰু দাঁত মজা ব্ৰাচ্‌-ডালকে কলম হিচাপে লৈ তেওঁ চলাই গৈছিল ধৰ্মীয় কুসংস্কাৰৰ বিৰুদ্ধে তেওঁৰ অবিৰাম যুদ্ধ। তেওঁৰ শ্লোগান আছিল—"Elargissez Dieu"—'ভগৱানক বিশাল কৰা।' ১৭৬০ চনত 'ধৰ্ম' আৰু ১৭৯৬ চনত 'দৈৱবাদী জেক্‌চ' নামে দুখন কিতাপ তেওঁ ৰচনা কৰে। দুয়োখন কিতাপকে ৰাজহুৱাভাৱে পুৰি পেলোৱা হৈছিল। ঈশ্বৰৰ 'ব্যক্তিগত শত্ৰু' হলবাকে (অন্ততঃ বন্ধুসকলে তেওঁক এই বুলিয়েই সম্ভাষণ জনাইছিল) কৈছিল, "ঈশ্বৰ', 'সৃষ্টি' আদি শব্দবিলাক ভাষাৰ পৰা উঠাই দিব লাগে, কাৰণ এইবোৰ অজ্ঞতাৰ ফলত উদ্ভৱ হোৱা শব্দ!" ১৭৭০ চনত তেওঁ 'নাস্তিকতাৰ বাইবেল' নামেৰে প্ৰসিদ্ধ 'প্ৰকৃতিৰ পদ্ধতি' নামৰ কিতাপখন লেখি উলিয়ায়। পেৰিচৰ গীৰ্জাই কিতাপখন "impious, blesphamous, seditious, tending to destroy all ideas of divinity, to rouse people to revolt against religion and government" বুলি ৰায় দি কিতাপখনৰ প্ৰচাৰ লগে লগে বন্ধ কৰি দিয়ে। ৰজা আৰু গীৰ্জাৰ অত্যাচাৰত অতীষ্ঠ হৈ কণ্ডৰ্চেই লেখিছিল,

"এটা সময় নিশ্চয় আহিব যেতিয়া সূৰ্যই এনে এখন পৃথিৱীতহে তাৰ পোহৰ পেলাব য'ত স্বাধীন মানুহে যুক্তিৰ বাহিৰে আন কোনো প্ৰভুকে স্বীকাৰ নকৰে, য'ত অত্যাচাৰী আৰু দাস, পুৰোহিত আৰু তেওঁৰ ভণ্ড মূৰ্খবোৰ বুৰঞ্জীৰ,—আনকি মঞ্চৰ পৰাও,—অন্তৰ্হিত হ'ব।"

ভল্‌তেয়াৰ নাস্তিক নাছিল, কিন্তু গীৰ্জা-বিৰোধী আছিল। গীৰ্জাক উদ্দেশ্য কৰি তেওঁ কৈছিল, 'Exerasez L'infame'—'কুখ্যাতি চূৰ্ণ কৰা।'

"The first divine was the first rogue who met the first fool." —তেওঁ এবাৰ লেখিছিল। গীৰ্জাৰ বিৰুদ্ধে তীব্ৰ ভাষাৰ এটা কবিতা লেখি তেওঁ পেৰিচৰপৰা কয়েদ হোৱাৰ পৰা ৰক্ষা পাবলৈ এবাৰ পলাই যাবলগীয়া হয় আৰু তাৰপৰা প্ৰকাশ কৰে 'দাৰ্শনিক চিঠি' নামে এখন গ্ৰন্থ। গ্ৰন্থকাৰক ধৰিব নোৱাৰাত গ্ৰন্থখনকে ৰাজহুৱাভাৱে পুৰি পেলোৱা হৈছিল আৰু যাজকসকলে প্ৰকাশকজনক জেলত ভৰাইছিল। ১৭৫৪ চনত এখন বুৰঞ্জীৰ কিতাপ লেখি ৰোম সাম্ৰাজ্যৰ পতনৰ বাবে ভল্‌তেয়াৰে খৃষ্টান ধৰ্মক দোষাৰোপ কৰে। তেওঁ ফ্ৰান্সৰপৰা বহিষ্কৃত হোৱাৰ ইও এটা কাৰণ। ঠিক একেদৰে স্থূল-জড়বাদৰ সমৰ্থক লা মেত্ৰিয়ে 'মানুহৰ প্ৰাকৃতিক বুৰঞ্জী' নামৰ এখন গ্ৰন্থ লেখি ৰাজকায় চিকিৎসকৰ কামটো হেৰুৱায় আৰু 'মেন : এ মেচিন' নামে কিতাপখনৰ যোগেদি মানুহ এটা যন্ত্ৰ বুলি প্ৰচাৰ কৰাত তেওঁ ফ্ৰান্সৰ পৰা বহিষ্কৃত হয়।

এইদৰে এনচাইক্লোপেডিষ্ট সকলৰ 'উৎপাত'ত ফ্ৰান্সৰ গীৰ্জা ইমান বিৰক্ত হৈ পৰিছিল যে তেওঁলোকে যুগুত কৰা আঠাইশ খণ্ডৰ বিৰাট বিশ্বকোষখনত ধৰ্মৰ বিৰুদ্ধে বিশেষ একো কথা—নথকা সত্ত্বেও যাজক-সকলে গ্ৰন্থখনৰ প্ৰকাশ বহুদিনলৈ বন্ধ কৰি ৰাখিছিল।

এনচাইক্লোপেডিষ্ট দলৰ ঠিক অন্তৰ্ভুক্ত নহলেও গীৰ্জাৰ কোপদৃষ্টিত পৰা সেই সময়ৰ আন এজন বিখ্যাত ফৰাচীলোক হ'ল ৰুছ'। 'এমিলি' নামৰ গ্ৰন্থখনত ৰুছ'ই কৈছিল যে দৈৱবাণী আদিত বিশ্বাস কৰাৰ কোনো প্ৰয়োজন নাই ; আমাৰ ধৰ্ম হোৱা উচিত 'স্বাভাৱিক ধৰ্ম' (natural religion) আৰু এই ধৰ্ম গ্ৰহণ কৰিলে পৃথিৱীত আৰু ধৰ্ম বিৰোধ নাথাকিব ইত্যাদি। এনেবিলাক উক্তিৰ ফলস্বৰূপে তেওঁ ফ্ৰান্সৰ পৰা পলাই আহিবলগীয়া হ'ল। তেওঁৰ ইচ্ছা আছিল জেনিভা চহৰত সোমোৱাৰ। কিন্তু জেনিভা কাউন্সিলে ইতিমধ্যে তেওঁৰ কিতাপখন ৰাজহুৱাভাৱে পুৰি পেলাইছিল আৰু তেওঁ জেনিভালৈ আহিলে তেওঁক বন্দী কৰাৰ আদেশ জাৰি কৰিছিল। গতিকে মতিয়াছ নামে এটুকুৰা

ঠাইত তেওঁ থাকিবলৈ ল'লে; কিন্তু সেই চহৰৰে প্ৰধান পুৰোহিত জনাৰ প্ৰৰোচনাত কিছুমান মানুহে তেওঁক হত্যা কৰিবলৈ ষড়যন্ত্ৰ কৰাত তেওঁ অৱশেষত ইংলণ্ডলৈ পলাই যায় আৰু তাত ডেভিদ হিউমৰ আশ্ৰয় লয়গৈ।

ওঠৰ শতিকাৰ ফৰাচী বুদ্ধিজীৱীসকলে গীৰ্জাক নাকনি-কাননিকৈ শিকাইছিল। গীৰ্জাই এওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা হাতত ল'লেও ই তেওঁলোকৰ আন্দোলন দমন কৰিব পৰা নাছিল; বৰং সাধাৰণ মানুহ এই আন্দোলনৰ প্ৰতি আকৃষ্টহে হৈছিল। উইল ডুৰাণ্টে লেখিছে, "পেৰিচৰ কাফেবোৰত ধ্বনিত হৈছিল নাস্তিকতা। পুৰোহিতক ব্যংগ কৰি লেখা কবিতাবোৰে চহৰীয়া লোকক হাঁহিৰ খোৰাক যোগাইছিল; এওঁলোকে ইশ্বৰক সম্বোধন কৰিছিল এইবুলি—Monsiers de I' Etra' (Mr. Being)। আনকি মফচল অঞ্চলবোৰতো ধৰ্মবিৰোধী সাহিত্যৰ বহুল প্ৰচাৰ হৈছিল। কাকত বেচোঁতাই ঘুৰাৰে ঘুৰাৰে বেচি ফুৰিছিল এখন পুস্তিকা যাৰ নাম আছিল,—'তিনিগৰাকী খ্যাতনামা ভণ্ড— ম'জেচ, খৃষ্ট আৰু মহম্মদ" ('দি এজ অৱ ভলতেয়াৰ')।

জ্ঞান আৰু প্ৰতিভাৰ ক্ষেত্ৰত উনৈশ শতিকাৰ আগলৈকে ইংলণ্ড আৰু ফ্ৰান্সৰ তুলনাত জাৰ্মানী আছিল এখন পিচ পৰা দেশ। সেয়ে ধৰ্মৰ লগত প্ৰগতিৰ যি যুদ্ধ সোতৰ-ওঠৰ শতিকাত ইংলণ্ড আৰু ফ্ৰান্সত সংঘটিত হৈছিল, জাৰ্মানীত তাৰ সূত্ৰপাত হৈছিল উনৈশ শতিকাতহে। এই যুদ্ধ আৰম্ভ কৰে ডেভিদ ষ্ট্ৰাউছে 'খৃষ্টৰ জীৱন' নামে এখন কিতাপ লেখি। কিতাপখনত যীশুক এজন সাধাৰণ মানুহ হিচাপে বৰ্ণনা কৰা হৈছিল। ষ্ট্ৰাউছৰ অনুকৰণত জাৰ্মানীৰ বামপন্থী হেগেলিয়ান দলৰ নায়ক ব্ৰুন' বউৱাৰে বাইবেলৰ 'গছপেল' বিলাক কিছুমান উপকথা বুলি প্ৰচাৰ কৰাত তেওঁ বাৰ্লিন বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ চাকৰি হেৰুৱাব লগাত পৰে। সেইদৰে 'খৃষ্টানধৰ্মৰ সাৰকথা' নামৰ গ্ৰন্থত ভগৱান মানুহৰেই এটা প্ৰতিচ্ছবি বুলি মত প্ৰকাশ কৰাত লাডৱীগ ফয়েৰ-বাখো বাৰ্লিন বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ পদৰপৰা বহিষ্কৃত হৈছিল।

য়ুৰোপৰ বৌদ্ধিক ইতিহাসৰ এই চমু বিৱৰণে আনুষ্ঠানিক ধৰ্মৰ ৰক্ষণশীল চৰিত্ৰটোৰ এটা আভাস আমাক দিয়ে। যুক্তিৰ সৈতে হোৱা এই আঁৰিয়া-আঁৰিত আৰম্ভণিতে ধৰ্মই বিজয় লাভ কৰিছিল। কিন্তু নৱন্যাস যুগৰ পিছত বিজ্ঞানৰ আধিপত্যই য়ুৰোপত পুঁজিবাদৰ প্ৰসাৰ সুচল কৰি তোলাৰেপৰা ধৰ্ম ক্ৰমান্বয়ে পশ্চাদভূমিলৈ অপসাৰিত হবলৈ আৰম্ভ কৰিলে।

(১৯৭২)

———